www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক


তোমাৰ অন্তৰৰ পবিত্ৰখিনি তোমাৰ মুখাবয়বত ফুটি উঠে। অন্তৰ পবিত্ৰ কৰি ৰখাই হ'ল আত্মা আৰু শৰীৰৰ বাবে প্ৰথম কৰণীয়। — চেইন্ট জে'ৰম

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক।
- 'অসম বাৰ্তা' গোষ্ঠী -

প্ৰথম বছৰ । সংখ্যা- ১২৫ । শনিবাৰ । ১৪ ফেব্ৰুৱাৰী, ২০২৬ চন । Volume/Year- I । Issue- 125 । Saturday । 14th February, 2026 । Asom Barta, Majuli । PRGI Reg. No.- ASASS/25/A2361 । Price- Rs. 10 । Total Page- 8

### প্ৰধানমন্ত্ৰীৰ সন্মুখত বায়ুসেনা বাহিনীয়ে প্ৰদৰ্শন কৰিব এক এয়াৰ শ্ব'

# আজি পুনৰ অসমলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী

■ উদ্বোধন কৰিব গুৱাহাটী-উত্তৰ গুৱাহাটীৰ মাজৰ কুমাৰ ভাস্কৰ বৰ্মা সেতু ■ সন্ধিয়ালৈ বুথ সন্মিলন



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৪ ফেব্ৰুৱাৰী ঃ** আজি অসমলৈ আহিব প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী। ডিব্ৰুগড়ত উপস্থিত হৈ তেওঁ এয়াৰ শ্ব'ত অংশগ্ৰহণ কৰিব আৰু উত্তৰ-পূৰ্বাঞ্চলত যোগাযোগ ব্যৱস্থা, ডিজিটেল আন্তঃগাঁথনি, উচ্চ শিক্ষা আৰু নগৰীয়া গতিশীলতা শক্তিশালী কৰাৰ লক্ষ্যৰে ৫,৪৫০ কোটি টকাৰ উন্নয়নমূলক প্ৰকল্প মুকলি কৰিব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ৰ মতে, প্ৰধানমন্ত্ৰীয়ে পুৱা প্ৰায় ১০.৩০ বজাত ডিব্ৰুগড়ৰ মৰাণ বাইপাছত থকা জৰুৰীকালীন অৱতৰণ কেন্দ্ৰ (ইএলএফ) ত অৱতৰণ কৰিব, য'ত তেওঁ যুঁজাৰু বিমান, পৰিবহণ বিমান আৰু ❑ ৬ পৃষ্ঠাত

## মৰাণৰ ইমাৰজেন্সী লেণ্ডিং ফিল্ড পৰিদৰ্শন ড° হিমন্ত বিশ্ব শৰ্মাৰ

নৰেন্দ্ৰ মোদীৰ আগমনৰ পূৰ্বে প্ৰস্তুতিৰ পৰ্যবেক্ষণ

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১৩ ফেব্ৰুৱাৰী ঃ** অহা ১৪ ফেব্ৰুৱাৰীত অসমলৈ আহিবলগীয়া ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ঐতিহাসিক ভ্ৰমণৰ পূৰ্বে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ডিব্ৰুগড় জিলাৰ মৰাণত নিৰ্মিত ইমাৰজেন্সী লেণ্ডিং ফিল্ড ❑ ৬ পৃষ্ঠাত



## তাৰিক ৰহমানক অভিনন্দন মোদীৰ

দুয়োখন দেশৰ সম্পৰ্ক সুদৃঢ় কৰাৰ আশা প্ৰকাশ

**অনলাইন ডেস্ক, অসম বাৰ্তা, ১৩ ফেব্ৰুৱাৰী ঃ** বাংলাদেশৰ ত্ৰয়োদশ সংসদীয় নিৰ্বাচনত বাংলাদেশ নেচনেলিষ্ট পাৰ্টী (বিএনপি)য়ে দুই তৃতীয়াংশৰো অধিক সংখ্যাগৰিষ্ঠতা ❑ ৬ পৃষ্ঠাত

■ আনুষ্ঠানিকভাবে ঘোষণা ৰাজস্থান ৰ'য়েলছ কৰ্তৃপক্ষৰ ■

## ৰাজস্থান ৰ'য়েলছৰ অধিনায়ক পদত অসম সন্তান ৰিয়ান পৰাগ



**অসম বাৰ্তা, গুৱাহাটী, ১৩ ফেব্ৰুৱাৰী ঃ** আইপিএলৰ আগন্তুক ২০২৬ ছিজনত ৰাজস্থান ৰয়েলছৰ (RR) অধিনায়ক হিচাপে দায়িত্ব গ্ৰহণ কৰিব অসমৰ ২৪ বছৰীয়া ক্ৰিকেট তাৰকা তথা মিডল-অৰ্ডাৰ বেটছমেন ৰিয়ান পৰাগে। ৰাজস্থান ৰয়েলছে আজি এই ঘোষণা কৰি পূৰ্ণকালীন অধিনায়ক ❑ ৬ পৃষ্ঠাত

খালী কৰা হৈছে ৰাজধানী দিল্লীৰ দুই পৰিচিত ঠাই নৰ্থ আৰু ছাউথ ব্লক

## 'সেৱা তীৰ্থ' প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ৰ নতুন ঠিকনা

কেন্দ্ৰীয় মন্ত্ৰালয় চেণ্ট্ৰেল ভিষ্টাৰ অন্তৰ্গত নতুন ভৱনলৈ স্থানান্তৰৰ সিদ্ধান্ত



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৩ ফেব্ৰুৱাৰী ঃ** আজি অৰ্থাৎ শুকুৰবাৰে সন্ধিয়া প্ৰায় ৬ বজাত প্ৰধানমন্ত্ৰী ❑ ৬ পৃষ্ঠাত

BNPৰ দুই তৃতীয়াংশ সংখ্যাগৰিষ্ঠতা লাভ

## বাংলাদেশৰ সাধাৰণ নিৰ্বাচনত নিৰংকুশ বিজয় সাব্যস্ত BNPৰ

অভূতপূৰ্ব নিৰাপত্তাৰ মাজতে ভোটগ্ৰহণ সম্পন্ন

**অনলাইন ডেস্ক, অসম বাৰ্তা, ১৩ ফেব্ৰুৱাৰী ঃ** বাংলাদেশত ২০২৪ চনৰ ছাত্ৰ-জনতাৰ আন্দোলনৰ পিছত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হোৱা সংসদীয় নিৰ্বাচনৰ ভোটগ্ৰহণ বৃহস্পতিবাৰে সম্পন্ন হৈছে। দেশজুৰি প্ৰায় ১২৭ নিযুত ভোটাৰে ভোটদান ❑ ৬ পৃষ্ঠাত



## বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতি পৰ্যালোচনাৰ বাবে নিৰ্বাচন আয়োগৰ দলৰ তিনিদিনীয়া অসম ভ্ৰমণ

১৬-১৮ ফেব্ৰুৱাৰীলৈ ৰাজনৈতিক দল আৰু জিলা প্ৰশাসনৰ সৈতে বৈঠক

**নিউজ ডেস্ক, অসম বাৰ্তা, ১৩ ফেব্ৰুৱাৰী ঃ** আসন্ন ২০২৬ চনৰ অসম বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ অগ্ৰগতি পৰ্যালোচনা কৰিবলৈ ভাৰতৰ নিৰ্বাচন ❑ ৬ পৃষ্ঠাত




### SITৰ তদন্তত উন্মোচিত অস্বাভাৱিক লেনদেন, আদালতত শুনানি সমাপ্ত



## জুবিন গাৰ্গৰ দুই দেহৰক্ষীৰ বিৰুদ্ধে ভয়ংকৰ বিত্তীয় প্ৰৱঞ্চনাৰ অভিযোগ

১৬ ফেব্ৰুৱাৰীত ৰায়দানৰ সম্ভাৱনা

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৩ ফেব্ৰুৱাৰী ঃ** প্ৰয়াত জনপ্ৰিয় কণ্ঠশিল্পী তথা অসমৰ সাংস্কৃতিক আইকন জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰৰ তদন্তই এতিয়া এক নতুন ❑ ৬ পৃষ্ঠাত

APCCৰ সাধাৰণ সম্পাদক ৰীতম সিঙে প্ৰেৰণ কৰিলে অভিযোগ পত্ৰ

## মুখ্যমন্ত্ৰীৰ মানহানি গোচৰৰ পৰা মহাধিবক্তাক আঁতৰোৱাৰ দাবী কংগ্ৰেছৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৩ ফেব্ৰুৱাৰী ঃ** অসম চৰকাৰৰ মহাধিবক্তা দেৱজিৎ শইকীয়াৰ বিৰুদ্ধে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ ওচৰত এখন ৰাজহুৱা স্বাৰ্থ আবেদন (PIL) দাখিল কৰা ❑ ৬ পৃষ্ঠাত

আলোচনা পুনৰ বাতিল কৰাত অখিল গগৈৰ তীব্ৰ অসন্তোষ

## কংগ্ৰেছৰ অভ্যন্তৰীণ বিবাদ ! বিৰোধীৰ বহু চৰ্চিত বৈঠক বাতিল

**ষ্টাফ ৰিপ'ৰ্টাৰ, কাজিৰঙা, ১৩ ফেব্ৰুৱাৰী ঃ** অসমত ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে বিৰোধী দলসমূহৰ মাজত মিত্ৰতা গঢ়ি তোলাৰ প্ৰচেষ্টাত গুৰুতৰ অনিশ্চয়তা ❑ ৬ পৃষ্ঠাত



### টটয়া লাটত ৰিনিকি ভূঞা শৰ্মাই ১৯ বিঘা মাটি ক্ৰয় কৰাৰ অভিযোগ

## মাজুলীত মুখ্যমন্ত্ৰীৰ পৰিয়ালৰ সম্পত্তিৰ অভিযানত প্ৰদেশ কংগ্ৰেছ

**অসম বাৰ্তা, উজনী মাজুলী, ১৩ ফেব্ৰুৱাৰী ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি মাজুলীত মাৰাথন কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ পিছত আজি সময় পৰিৱৰ্তনৰ, জাতি বচাওক, মাটি ❑ ৬ পৃষ্ঠাত

## অসম বিধানসভা নিৰ্বাচনৰ প্ৰাকক্ষণত কেন্দ্ৰীয় চৰকাৰৰ বিশেষ উন্নয়ন ঘোষণা

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৩ ফেব্ৰুৱাৰী ঃ** অসমত বিধানসভা নিৰ্বাচনৰ সময় চাপি অহাৰ লগে লগে ৰাজ্যখনৰ উন্নয়নৰ গতি তীব্ৰতৰ হৈ পৰিছে। নিৰ্বাচনৰ প্ৰাকক্ষণত কেন্দ্ৰীয় ❑ ৬ পৃষ্ঠাত



# ৮৮ বছৰত ভৰি দিলে মিতভাষৰ স্ৰষ্টা ড° নগেন শইকীয়াই

**ষ্টাফ ৰিপৰ্টাৰ ডিব্ৰুগড়, ১২ ফেব্ৰুৱাৰী ঃ** ৮৮ বছৰত ভৰি দিলে প্ৰথিতযশা সাহিত্যিক, মিতভাষৰ স্ৰষ্টা, সাহিত্যৰ অকাদেমি ফেল' ড° নগেন শইকীয়াই। এই উপলক্ষে আজি (১১-২-২০২৬) পুৱাৰে পৰা জীৱন ফুকন নগৰস্থিত সাহিত্যিক গৰাকীৰ বাসভৱন 'বৰ্ণমালা'ত ভিৰ কৰে অলেখ শুভাকাংক্ষী তথা গুণমুগ্ধই। সকলোৱে সাহিত্যিক গৰাকীৰ জন্মদিনৰ শুভেচ্ছা জনোৱাৰ লগতে সুস্বাস্থ্য কামনা কৰি গামোচা, ফুলৰ তৰা, স্মৃতিবিজড়িত ফটো আদিৰে শ্ৰদ্ধা জ্ঞাপন কৰি সুস্বাস্থ্য কামনা কৰে। বিয়লি সাহিত্যিক গৰাকীৰ বাসগৃহ 'আশ্ৰয়'ত সাৰস্বত ন্যাসৰ উদ্যোগত 'মিতভাষ দিৱস' উদ্‌যাপন কৰা হয়। সাহিত্যক গৰাকীৰ স্বাস্থ্যজনিত কাৰণত চলিত বৰ্ষৰ পৰা ৰাজহুৱা স্থানত মিতভাষ দিৱস আয়োজন কৰাত হোৱা অসুবিধাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰতিবছৰে আয়োজন কৰি অহা বক্তৃতানুষ্ঠানটো বাতিল কৰি এই বাৰ এক শাস্ত্ৰীয় সংগীতানুষ্ঠানৰ আয়োজন কৰা হয়। উক্ত অনুষ্ঠানত আৰম্ভণিতে ন্যাসৰ কাম-কাজৰ চমুকৈ আলোকপাত কৰাৰ লগতে আদৰণি ভাষণ প্ৰদান কৰে ন্যাসৰ সম্পাদক বীৰেন বৰুৱাই। আনহাতে নগেন শইকীয়াৰ জীৱন-কৃতী আৰু মিতভাষ সম্পৰ্কত চমুকৈ আলোকপাত কৰাৰ লগতে কেইটিমান মিতভাষ পাঠ কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বেজবৰুৱা আসনৰ ভূতপূৰ্ব অধ্যাপক, সাহিত্যাচাৰ্য ড° কৰবী ডেকা হাজৰিকাই। ন্যাসৰ প্ৰচাৰ সম্পাদক ৰতন হাজৰিকাই শলাগ জ্ঞাপন কৰা অনুষ্ঠানত আৰম্ভণিতে ৮৮ গছি বন্তি প্ৰজ্বলন কৰা হয়। ইয়াৰ পিছতে শ্ৰীভাৰতী কলেজৰ অধ্যাপক ড° চুমি ফুকনৰ পৰিচালনাত গুৰু-শিক্ষাৰ্থীবৃন্দ ক্ৰমে কৃষ্ণা পংকজা দত্ত, প্ৰণতি বৰা, লিপিকা শইকীয়া, মনীষা মাউট, ৰাজকৃষ্ণ গগৈৰ সহযোগত বৰগীত, সৰস্বতী বন্দনা, ৰামভজন, খেয়াল আৰু খোলবাদন পৰিৱেশন কৰে। তদুপৰি মিতালী কুৰ্মীৰ চাদ্ৰী ভাষাৰ গীত পৰিৱেশনে সকলোকে আপ্লুত কৰে। উক্ত অনুষ্ঠানতে সাৰস্বত ন্যাস পৰিষদ, প্ৰহৰী, বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাব, ডিব্ৰুগড় প্ৰেছক্লাব, ডিব্ৰুগড় সাহিত্য সভা, শ্ৰীভাৰতী কলেজ, ডিব্ৰুগড় চেণ্টাৰ ফৰ ইছলামিক ষ্টাডিজ, ডিব্ৰুগড় জিলা মইনা পাৰিজাতকে ধৰি বিভিন্ন অনুষ্ঠান-সংগঠনৰ লগতে অনেক শুভাকাংক্ষী আৰু গুণমুগ্ধই ফুলাম গামোচা, ফুলৰ থোপা, অংকিত ফটো আদিৰে সাহিত্যিক গৰাকীক জন্মদিনৰ শুভেচ্ছা জ্ঞাপন কৰে। উক্ত অনুষ্ঠানতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ তৰফৰ পৰা পৰৱৰ্তী বৰ্ষৰ পৰা বিভাগটোৰ যৌথ উদ্যোগত আনুষ্ঠানিকভাৱেপ্ৰ অহা বছৰৰ পৰা অধিক বহল পৰিসৰত 'মিতভাষ দিৱস' আয়োজন কৰাৰ সিদ্ধান্তৰ কথা পত্ৰযোগে জানিবলৈ দিয়ে বিভাগটোৰ মুৰব্বী অধ্যাপক ড° জয়ন্ত কুমাৰ বৰাই। অনুষ্ঠানত ন্যাসৰ সভাপতি তথা ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰু মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়ৰ ভূতপূৰ্ব উপাচাৰ্য ড° কন্দৰ্প কুমাৰ ডেকা, ন্যাসৰ সহকাৰী সম্পাদক ড° সত্যকাম বৰঠাকুৰ, অসম জাতীয় পৰিষদৰ সভাপতি লুৰিন জ্যোতি গগৈ, কোষাধ্যক্ষ গৌতম শইকীয়া, সংযোজক ড° মন্দিৰা বৰঠাকুৰ শইকীয়া, দিলীপ তামুলী, গায়ত্ৰী বৰুৱা, দেৱীপ্ৰসাদ বাগড়োদিয়াকে ধৰি ন্যাসৰ সকলো সদস্য-সদস্যা আৰু পৰিয়ালবৰ্গৰ লগতে দুকুৰিৰো অধিক গণ্যমান্য ব্যক্তি উপস্থিত থাকে। অনুষ্ঠান পৰিৱেশন কৰা শিল্পীবৃন্দ, ন্যাসৰ কৰ্মকৰ্তা আৰু অনুৰাগীৰ মৰম-শ্ৰদ্ধাত আপ্লুত হৈ নিজৰ অনুভৱ ব্যক্ত কৰি ড° নগেন শইকীয়াই কয় যে মোৰ ভিতৰত সদায় এটা বেলেগ মানুহ ধৰি ফুৰাওঁ; যিটো মানুহ সি হয়তো নিজতকৈ ক'ৰবাত বেলেগে হ'ব পাৰে। তাৰ মূল্য কিমান মই নেজানো। কিন্তু মই মানুহক অনুপ্ৰেৰণা দিবলৈ যত্ন কৰিব খোজো। যে এইখিনিৰে স'তে আমি তেওঁলোকক অনুপ্ৰেৰণা দিব পাৰো আৰু আমি তেওঁলোকক আমাৰ মাজলৈ লৈ আনিব পাৰো। মোৰ বয়স হৈ আহিছে। মই যে আৰু কিমান টিকিব পাৰিম ক'ব নোৱাৰো। গতিকে মই ভাবিছো যে এই অনুষ্ঠানটো ন্যাসে ৰক্ষা কৰিব লাগিব। ৰক্ষা কৰিব লাগিব এই অৰ্থত যে আমি যাতে হেৰুওৱাব নেলাগিব। আমি যোগ দিব লাগিব। এই লক্ষ্যৰে আপোনাসৱে যদি কাম কৰে তেন্তে এই অনুষ্ঠানটো থাকিব। এইটো লাগিলে নগেন শইকীয়াৰ নামত নেথাকক লাগিলে, কোনো কথা নাই। ই এটা অনুষ্ঠান হিচাপে যদিহে থাকিব তেন্তে তাৰ মূল্য বহুগুণে বাঢ়ি যাব বুলিও সাহিত্যিক গৰাকীয়ে চমু ভাষণত উল্লেখ কৰে।

# নলবাৰী শ্ৰীশ্ৰী হৰিমন্দিৰ প্ৰাংগনত পাঁচ সহস্ৰাধিক শিল্পীৰ দ্বাৰা নাগাৰা নাম প্ৰদৰ্শন

## হৰি-নামৰে মুখৰিত হৰিমন্দিৰ বাকৰি

**অসম বাৰ্তা, নলবাৰী, ১২ ফেব্ৰুৱাৰী ঃ** উত্তৰ পূৱ ভাৰতৰ সনাতনী সভ্যতা সংস্কৃতিৰ অন্যতম তীৰ্থস্থান ঐতিহ্যমণ্ডিত নলবাৰী শ্ৰীশ্ৰী হৰিমন্দিৰ প্ৰাংগন ৯ ফেব্ৰুৱাৰীৰ সন্ধিয়া পাঁচ সহস্ৰাধিক শিল্পীয়ে দ্বাৰা নাগাৰা নাম পৰিৱেশন কৰি হৰি নামেৰে মুখৰিত কৰি তোলে। নলবাৰী শ্ৰীশ্ৰী হৰিমন্দিৰ সমিতিৰ উদ্যোগত, হৰিমন্দিৰ সমিতিৰ সভাপতি, নলবাৰী সমষ্টিৰ বিধায়ক তথা কেবিনেট মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাৰ সহযোগত আৰু সদৌ নলবাৰী জিলা নাগাৰা নাম সংঘৰ পৰিচালনাত পাঁচ সহস্ৰাধিক নাগাৰা নামৰ শিল্পীয়ে অসমৰ লোক সংস্কৃতিৰ অন্যতম নাগাৰা নাম একেলগে পৰিৱেশন কৰে। নলবাৰী শ্ৰীশ্ৰী হৰিমন্দিৰ সমিতিৰ সহকাৰী সম্পাদক মিণ্টু তামোলী, কাৰ্যনিৰ্বাহ সদস্য অক্ষয় ডেকাই আঁতধৰা অনুষ্ঠানত নলবাৰী সমষ্টিৰ বিধায়ক তথা অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই হৰিমন্দিৰ প্ৰাংগনত উপস্থিত পাঁচ সহস্ৰাধিক নাগাৰা নামৰ শিল্পীৰ শ্ৰীচৰণত সেৱা জনাই প্ৰতিগৰাকী শিল্পীক ধন্যবাদ তথা কৃতজ্ঞতা জ্ঞাপন কৰে। মন্ত্ৰী বৰুৱাই কয় যে- মই নলবাৰী শ্ৰীশ্ৰী হৰিমন্দিৰ সমিতিৰ সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ পিছৰে পৰা অসমৰ লোক সংস্কৃতি মহিলাৰ দিহানাম আৰু নাগাৰা নামক বিশ্ব দৰবাৰলৈ নিয়াৰ প্ৰয়াস কৰি আহিছো। বিগত তিনি বছৰে মাহ যোৱা ভাদ মাহত মহিলাৰ দিহানাম পৰিবেশন আৰু মাহ যোৱা মাঘ মাহত নাগাৰা নাম পৰিৱেশন কৰাৰ ব্যৱস্থা কৰিছো। উপস্থিত পাঁচ সহস্ৰাধিক নাগাৰা নামৰ শিল্পীক পৰিচালনা কৰে সদৌ নলবাৰী জিলা নাগাৰা নাম সংঘৰ সভাপতি গিৰীশ বৰ্মন, সম্পাদক নৃপেন বৈশ্য, নলবাৰী জিলা নাগাৰা নাম সংঘৰ কৰ্ণধাৰ সমিতিৰ সভাপতি জনপ্ৰিয় পাঠক কৈলাস তালুকদাৰ, সম্পাদক ভূপেন দাস, বিশিষ্ট কণ্ঠশিল্পী দীপক দাস, সদৌ অসম নাগাৰা নাম সংঘৰ সাধাৰণ সম্পাদক নিপন দত্ত কলিতাকে ধৰি অন্যান্য নাগাৰা নামৰ পাঠক সকলৰ



সহযোগত অতি সুন্দৰকৈ সমূহীয়াভাৱে নাগাৰা নাম প্ৰদৰ্শন কৰা হয়। অনুষ্ঠানত উপস্থিত থাকে নলবাৰী হৰিমন্দিৰ সমিতিৰ উপ সভাপতি বাণেশ্বৰ দাস, মদন মালাকৰ, সাধাৰণ সম্পাদক নলিনী কান্ত শীল, কোষাধ্যক্ষ মনোজ কুমাৰ চৌধুৰী, হৰিমন্দিৰ সমিতিৰ কাৰ্যনিৰ্বাহ সদস্য ধ্ৰুৱজ্যোতি শৰ্মা, মোহন হালৈ, দিলজিৎ বৰ্মন, দীপন কলিতা, জোন বৰ্মন, দিগন্ত লোচন শৰ্মা, হেমন্ত কুমাৰ দাস, পৰেশ বৰ্মন, মনোনিত সদস্য ব্ৰজেন তালুকদাৰ, নলবাৰীৰ পৌৰপতি জয়শ্ৰী তালুকদাৰ, বিশিষ্ট সমাজকৰ্মী নৃপেন্দ্ৰ দাস, বিশিষ্ট সমাজসেৱী কামিনী বৰুৱা, জুলি ডেকা বৰুৱা আদি। উল্লেখ্য যে-নলবাৰী জিলা নাগাৰা নাম সংঘত ২৪৬টা নাম দ'ল অন্তৰ্ভুক্ত হোৱাৰ উপৰিও বৰপেটা জিলাৰ পৰাও নাগাৰা নামৰ শিল্পী সকলে সমূহীয়াভাৱে নাগাৰা নাম প্ৰদৰ্শন কৰে।

# অসম আন্দোলনৰ কাণ্ডাৰী দিপ্তী বৰুৱাৰ আদ্যশ্ৰাদ্ধ আৰু শ্ৰদ্ধাঞ্জলি গ্ৰন্থ উন্মোচন

**অসম বাৰ্তা, নগাঁও, ১২ ফেব্ৰুৱাৰী ঃ** বিশিষ্ট সমাজ সংগঠক তথা অসমৰ সমাজবাদী আন্দোলনৰ এগৰাকী অগ্ৰনী অন্যতম নেতা লগতে এগৰাকী সমাজদৰদী ব্যক্তি প্ৰয়াত দিপ্তী কুমাৰ বৰুৱাৰ আজি আদ্যশ্ৰাদ্ধৰ দিনা তেওঁ নিজা বাসগৃহত আয়োজিত এক স্মৃতি তৰ্পন আৰু শ্ৰদ্ধাঞ্জলি গ্ৰন্থ উন্মোচনী সভা অনুষ্ঠিত হয়। অনুষ্ঠানত উপস্থিত থাকি শ্ৰদ্ধাঞ্জলি গ্ৰন্থখনি উন্মোচন কৰি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য অশোক কুমাৰ বৰাই কয়- নগাঁও জিলাৰ সামাজিক পৰিমণ্ডলত প্ৰয়াত বৰুৱা এজন সকলোৱে পৰিচিত ব্যক্তি আছিল। সৰুৰে পৰা মেধাৰ পৰিচয় দি বৰুৱাই মস্কোত কেইবছৰমান পঢ়াশুনা কৰি সমাজবাদী চিন্তা চেতনাৰে পৰিগণিত হৈ এসময়ত সংযুক্ত লোক পৰিষদত যোগদান কৰি নগাঁও সংসদীয় সমষ্টিৰ পৰা প্ৰতিদন্দিতা কৰিছিল যদিও জয়ী হব পৰা নাছিল। পিছলৈ অসম গণ সংগ্ৰাম পৰিষদত যোগ দি নগাঁও জিলা সমিতিৰ সভাপতিৰ পদত অধিষ্ঠিত হৈছিল। মনত অদম্য সাহস আৰু আত্মবিশ্বাস লৈ জীৱনটো কাৰো ওপৰত নিৰ্ভৰ নকৰা এজন ব্যক্তি আছিল। নগাঁও গণনাট্য সংঘৰ কেইবাবছৰৰ সভাপতি পদ অলংকৃত কৰা বৰুৱাই মৃত্যুৰ সময়লৈকে গণনাট্য সংঘৰ লগত জড়িত আছিল। ভাৰতীয় গণনাট্য সংঘৰ নগাঁও জিলা সমিতিৰ সম্পাদক প্ৰধান নিজৰা শইকীয়াই সম্পাদনা কৰা শ্ৰদ্ধাঞ্জলি গ্ৰন্থ "উদীপ্ত দিপ্তী" প্ৰয়াত দিপ্তী বৰুৱাৰ স্মৃতিত কেইবাগৰাকীও ব্যক্তিয়ে তেওঁৰ সান্নিধ্য লাভেৰে উপকৃত হোৱাৰ কথা উল্লেখ কৰাৰ লগতে তেওঁৰ জীৱন পৰিক্ৰমা সন্দৰ্ভত আজিৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত আলোকপাত কৰে। নিজৰা শইকীয়াই সামগ্ৰীক ভাবে আঁতধৰা অনুষ্ঠানটিত মাটিৰ মানুহ কাকতৰ সম্পাদক ৰাজকুমাৰ বৈশ্য, গৌৰীবল্লভ গোস্বামী, ডাঃ দেৱেন্দ্ৰ নাথ মুক্তিয়াৰ, সাংবাদিক কনক হাজৰিকা, ৰাতুল বৰা, গুন শৰ্মা, ড° নৃত্যানন্দ ডেকা, ৰাতুল হাজৰিকা, সাংবাদিক দেৱজিৎ হাজৰিকা, ময়ূৰী মহন্ত, নিৰ্মালী হাজৰিকা, ৰাতুল নেওঁগ, লক্ষিমী প্ৰিয়ম্বদা বৰুৱা, ইৰিনা মাধুৰী বৰুৱা সহ পৰিয়ালবৰ্গৰ লোক সকল উপস্থিত থাকে। আৰম্ভণিতে এটি ঘোষা পৰিবেশন কৰে নিৰ্মালি হাজৰিকাই।

## ছাগলীয়ে নাখাই কি, ৰূপজ্যোতি কুৰ্মীয়ে নাগাই কি ? -প্ৰাক্তন মন্ত্ৰী ৰাজীৱ লোচন পেগুৰ প্ৰতিক্ৰিয়া

# গৌৰৱ গগৈৰ পত্নী এলিজাবেথ সন্দৰ্ভত বিধায়ক ৰূপজ্যোতি কুৰ্মীৰ অশোভনীয় মন্তব্য

**অসম বাৰ্তা, উজনী মাজুলী, ১২ ফেব্ৰুৱাৰী ঃ** মৰিয়নি সমষ্টিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে সাংসদ গৌৰৱ গগৈৰ পত্নী এলিজাবেথৰ আলি টৌকী শ্বেখৰ সৈতে অবৈধ সম্পৰ্ক আছে বুলি কৰা মন্তব্যৰ পিছতে ৰাজ্যৰ ৰাজনীতিত প্ৰতিক্ৰিয়াৰ জোৱাৰ উঠিছে। এই মন্তব্যক তীব্ৰ গৰিহনা দি আজি মাজুলীৰ প্ৰাক্তন বিধায়ক তথা কংগ্ৰেছৰ প্ৰাক্তন মন্ত্ৰী ৰাজীৱ লোচন পেগুৱে কয় যে ৰূপজ্যোতি কুৰ্মীয়ে কোৱা কথাৰ কোনো মূল্য নাই। পেগুৱে কয়, "হাইকাণ্ডক সন্তুষ্ট কৰিবৰ বাবেই ৰূপজ্যোতি কুৰ্মীয়ে এনে অসংযত আৰু ভিত্তিহীন মন্তব্য আগবঢ়াইছে। সাংসদ গৌৰৱ গগৈৰ পত্নীৰ ওপৰত কৰা এই অশালীন মন্তব্য সম্পূৰ্ণৰূপে গৰিহনাৰ যোগ্য।"



তেওঁ লগতে ৰূপজ্যোতি কুৰ্মীক কটাক্ষ কৰি কয়, "ছাগলীয়ে নাখাই কি, ৰূপজ্যোতি কুৰ্মীয়ে নাগাই কি?"। ইয়াৰ উপৰি, এই সন্দৰ্ভত আজি মাজুলীত বিশেষ দলীয় কাৰ্যসূচীৰে উপস্থিত হোৱা এই.আই.চি.চি.ৰ সম্পাদক বিকাশ উপাধ্যায়েও প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। তেওঁ কয় যে এনে ধৰণৰ ব্যক্তিগত আৰু অসংযত মন্তব্যই ৰাজনৈতিক সংস্কৃতিক কলুষিত কৰে। উপাধ্যায়ে আগন্তুক বিধানসভা নিৰ্বাচন সন্দৰ্ভতো মন্তব্য কৰি কয় যে জনতাই এনে নেতাৰ মন্তব্যৰ উচিত জবাব গণতান্ত্ৰিক পদ্ধতিৰে দিব। ইফালে ঘটনাটোৱে ৰাজ্যৰ ৰাজনীতিত যে অনাগত দিনত আৰু নতুন বিতৰ্কৰ সূচনা কৰিব সেয়া একপ্ৰকাৰে খাটাং।

## পিতৃৰ মৃতদেহ চোতালত থৈ নুৰ হুছেইনে দিলে পৰীক্ষা

# আজিৰ পৰা আৰম্ভ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ চূড়ান্ত পৰীক্ষা

**অসম বাৰ্তা, বৰপেটা সদৰ, ১২ ফেব্ৰুৱাৰী ঃ** ৰাজ্যত আজিৰ পৰা আৰম্ভ হৈছে উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ চূড়ান্ত পৰীক্ষা। এই পৰীক্ষাৰ মাধ্যমৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ সকলৰ ভৱিষ্যত সফলতাৰ দিশ নিৰ্ণয় কৰাৰ একমাত্ৰ পৰীক্ষা। বৰপেটা জিলাৰ বিভিন্ন শিক্ষানুষ্ঠানৰ লগতে আজি কয়াকুছি ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলত আৰম্ভ হয় উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ চূড়ান্ত পৰীক্ষা। কয়াকুছিৰ বনবাহাৰ গাঁৱৰ বঞ্জৰ আলীৰ পুত্ৰ নুৰ হুছেইনে অইন দিনৰ দৰে আজিও ৰাতিপুৱা ফজৰৰ নামাজ পৰি নিজৰ টেবুলত পঢ়ি আছিল। হঠাৎ ৰাতিপুৱা ৫.৩০ বজাত গুৱাহাটীৰ পৰা খবৰ আহিল পৰীক্ষাৰ্থী নুৰ হোছেইনলৈ যে তেওঁৰ পিতৃ( বন্দৰ) বঞ্জৰ আলী এই পৃথিৱীত নাই। খবৰ শুনাৰ লগে-লগে যেন নুৰ ইছলামৰ মূৰত আকাশ সৰি পৰিল যেন। ঘৰত লগে-লগে আৰম্ভ হল কান্দোন। ইফালে পৰীক্ষা আনফালে পিতৃৰ মৃত্যুৰ খবৰৰ বাবে নুৰ হুছেইনৰ ওপৰত শিল পৰা কপৌৰ দৰে হৈ পৰিল। জন্মদাতা পিতৃ হেৰুৱাৰ বেদনা বুকুত লৈ মৃত পিতৃৰ পৰা আশীৰ্বাদ লৈ নুৰ হোছেইনে উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ চূড়ান্ত পৰীক্ষা দিয়াৰ বাবে পৰীক্ষা গৃহলৈ যাত্ৰা কৰিছিল। নুৰ হোছেইনৰ এনেকুৱা সাহস আৰু ধৈৰ্য্য দেখি কয়াকুছি অঞ্চলত এক চৰ্চাৰ বিষয় হৈ পৰিছে। অৱশেষত সকলোৱে সিদ্ধান্ত ল'লে মৃতদেহ জানাজাৰ বাবে পুত্ৰৰ বাবে অপেক্ষা কৰিব। অৱশেষত পৰীক্ষা শেষ কৰি নুৰ হুছেইনে ঘৰলৈ উভতি অহাৰ পিছত আজি সন্ধিয়া ৬ বজাত মৃত বঞ্জৰ আলীৰ জানাজাৰ নামাজ সম্পন্ন কৰা হয়। উল্লেখ্য যে মৃত (বন্দৰ) বঞ্জৰ আলী কয়াকুছিৰ বনবাহাৰ গাৱৰ বাসিন্দা তথা লোক নিৰ্মাণ বিভাগৰ চতুৰ্থ বৰ্গৰ কৰ্মচাৰী আছিল। প্ৰয়াত আলী এগৰাকী ধৰ্মপ্ৰাণ ব্যক্তি হোৱাৰ উপৰি কয়াকুছি আঞ্চলিক কবৰস্থান, কয়াকুছি মছজিদ নিৰ্মাণ আৰু কয়াকুছি প্ৰেছ ক্লাব গঠনৰ ক্ষেত্ৰত বহুত অৱদান আছিল। বন্দৰ (বঞ্জৰ) আলীৰ মৃত্যুত সৰুক্ষেত্ৰী সমষ্টিৰ বিধায়ক জাকিৰ হুছেইন সিকদাৰ, প্ৰাক্তন বিধায়ক তাৰা প্ৰসাদ দাস, প্ৰাক্তন বিধায়ক আলি হুছেইন, কয়াকুছি প্ৰেছ ক্লাব, পাকাবেতবাৰী ব্লক কংগ্ৰেছ কমিটী, কয়াকুছি কাৰবাড়ী সংঘ আৰু বনবাহাৰ মৰলৰটাৰী সমাজ উন্নয়ন সমিতিয়ে পৰিয়াল বৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে।

# জাঁজী ফুলপানীছিগাত ভয়ঙ্কৰ পথ দুৰ্ঘটনা; এজন নিহত

**অসম বাৰ্তা, জাঁজী, ১২ ফেব্ৰুৱাৰী ঃ** শিৱসাগৰ জিলাৰ গৌৰীসাগৰ আৰক্ষী থানাৰ অন্তৰ্গত জাঁজী ফুলপানীছিগাত আজি সন্ধিয়া ৫ঃ৩০ বজাত সংঘটিত হোৱা এক পথ দুৰ্ঘটনাত এজন লোক নিহত হয়। নিহত লোকজন ফুলপানিছিগাৰ পুৰণিমেলীয়া বামুণগাঁৱৰ প্ৰয়াত চেনিৰাম দত্তৰ পুত্ৰ পবিত্ৰ দত্ত(৬০) ওৰফে পুতুকণ বুলি জানিব পৰা গৈছে। প্ৰাপ্ত তথ্য মতে পবিত্ৰ মানসিকভাৱে ভাৰশূন্য আছিল আৰু ৰাষ্ট্ৰীয় পথটো পাৰ হওঁতেই শিৱসাগৰ দিশত আহি থকা এখন চাৰিচকীয়া সৰু বাহনে মহতীয়াই থৈ যায়। ফলত ব্যক্তিজনৰ থিতাতে মৃত্যু হয়। অবিবাহিত লোকজন ককায়েকৰ পৰিয়ালৰ লগত থাকি জীৱন নিৰ্বাহ কৰিছিল। শেহতীয়া তথ্য মতে দুৰ্ঘটনা সংঘটিত কৰা গাড়ীখনৰ চালকে বাহনসহ গৌৰীসাগৰ আৰক্ষী থানাত আত্মসমৰ্পণ কৰিছে আৰু আৰক্ষীয়ে অনুসন্ধান অব্যাহত ৰাখিছে। উল্লেখ্য যে জাঁজী, জামুগুৰি, ফুলপানিছিগত সঘনাই পথ দুৰ্ঘটনা সংঘটিত হৈ থকাত জনসাধাৰণ আতংকিত হৈ পৰিছে।

## নিৰ্বাচনত ভোট কম পোৱাৰ বাবেই গাঁৱৰ পথ নিৰ্মাণ নকৰিলে বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে

# ভোট বৰ্জনৰ সিদ্ধান্ত ল'ব লুখুৰাখন ৰাইজে



**অসম বাৰ্তা, নকছাৰি, ১২ ফেব্ৰুৱাৰী ঃ** মৰিয়নি সমষ্টিৰ পাঁচ বাৰৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীৰ আখেজৰ বাবেই বছৰ বছৰ ধৰি জৰাজীৰ্ণ পথে জ্বলা কলা খুৱাইছে এখন গাঁৱৰ ৰাইজক। সমষ্টিটোৰ অন্তৰ্গত নকছাৰী লুখুৰাসন গাঁৱৰ মাজেৰে যোৱা পথটোৱে সংযোগ কৰিছে ধোদৰ আলিৰ পৰা নগাৰাজ্যলৈ। গুৰুত্বপূৰ্ণ পথটো ৮০ দশকতে অন্তৰ্ভুক্ত হৈছিল অসম চৰকাৰৰ গড় কাপ্তানী বিভাগৰ অধীনত। কিন্তু আজি পৰ্যন্ত আঢ়ৈ কিলমিটাৰ দৈৰ্ঘ্যৰ পথটো নহ'ল পকীকৰণ। শোচনীয় হৈ পৰা পথটোৰ বাবেই চকুলো টুকিব লগীয়া হৈছে গাঁওবাসীয়ে। পথৰ দুৰৱস্থাৰ বাবে গাঁওখনলৈ নোসোমাই এম্বুলেন্স। আলহীৰ ওচৰত লাজ পাই গাঁওবাসীয়ে। বাৰিষা পথটোৰ অৱস্থা অধিক শোচনীয় হৈ পৰে। ফলত বিদ্যালয় মহাবিদ্যালয়লৈ যোৱা ছাত্ৰ-ছাত্ৰীয়ে চৰম দুৰ্ভোগ ভুগিব লগা হয়। পথটোৰ নিৰ্মাণৰ বাবে বিধায়ক ৰূপজ্যোতি কুৰ্মীক কাকূতি মিনিতি কৰি ভাগৰি পৰিছে গাঁওবাসী। যোৱা ৪ ফেব্ৰুৱাৰীত পথটো নিৰ্মাণৰ বাবে বিধায়ক গৰাকীক সাক্ষাৎ কৰি অনুৰোধ জনোৱা গাঁওবাসীক ৰূপজ্যোতিয়ে পুৰনি এটা বিষয়ক লৈ গাঁওবাসীৰ ওপৰত দোষ জাপি উপ নিৰ্বাচনত ভোট কম পোৱাৰ অভিযোগ উত্থাপন কৰে। পুনৰ ২৬ৰ নিৰ্বাচনত মোক ভোট দি জয়ী কৰাওক তেতিয়াহে মই পথটো নিৰ্মাণ কৰি দিম বুলি মন্তব্য কৰে ৰূপজ্যোতি কুৰ্মীয়ে। বিধায়ক গৰাকীৰ এনে মন্তব্যত গাঁওবাসী হতাশ হৈ "ৰূপজ্যোতি কুৰ্মীৰ যোগেদি আমি পথ নিৰ্মাণৰ আশা বাদ দিছো" বুলি ক্ষোভেৰে প্ৰকাশ কৰে এগৰাকী মহিলাই। উল্লেখ্য যে, বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে চাৰিবছৰ পূৰ্বে অনুষ্ঠিত হোৱা উপ নিৰ্বাচনৰ সময়ত প্ৰকাশ কৰা এখন প্ৰচাৰ পত্ৰত ব্যৱহাৰ কৰিছিল গুৰুআসনৰ ছবি। বিধায়ক গৰাকীৰ এই কাৰ্যৰ বিৰোধিতা কৰিছিল লুখুৰাসন গাঁৱৰ বয়োজেষ্ঠ সমাজে। এইটো কাৰণৰ বাবেই গাঁওবাসীৰ ওপৰত নাৰাজ হ'ল বিধায়কগৰাকী। লুখুৰাসন গাঁৱৰ বয়োজেষ্ঠ লোক সকলে পথটোৰ নিৰ্মাণৰ খাতিৰত বিধায়কক সাক্ষাৎ কৰি হাতে ভৰিয়ে ধৰি ক্ষমাও বিচাৰিছিল। কিন্তু পথ নিৰ্মাণ নকৰিলে বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে। বিধায়ক ৰূপজ্যোতিৰ আক্ৰোশ আৰু উন্নয়নৰ নামত কৰা ব্লেকমেইলিঙৰ বাবেই আজি পৰ্যন্ত নিৰ্মাণ নহ'ল লুখুৰাসন গাঁৱৰ পথটো। বিধায়ক ৰূপজ্যোতিৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ প্ৰকাশ কৰি গাঁওবাসীয়ে কয় "আমাক নালাগে এনেকুৱা জনপ্ৰতিনিধি। তেওঁতকৈ জেষ্ঠ সকলে ভৰিত ধৰি ক্ষমা খোজাৰ পাছতো আমাৰ গাঁৱৰ প্ৰতি আখেজ লৈ আছে। আমাৰ এইটো ৰাষ্টা নিৰ্মাণ নহলেও নাই। পথটো প্ৰদৰ্শনীৰ বাবে ৰাখিম। পৰ্যটক আহিলে চৰকাৰে দেখাব পাৰিব"। আনহাতে ২০ বছৰে বিধায়ক হৈ থকা ৰূপজ্যোতিৰ কৰ্মকাণ্ডৰ বাবে চৰকাৰ তথা গণতান্ত্ৰিক ব্যৱস্থা আৰু নিৰ্বাচনৰ প্ৰতি আস্থা হেৰাই যোৱা বুলি প্ৰকাশ কৰে গাঁওখনৰ এজন যুৱকে। আগন্তুক ২৬ৰ বিধান সভা নিৰ্বাচনত গাঁওবাসীয়ে ভোট বৰ্জন দৰে কঠোৰ সিধান্ত গ্ৰহণ কৰাৰ চিন্তা চৰ্চা কৰি থকা বুলি প্ৰকাশ কৰে।

# চাংসাৰিৰ মহৰ্ষি গুৰুকুল একাডেমীয়ে শিক্ষা নেতৃত্ব সন্মিলন ২০২৬ত আঁজুৰি আনিলে বঁটা

**অসম বাৰ্তা, আমিনগাঁও, ১২ ফেব্ৰুৱাৰী ঃ** কামৰূপ জিলাৰ চাংসাৰিস্থিত মহৰ্ষি গুৰুকুল একাডেমীয়ে গৌৰবেৰে পাৰ কৰিলে দুটিকৈ শৈক্ষিক বৰ্ষ। শিক্ষাৰ লগতে আনুষংগিক ভিন্ন দিশ সামৰি শিক্ষানুষ্ঠান খনত ছাত্ৰ-ছাত্ৰীক প্ৰদান কৰা হয় গুণগত শিক্ষা। এইবেলি উচ্চতৰ মাধ্যমিক পৰীক্ষাত প্ৰথমবাৰৰ বাবে শিক্ষানুষ্ঠান খনৰ পৰা অৱতীৰ্ণ হ'ব ছাত্ৰ-ছাত্ৰী। ইয়াৰ মাজতে শিক্ষানুষ্ঠানখনলৈ আহিল সুখৰ বতৰা। ৰাজ্যৰ ভিন্ন প্ৰান্তৰ কেবাখনো শিক্ষানুষ্ঠানক ভিত্তি কৰি আৰ্বৰ কম মিডিয়া গ্ৰুপে ইডুকেশ্বন লীডাৰশ্বীপ চামিট এণ্ড এৱাৰ্ড শীৰ্ষক অনুষ্ঠানৰ যোগেদি উক্ত শিক্ষানুষ্ঠান খনক এই বেলি "Most promising school for academic excellence 2026" বঁটা প্ৰদান কৰে। উক্ত খবৰে শিক্ষাৰ্থী, অভিভাৱক, শিক্ষক-শিক্ষয়িত্ৰীবৃন্দক উৎফুল্ল কৰি তোলে। অধ্যক্ষ জিয়াউল হকে এয়া শিক্ষানুষ্ঠানখনলৈ আশাৰ ইংগিত বুলি অৱগত কৰে।

# তিনিচুকীয়াত পথ সুৰক্ষা সমিতিৰ সভা; প্ৰতিটো দুৰ্ঘটনাৰ পৰ্যালোচনা

**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ১২ ফেব্ৰুৱাৰী ঃ** তিনিচুকীয়া জিলা পথ সুৰক্ষা সমিতিৰ এখন গুৰুত্বপূৰ্ণ সভা আজি জিলা আয়ুক্ত সুমিত সত্তৱানৰ সভাপতিত্বত তেওঁৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত হয়। সভাত যোৱা মাহটোত জিলাখনত সংঘটিত হোৱা গুৰুতৰ ধৰণৰ পথ দুৰ্ঘটনা সমূহৰ বিষয়ে বিতংকৈ আলোচনা কৰা হয় আৰু এই ক্ষেত্ৰত দায়বদ্ধতা নিশ্চিত কৰা হয়। প্ৰতিটো দুৰ্ঘটনাৰ কাৰণ বিশ্লেষণ কৰি ইয়াৰ প্ৰতিকাৰৰ উপায় সম্পৰ্কতো সভাত গুৰুত্ব সহকাৰে পৰ্যালোচনা কৰা হয়। সভাত জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক মায়ঙ্ক কুমাৰ, অতিৰিক্ত আয়ুক্ত মিৰ্জানা হুছেইন, অতিৰিক্ত আৰক্ষী অধীক্ষক মৃণ্ময় দাস, জিলা পৰিবহণ বিষয়া, লোক নিৰ্মাণ বিভাগৰ কাৰ্যবাহী অভিযন্তা সকল, ৰাষ্ট্ৰীয় ঘাইপথ উন্নয়ন নিগমৰ বিষয়া, ঘাইপথ নিৰ্মাণ প্ৰতিষ্ঠানৰ বিষয়া আদি উপস্থিত থাকে।

# পুঠিমাৰী মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত সভাপতি পদত আছু আৰু সাধাৰণ সম্পাদক পদত এনএছইউআইৰ জয় লাভ

**অসম বাৰ্তা, চাংসাৰি, ১২ ফেব্ৰুৱাৰী ঃ** কামৰূপ জিলাৰ পুঠিমাৰী মহাবিদ্যালয়ত ২০২৫-২৬ শিক্ষাবৰ্ষৰ বাবে ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচন সুচাৰুৰূপে অনুষ্ঠিত হৈ যায়। এই নিৰ্বাচনত ছাত্ৰ-ছাত্ৰীসকলৰ সক্ৰিয় অংশগ্ৰহণ আৰু উদ্দীপনা পৰিলক্ষিত হৈছে। নিৰ্বাচনত এন এছ ইউ আই (NSUI)- সাধাৰণ সম্পাদক সমুজ্জ্বল দাসে জয় লাভ কৰে। আনহাতে সভাপতি পদত আছু সমৰ্থীত প্ৰাৰ্থী গৰাকী বিজয়ী হয়। সম্পাদকৰ পদত জয় লাভ কৰা সমুজ্জ্বল দাসে আগৰ শিক্ষাবৰ্ষতো ছাত্ৰসকলৰ হকে বিভিন্ন উদ্যোগ গ্ৰহণ কৰি সক্ৰিয় ভূমিকা পালন কৰিছিল। আনহাতে মহাবিদ্যালয়ৰ ছাত্ৰী মুস্কান চৌধুৰীয়ে সাংস্কৃতিক সম্পাদকৰ পদত নিৰ্বাচিত হয়। মহাবিদ্যালয়ৰ সাংস্কৃতিক পৰিৱেশ সমৃদ্ধ কৰাত তেওঁৰ আগৰ অভিজ্ঞতা গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে। ইশা বড়োক সমাজ সেৱা সম্পাদক হিচাপে নিৰ্বাচিত কৰা হয়। তেওঁৰ নেতৃত্বত সামাজিক দায়বদ্ধতাৰ কাৰ্যসূচীসমূহ আগবঢ়াই নিয়াৰ কথা আশা কৰা হৈছে। সৌৰভ দাসে গুৰু খেল সম্পাদকৰ দায়িত্বভাৰ গ্ৰহণ কৰে। আনহাতে সদৌ অসম ছাত্ৰ সন্থাৰ সমৰ্থনত সভাপতি, সহ সম্পাদক, তৰ্ক আৰু সাহিত্য সম্পাদক, লঘু খেল সম্পাদক, আদি। এই নতুন নিৰ্বাচিত সদস্য সকলে আগন্তুক শিক্ষাবৰ্ষত ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষামূলক, সাংস্কৃতিক, সামাজিক আৰু ক্ৰীড়ামূলক প্ৰয়োজনসমূহ পূৰণ কৰি এক গতিশীল আৰু সক্ৰিয় ছাত্ৰজীৱন গঢ় দিয়াৰ বাবে কাম কৰিব বুলি আশা কৰা হৈছে।

# ঐতিহাসিক কাঠকটীয়া বৰুৱা আলিপথৰ উন্নয়নৰ আধাৰশিলা স্থাপন

**অসম বাৰ্তা, গেলেকী, ১২ ফেব্ৰুৱাৰী ঃ** পূৰ্বৰ আমগুৰি সমষ্টিৰ আৰু বৰ্তমান শিৱসাগৰ আৰু নাজিৰা সমষ্টিৰ মাজেৰে পাৰ হৈ যোৱা ঐতিহাসিক কাঠকটীয়া বৰুৱা আলি পথৰ উন্নয়নৰ আধাৰশিলা স্থাপন কৰা হয়। কাঠকটীয়া বৰুৱা আলিৰ ১১.৫৬৬ কিঃমিঃ দৈৰ্ঘ্যৰ ২০২৫-২৫ বৰ্ষৰ নাবাদৰ পুঁজিৰ ৮ কোটি টকা আবণ্টিত পুঁজি ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া পথচোৰাৰ উন্নয়নৰ আধাৰশিলা স্থাপন কৰে আমগুৰি সমষ্টিৰ বিধায়ক প্ৰদীপ হাজৰিকা আৰু নাজিৰা সমষ্টিৰ বিধায়ক দেৱব্ৰত শইকীয়াই। উল্লেখযোগ্য যে এই পথচোৰা বিগত বহুবছৰ ধৰি জৰাজীৰ্ণ হৈ পৰি আছিল। যাৰ বাবে বছৰ বছৰ ধৰি যাতায়তৰ ক্ষেত্ৰত বিভিন্ন সমস্যাৰ সম্মুখীন হৈ আছিল এই পথচোৰায়েদি দৈনিক যাতায়ত কৰা পথচাৰীৰ লগতে স্থানীয় ৰাইজ। এই পথচোৰাৰ নিৰ্মাণৰ লগে লগে এক দীঘলীয়া সমস্যাৰ সমাধান হব বুলি দুয়োগৰাকী বিধায়কে উল্লেখ কৰিছে। বৰ্তমান কামৰ শুভাৰম্ভণি হৈছে যদিও কিছু-কিছু ঠাইত কামৰ বিসংগতি দেখা বুলি আধাৰশিলা স্থাপন অনুষ্ঠানত উপস্থিত সত্ৰ আয়োগৰ অধ্যক্ষ তথা আমগুৰি সমষ্টিৰ বিধায়ক প্ৰদীপ হাজৰিকাই ব্যক্ত কৰে।

# মাজুলীত পশুপালন আৰু পশু চিকিৎসা বিভাগৰ উদ্যোগত “পশুধনৰ স্বাস্থ্য আৰু ৰোগ নিয়ন্ত্ৰণ আঁচনি” সম্পৰ্কত সজাগতা সভা

**অসম বাৰ্তা, উজনী মাজুলী, ১২ ফেব্ৰুৱাৰী ঃ** ৰাষ্ট্ৰীয় পশু ৰোগ নিয়ন্ত্ৰণ আচঁনিৰ অধীনত (NADCP) পশুপালকসকলৰ পোহনীয়া পশুধন সমূহক ৰোগ-ব্যাধী নোহোৱাকৈ ৰাখিবলৈ সময়ে সময়ে সেই ৰোগবোৰৰ প্ৰতিষেধক টীকাকৰণৰ জৰিয়তে সেই মহামাৰী ৰোগ নিয়ন্ত্ৰণ(Control )কৰাৰ সমান্তৰাল ভাৱে সেই ৰোগ বিলাক নিপাত(Eradication ) কৰাৰ বাবে পৰিকল্পিত ব্যৱস্থা কৰা হৈছে। পোহনীয়া পশুধন বিশেষকৈ গৰু, মহৰ “চবকা ৰোগ”(FMD) ছাগলীৰ পি পি আৰ (PPR) গাহৰিৰ ক্লাছিক শ্ব’ৱাইন ফিভাৰ (Clasical Swine Fever )আৰু গাই গৰুৰ ব্ৰুচেলিয়ছিছ’ৰ ( Brucellosis দৰে বিষাণু বা বিজানু জাতীয় ৰোগসমূহ নিয়ন্ত্ৰণ আৰু নিৰ্মুলৰ কাৰণে যি ৰাষ্ট্ৰীয় পৰ্যায়ৰ আঁচনি সমগ্ৰ দেশৰ লগতে মাজুলী জিলাখনটো বিগত চাৰি বছৰৰ পৰা চলি আছে। ইতিমধ্যে মাজুলীত চবকা ৰোগৰ প্ৰতিষেধক ষষ্ঠ পৰ্যায়ৰ টীকাকৰণ সম্পন্ন হৈছে। সপ্তম পৰ্যায়ৰ টিকাকৰণ চলিত বৰ্ষৰ এপ্ৰিল মাহত আৰম্ভ কৰা হ’ব। একেদৰে ছাগলীৰ PPR ৰ ২য় পৰ্যায়ৰ, Brucellosis ৰ ২য় পৰ্যায়ৰ টীকা কৰণ কাৰ্য্য এপ্ৰিল মাহৰ পৰা আৰম্ভ হ’ব। পশু পালন আৰু পশু চিকিৎসা বিভাগৰ জৰিয়তে কাৰ্য ৰূপায়ণ হৈ থকা এই আচঁনিৰ সম্পৰ্কত সজাগতা বৃদ্ধি ৰ উদ্দেশ্যে এলানি সজাগতা সভা অনুষ্ঠিত কৰা হৈছে। আজি মাজুলী উন্নয়ন খণ্ডৰ অধীনৰ ৰাৱনাপাৰত খণ্ড উন্নয়ন পৰ্যায়ৰ এখন সজাগতা সভা অনুষ্ঠিত হয়। উক্ত সজাগতা সভাত মাজুলী জিলাৰ জিলা পৰিষদৰ সভানেত্ৰী নৱনীতা দাসৰ লগতে স্থানীয় চামগুৰি সত্ৰ, ৰাৱণাপাৰ, দক্ষিণ পাট, বনগাঁও গাঁও পঞ্চায়তৰ সমূহ পঞ্চায়তৰ প্ৰতিনিধি, গাঁও প্ৰধানসকল, দুগ্ধ সমবায় সমিতিৰ সদস্যসকল, পশু সখীসকলৰৰ উপৰিও স্থানীয় পশু পালকসকলে অংশগ্ৰহণ কৰে। উক্ত সজাগতা সভাত অতি বিস্তৃত ভাবে পশু স্বাস্থ্য আৰু ৰোগ নিয়ন্ত্ৰণ আচঁনিৰ বিষয়ে বক্তব্য আগবঢ়ায় মাজুলী জিলাৰ জিলা পশুপালন আৰু পশু চিকিৎসা বিষয়া ডাঃ থানেশ্বৰ মুদৈয়ে। অনুষ্ঠানত NDLMৰ ডাটা এণ্ট্ৰিৰ বিষয়ে ৰাজ্যিক পশু চিকিৎসালয় জেংৰাইমুখৰ পশু চিকিৎসা বিষয়া ডাঃ ভাইকন সিঙে ডাটা এণ্ট্ৰি সময়ত পশু পালক সকলে প্ৰয়োজনীয় অ টি পি (OTP) অৱগত কৰিবলৈ সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়। উক্ত, সজাগতা সভাত যিকোনো চৰকাৰী আঁচনি সফল ৰূপায়ণৰ ক্ষেত্ৰত বিভাগৰ বিষয়া কৰ্মচাৰীয়ে দায়িত্ব সহকাৰে আৰু নিষ্ঠাৰে কাম কৰি যাবলৈ লগতে পশু পালক ৰাইজৰ সহায় সহযোগ আগবঢ়ায় পশু পালনৰ ক্ষেত্ৰত আত্মনিয়োগৰ স্বাৱলম্বী হ’ব পৰা বিষয়ে ব্যক্তব্য প্ৰদান কৰে মাজুলী জিলাৰ জিলা পৰিষদৰ সভানেত্ৰী নৱনীতা দাসে। আজিৰ উক্ত সভাত দক্ষিণ পাট গাঁও পঞ্চায়তৰ সভাপতি ৰাতুল বৰাইও টীকা কৰণ সম্পৰ্কত গঠনমূলক ব্যক্তব্য আগবঢ়ায়। অনুষ্ঠানত শলাগ জ্ঞাপন কৰে জিলা পশুপালন আৰু পশুচিকিৎসা বিষয়া ডাঃ থানেশ্বৰ মুদৈয়ে।

# চামগুৰিৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীব্ৰহ্মচাৰী সত্ৰৰ শিৱ মন্দিৰত তিনিদিনীয়াকৈ মহাশিৱৰাত্ৰি উৎসৱৰ প্ৰস্তুতি

**অসম বাৰ্তা, পুৰণিগুদাম, ১২ ফেব্ৰুৱাৰী ঃ** নগাঁও জিলাৰ চামগুৰিৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীব্ৰহ্মচাৰী সত্ৰৰ শিৱ মন্দিৰত বিগত বৰ্ষৰ দৰে এইবাৰো অহা ১৫, ১৬ আৰু ১৭ ফেব্ৰুৱাৰীত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে মহাশিৱৰাত্ৰি উৎসৱ অনুষ্ঠিত হ’ব বুলি শিৱমন্দিৰ পৰিচালনা সমিতিৰ সভাপতি ৰাতুল চন্দ্ৰ শৰ্মা আৰু যুটীয়া সম্পাদক লাৰু শৰ্মা আৰু বাবুল শৰ্মাই জানিবলৈ দিয়ে। কাৰ্যসূচী অনুসৰি ১৫ ফেব্ৰুৱাৰীৰ পুৱা ৭ বজাত ধৰ্মধ্বজা উত্তোলন কৰিব বিশিষ্ট সমাজসেৱক তথা শিক্ষাবিদ গকুল চন্দ্ৰ শৰ্মাই। পুৱা ৭-৩০ বজাত মন্দিৰ দ্বাৰ উন্মোচন আৰু নিত্য নৈমিত্তিক পূজা আৰম্ভ। পৰৱৰ্তী সময়ত সত্ৰৰ প্ৰতিষ্ঠাপক শ্ৰীশ্ৰী বিশ্বম্ভৰ দেৱ মহাপ্ৰভুৰ সমাধিক্ষেত্ৰত স্মৃতি তৰ্পণ আৰু অসমৰ অস্তিত্ব ৰক্ষা সংগ্ৰামৰ শ্বহীদ লোকনাথ শইকীয়াৰ সমাধিক্ষেত্ৰত বন্তি প্ৰজ্বলন আদি অনুষ্ঠান অনুষ্ঠিত হ’ব। দিনৰ ১০ বজাত মণি গোস্বামীৰ নেতৃত্বত অঞ্চলৰ আয়তীসকলৰ সহযোগত জলযাত্ৰা তথা পানীতোলা অনুষ্ঠান অনুষ্ঠিত হোৱাৰ লগতে বিয়লি এক বজাৰ পৰা কপৌপাহী নাগাৰা নাম ছিপাঝাৰৰ কল্পনা ডেকাৰ নামতি দলৰ দ্বাৰা নাম পৰিবেশন। সন্ধ্যা ৭-৩০ বজাৰ পৰা মহাশিৱৰাত্ৰিৰ চাৰি প্ৰহৰৰ পূজা আৰম্ভ। নিশা ৮ বজাৰ পৰা প্ৰয়াত চুৰেন শৰ্মাৰ সোঁৱৰণত “হৰি হৰৰ যুদ্ধ” ভাওনা প্ৰদৰ্শন হ’ব। উক্ত অনুষ্ঠানৰ শুভ উদ্বোধন কৰিব বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীয়ে। ১৬ ফেব্ৰুৱাৰীৰ পুৱা নিত্য-নৈমিত্তিক পূজা আদিকে ধৰি বিভিন্ন অনুষ্ঠান অনুষ্ঠিত হোৱাৰ লগতে দিনৰ এক বজাৰ পৰা মৰিগাঁৱৰ মীনাক্ষী বৰাৰ নামতি দলে নাম প্ৰদৰ্শন কৰিব। নিশা ৮ বজাত বিশিষ্ট নাট্যকাৰ অভিজিৎ ভট্টাচাৰ্যৰ ৰচনা আৰু দিব্যজ্যোতি বৰাৰ পৰিচালনাত “মায়া মাথোঁ মায়া” নামৰ সামাজিক নাটক প্ৰদৰ্শন হ’ব। উক্ত সামাজিক নাটকখন শুভ উদ্বোধন কৰিব চামগুৰি সমষ্টিৰ বিধায়ক দিপ্লুৰঞ্জন শৰ্মাই। ১৭ ফেব্ৰুৱাৰীত পুৱা নিত্য-নৈমিত্তিক পূজা আৰু বিভিন্ন অনুষ্ঠান অনুষ্ঠিত হোৱাৰ লগতে দিনৰ ১-৩০ বজাৰ পৰা শিশু আৰু চেমনীয়া অনুষ্ঠান অনুষ্ঠিত হ’ব। সন্ধ্যা ৬ বজাত সুধাকণ্ঠ ড° ভূপেন হাজৰিকা আৰু গণশিল্পী জুবিন গাৰ্গৰ সোঁৱৰণত সংগীতানুষ্ঠান অনুষ্ঠিত হ’ব। উক্ত অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰিব নগাঁও জিলা আয়ুক্ত দেৱাশিস শৰ্মা আৰু বৃক্ষৰোপণ শস্য উন্নয়ন বিভাগৰ অধ্যক্ষ তথা অসম গণ পৰিষদ দলৰ নগাঁও জিলা সভাপতি মণিমাধৱ মহন্তই শুভ উদ্বোধন কৰিব বুলি মহাশিৱৰাত্ৰি উৎসৱ উদ্‌যাপন সমিতিৰ সভাপতি জয়ন্ত কুমাৰ শৰ্মা আৰু যুটীয়া সম্পাদক ললিত চন্দ্ৰ শইকীয়া আৰু বিকাশ কুমাৰ বৰাই জানিবলৈ দিয়ে। মহাশিৱৰাত্ৰিৰ তিনিদিনীয়া সকলো কাৰ্যসূচীত ভক্তপ্ৰাণ ৰাইজৰ উপস্থিতি কামনা কৰিছে শিৱৰাত্ৰি উৎসৱ উদ্‌যাপন সমিতিয়ে।

# দমদমাত মহাশিৱৰাত্ৰি উদ্‌যাপনৰ আয়োজন

**অসম বাৰ্তা, দৌলাশাল, ১২ ফেব্ৰুৱাৰী ঃ** নলবাৰী জিলাৰ বৰক্ষেত্ৰী ৰাজহ চক্ৰৰ অন্তৰ্গত দমদমা গাঁৱত বিগত ২৭ বছৰৰ দৰে এইবেলিও গাঁওখনৰ ৰাইজৰ উদ্যোগত মহাশিৱৰাত্ৰি উদযাপনৰ ব্যাপক আয়োজন চলাইছে। অহা ১৫, ১৬ আৰু ১৭ ফেব্ৰুৱাৰীত তিনিদিনীয়া ধৰ্মীয়, আধ্যাত্মিক আৰু সাংস্কৃতিক অনুষ্ঠানেৰে মহাশিৱৰাত্ৰি উদ্‌যাপনৰ প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে বুলি জানিবলৈ দিয়ে ২৮ সংখ্যক মহাশিৱৰাত্ৰি উদ্‌যাপন সমিতিৰ সভাপতি মৃণাল কুমাৰ বৰ্মনে। কাৰ্যসূচী অনুসৰি ১৫ ফেব্ৰুৱাৰীত পুৱা ৯ বজাত পতাকা উত্তোলন কৰিব দমদমা উচ্চ মাধ্যমিক বিদ্যালয় সহকাৰী শিক্ষক নগেন ডেকাই। পৰ্যায়ক্ৰমে ছহীদ তৰ্পণ কৰিব অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ, নলবাৰী জিলা সমিতিৰ উপসভাপতি চিত্তৰঞ্জন তালুকদাৰে। পুৱা ১০ বজাত শিৱ মন্দিৰ প্ৰাংগণত গছপুলি ৰোপণ কৰিব ক্ৰমে যোগেন্দ্ৰ নাথ বৰ্মন, প্ৰৱীণ তালুকদাৰ, লক্ষ্মীকান্ত বৰ্মন আৰু কৃষ্ণকান্ত হালৈয়ে। দিনৰ ১ বজাত শিৱগীতা পাঠ কৰিব ধনপতি ডেকা আৰু মদন ডেকাই। সন্ধিয়া ৪ বজাত বন্তি প্ৰজ্বলন কৰিব হীতেশ গোস্বামী, চকিন তালুকদাৰ, সুৰেন্দ্ৰ নাথ হালৈ, ভুৱনেশ্বৰ নাথ আৰু নৃপেন্দ্ৰ নাথ বৰ্মনে। সন্ধিয়া ৫ বজাত আতচবাজী প্ৰদৰ্শন, নিশা ৯ বজাত অগ্নিশিখা ভ্ৰাম্যমাণ নাট্যদলৰ নাট প্ৰদৰ্শন। ১৬ ফেব্ৰুৱাৰীত পুৱা ১০ বজাত বাৰেৰহনীয়া সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰিব পশ্চিম বৰক্ষেত্ৰী ধৰ্মপুৰ জিলা পৰিষদৰ সদস্যা চিমি বৰ্মনে। সন্ধিয়া ৫ বজাত নাগাৰা নাম পৰিৱেশন কৰিব ৰঙিয়াৰ হীৰামণি বৈশ্যই। নিশা ৯ বজাত নৱজাগৰণ ভ্ৰাম্যমাণ নাট্য দলৰ নাট প্ৰদৰ্শন। ১৭ ফেব্ৰুৱাৰীত পুৱা ভেশচন প্ৰতিযোগিতা, পুৱা ১০ বজাত চিত্ৰাংকন প্ৰতিযোগিতা, দিনৰ ১২ বজাত কুইজ প্ৰতিযোগিতা, বিয়লি ৪.৩০ বজাত অসমীয়া গীতৰ আধাৰত নৃত্য প্ৰতিযোগিতা আৰু নিশা ৯ বজাত সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰিব অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক বিজন বায়নে। ২৮ সংখ্যক মহাশিৱৰাত্ৰিৰ প্ৰতিটো কাৰ্যসূচীতে ধৰ্মপ্ৰাণ ৰাইজৰ উপস্থিতি আৰু সহায়-সহযোগিতা আন্তৰিকতাৰে বিচাৰিছে পূজা উদ্‌যাপন সমিতিৰ সম্পাদক ভগৱান ডেকাই।

# পকী দলঙৰ অভাৱত জীয়াতু ভুগিছে চাপৰৰ ৰৌমাৰীৰ ৰাইজ, মৰা চম্পাৱতীত বাঁহৰ সাঁকোৰে বিপদসংকুল যাত্ৰা



**অসম বাৰ্তা, চাপৰ, ১২ ফেব্ৰুৱাৰী ঃ** ১০নং বিলাসীপাৰা সমষ্টিৰ অন্তৰ্গত চাপৰ পৌৰসভাৰ গাঁতে লাগি থকা ৰৌমাৰী প্ৰথম খণ্ড (৭নং ৱাৰ্ড) আৰু ৰৌমাৰী দ্বিতীয় খণ্ড সংযোগী একমাত্ৰ মূল যাতায়ত পথ হৈছে মৰা চম্পাৱতী নৈৰ ওপৰত নিৰ্মিত এখন বাঁহৰ সাঁকো। যুগ যুগ ধৰি বৃহত্তৰ ৰৌমাৰী দ্বিতীয় খণ্ড গাঁৱৰ ৰাইজে এই বাঁহৰ সাঁকোৰে বিপদসংকুল অৱস্থাত যাতায়ত অব্যাহত ৰাখিছে। প্ৰতি বছৰে অহু বানপানীৰ ফলত বাঁহৰ সাঁকো ভাঙি যোৱাৰ পাছত স্থানীয় ৰাইজেই নিজ উদ্যোগত পুনৰ বাঁহৰ সাঁকো নিৰ্মাণ কৰি যাতায়তৰ ব্যৱস্থা কৰে। দীৰ্ঘদিন ধৰি সমস্যাটো স্থায়ীভাৱে সমাধানৰ ক্ষেত্ৰত কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই বুলি অভিযোগ উত্থাপন কৰিছে অঞ্চলবাসীয়ে। বহু চৰকাৰ আহিল, বহু চৰকাৰ গ’ল, সমষ্টিটোৰ পৰা অসম গণ পৰিষদ, কংগ্ৰেছ, এ আই ইউ ডি এফ আৰু বিজেপি দলৰ বিধায়ক হ’ল কিন্তু কোনো এখন চৰকাৰৰ দিনত কোনো দলৰ এজন বিধায়ক এই গুৰুত্বপূৰ্ণ সমস্যাটোৰ স্থায়ী সমাধান নকৰাৰ বাবে ক্ষোভ প্ৰকাশ কৰিছে ভুক্তভোগী ৰাইজে। ইপিনে প্ৰতিটো বিধানসভা সভা নিৰ্বাচনৰ পূৰ্বে জনপ্ৰতিনিধিসকলৰ প্ৰতিশ্ৰুতি কেৱল প্ৰতিশ্ৰুতিতেই সীমাবদ্ধ থকা বুলি ক্ষোভ প্ৰকাশ কৰিছে স্থানীয় ৰাইজে। স্বাধীনতাৰ অমৃত কালতো উন্নয়নৰ মুখ নেদেখা বুলি মন্তব্য কৰি অসম চৰকাৰৰ ওচৰত এখন পকী দলং নিৰ্মাণৰ দাবী জনাইছে অঞ্চলবাসীয়ে। বাঁহৰ সাঁকোৰে নিতৌ স্কুল-কলেজলৈ অহা-যোৱা কৰা কণকণ ছাত্ৰ-ছাত্ৰীৰ লগতে সাধাৰণ ৰাইজে বিপদসংকুল যাতায়ত কৰিব লগা হৈছে। একমাত্ৰ মূল পথটোত পকী দলং নথকাৰ বাবে বছৰ বছৰ ধৰি যাতায়তৰ ক্ষেত্ৰত জীয়াতু ভোগ কৰি আহিছে ৰৌমাৰী অঞ্চলৰ জনসাধাৰণে। সেয়ে শীঘ্ৰেই এখন স্থায়ী পকী দলং নিৰ্মাণ কৰি ৰাইজৰ এই দীৰ্ঘদিনীয়া সমস্যাৰ সমাধান কৰিবলৈ চৰকাৰক আহ্বান জনাইছে অঞ্চলটোৰ সচেতনমহলে।

## নিৰ্বিকাৰ জিলা প্ৰশাসন আৰু নিৰপেক্ষ বাহিনী

# অসম-নাগালেণ্ড সীমান্তৰ চুঙাজানত অব্যাহত আছে নগাৰ আগ্ৰাসন

### আৰক্ষী থানাৰ ওচৰত নগাৰ গেট স্থাপন; নিৰপেক্ষ বাহিনীৰ স্থিতিক লৈ প্ৰশ্ন



**অসম বাৰ্তা, চুঙাজান, ১২ ফেব্ৰুৱাৰী ঃ** সৰুপথাৰ সমষ্টিৰ অসম নাগালেণ্ড সীমান্তৰ মাজগাঁও পঞ্চায়তত পুনৰ নগাৰ আগ্ৰাসন প্ৰতিফলিত হৈ আছে। বিভিন্ন সময়ত বিভিন্ন ন ন কৌশলে অসমৰ মাটি দখলৰ বাবে চেষ্টা কৰি আহিছে নগাই। অসম নাগালেণ্ড সীমান্তৰ সৰুপথাৰ সমজিলাৰ চুঙাজানৰ মাজগাঁও পঞ্চায়তৰ অন্তৰ্গত নৰমিলনপুৰ আৰু ২নং শান্তিপুৰ দুখন গাঁৱলৈ সোমোৱা ৰাস্তাত নগাই দিলে পকী গেট। সাখাভি নামেৰে নামকৰণ কৰি জিলা নিউলেণ্ড বুলি পকী গেট স্থাপন কৰিলে নগাই, ইয়াকে লৈ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে সৰুপথাৰ সমষ্টিত। চুঙাজান আৰক্ষী থানাৰ পৰা মাত্ৰ তিনি কিলোমিটাৰ নিলগত নগাই স্থাপন কৰিবলৈ সাহস ক’ত পালে বুলি প্ৰশ্ন বিভিন্ন দল-সংগঠনৰ লগতে স্থানীয় ৰাইজৰ। স্থানীয় ৰাইজে উক্ত গেট স্থাপনৰ তীব্ৰ বিৰোধিতা কৰি প্ৰতিবাদ সাব্যস্ত কৰে। অতি সোনকালে এই গেট উঠাই দিবলৈ দাবী জনায় সৰুপথাৰ প্ৰশাসনৰ ওচৰত স্মাৰক পত্ৰ প্ৰদান কৰে। ইফালে এই ঘটনাৰ বিৰোধিতা কৰি ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ নেতা আকাশ দাওয়ে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে পূৰ্বে কংগ্ৰেছ চৰকাৰ আৰু বৰ্তমান বিজেপি চৰকাৰে অসম নাগালেণ্ড সীমা সমস্যা সমাধান কৰাত ব্যৰ্থ হৈছে। চুবুৰীয়া ৰাজ্যৰ লগত বৈঠকৰ জৰিয়তে সীমা সমস্যা সমাধান বিভিন্ন সময়ত আমি দাবী জনায় আহিছোঁ কিন্তু কোন এখন চৰকাৰে এই পদক্ষেপ হাতত লোৱা পৰিলক্ষিত হোৱা নাই। তিনি মাহৰ পূৰ্বে উৰিয়ামঘাটত দুটা তৈল খাদ নগা প্ৰশাসনে বন্ধ কৰিছিল তাৰ সমান্তৰালকৈ এশৰো অধিক ঘৰত নগাই অগ্নি সংযোগ কৰিছিল আৰু বৰ্তমান নিউলেণ্ড জিলাৰ এখন ফলক লগাই গাওঁ প্ৰতিষ্ঠা কৰিছে। এই অঞ্চলত অসমীয়া লোকৰ বসতি প্ৰধান অঞ্চল আৰু মাত্ৰ ১২ ঘৰ নগা লোকৰ ঘৰ আছে। সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকনে নিৰ্বচনী ইস্তাহাৰত সীমা সমস্যা সমাধান কৰিব বুলি প্ৰতিশ্ৰুতি দিছিল কিন্তু সেই প্ৰতিশ্ৰুতি পালন নকৰাৰ বাবে সীমান্ত অঞ্চলত ৰাইজে জিয়াতু ভুগিবলগীয়া হৈছে। তেওঁ লগতে নগাই স্থাপন কৰা এই গেট অতি সোনকালে ভাঙি পেলোৱাৰ দাবী জনায় অন্যথা ইয়াৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰিবলৈ বাধ্য হ’ব।

## দেশৰ হ’কৈ নিষ্ঠাৰে সেৱা আগবঢ়াব বুলি মত পোষণ সাংবাদিকগৰাকীৰ

# পদুমক আকোৱালি ল’লৈ কমলে

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১২ ফেব্ৰুৱাৰী ঃ** বিগত প্ৰায় দুটা দশক ধৰি সাহিত্য, সামাজিক আৰু সাংবাদিকতাৰ জগতখনত বিশেষভাৱে সেৱা আগবঢ়াই অহা কমল কুমাৰে অৱশেষত যোগদান কৰিলে ভাৰতীয় জনতা পাৰ্টিত। বিজেপিৰ নীতি-আদৰ্শৰ আকৃষ্ট হৈ দেশৰ হ’কৈ নিষ্ঠাৰে সেৱা আগবঢ়াব বুলি মত পোষণ কৰে সাংবাদিকগৰাকীয়ে। সম্প্ৰতি ভৰলুমুখ মণ্ডলৰ পৰা ভাৰতীয় জনতা পাৰ্টীত সেৱা আগবঢ়োৱা কমল কুমাৰে প্ৰথমে দৰং জিলাৰ মংগলদৈৰ পৰা প্ৰকাশিত মংগল বাতৰি, নতুন প্ৰবাহ বাতৰি কাকতৰ জৰিয়তে সাংবাদিকতাৰ পৃথিৱীত খোজ দি অসমৰ বহুকেইখন আগশাৰীৰ কাকতত সাংবাদিকতা কৰাৰ উপৰিও মননশীল লেখনিৰ জৰিয়তে সাহিত্য পৃথিৱীলৈ বৰঙনি আগবঢ়োৱাৰ সমান্তৰালকৈ কুৰিখনতকৈও অধিক গ্ৰন্থ সম্পাদনা কৰিছে। অসমৰ জনপ্ৰিয় আলোচনী ‘মায়া’ৰ কাৰ্যবাহী সম্পাদক, ‘বিন্দু আলোচনী’ৰ সম্পাদক হিচাপে দীৰ্ঘ সময় কাৰ্যনিৰ্বাহ কৰা কমল কুমাৰে প্ৰাগ নিউজৰ সাংবাদিক, নিউজ পৰ্টেল ‘প্ৰথম খবৰ’ৰ পৰিচালন সম্পাদক, দ্যা আছাম পোষ্টৰ কাৰ্যবাহী সম্পাদক আৰু আৰোহণ পাব্লিকেশ্যনৰ সম্পাদক হিচাপে দীৰ্ঘসময় ধৰি কাৰ্যভাৰ গ্ৰহণ কৰি আহিছিল। কমল কুমাৰে অসমৰ বিভিন্ন স্থানত ৰক্তদান শিবিৰ, কেন্সাৰ ৰোগ প্ৰতিৰোধ সম্পৰ্কে সজাগতা সভা, বিশেষভাৱে সক্ষম লোকৰ মাজত বিভিন্ন অনুষ্ঠান অনুষ্ঠিত কৰি অহাৰ লগতে অসমৰ অন্যতম জাতীয় অনুষ্ঠান অসম সত্ৰ মহাসভা গুৱাহাটী জিলা সমিতিৰ সম্পাদক, শংকৰ-মাধৱ সাংস্কৃতিক সমাজৰ সম্পাদক লগতে ঐক্য সেনা অসমৰ মুখ্য মুখ্যপাত্ৰ হিচাপে দায়িত্ব গ্ৰহণ কৰিছিল। সামাজিক সংস্থা শুভাকাংক্ষীৰ জন্মদাতা কমল কুমাৰে শুভাকাংক্ষীৰ জৰিয়তে বানপীড়িতক সহায়, অসমৰ সাহিত্য-সংস্কৃতি আৰু সামাজিক ক্ষেত্ৰত উজ্বলি উঠা প্ৰতিভাধৰসকলক একত্ৰ কৰি ভিন্ন অনুষ্ঠান অনুষ্ঠিত কৰাৰ লগতে মহিলা সবলীকৰণৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে। আনহাতে, “ধুনীয়া বাবেই ভালপাওঁ তোমাক”, “ৰক্ত কমল” কাব্য গ্ৰন্থৰ বাবে অসম চৰকাৰৰ তৰফৰ পৰা ২০২১ চনত লেখক সন্মান লাভ কৰে। শেহতীয়াকৈ প্ৰকাশ পোৱা কাব্যগ্ৰন্থ ‘আই লাভ ইউ’, উপন্যাস ‘মজেবাই’ৰ জৰিয়তে পাঠক সমাজৰ মাজত বিশেষভাৱে চৰ্চা লাভ কৰি আহিছে। বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ পৰা প্ৰায় ৪০টাৰো অধিক বঁটা-সম্বৰ্ধনা লাভ কৰা কমল কুমাৰ বৰ্তমান চেণ্ট্ৰেল গুৱাহাটী বিধানসভা সমষ্টিৰ ভৰলুমুখৰ স্থায়ী বাসিন্দা।

# বিশ্ব শান্তিৰ দোৱা প্ৰাৰ্থনাৰে মৈৰাবাৰী গাৰে হিৰা মছজিদত আৰম্ভ হ’ল চল্লিছদিনীয়া আহমদীয়া খানক্কাহ

**অসম বাৰ্তা, মৈৰাবাৰী, ১২ ফেব্ৰুৱাৰী ঃ** যি সময়ত আমাৰ দেশৰ বিভিন্ন প্ৰান্তত বিভিন্ন ধৰ্মৰ সচেতন ধৰ্মপ্ৰাণ লোক সকলে বিভিন্ন ধৰ্মীয় অনুষ্ঠানৰ জৰিয়তে নেদেখাজনৰ ওচৰত বিশ্ব শান্তিৰ বাবে প্ৰাৰ্থনা জনাই আহিছে ঠিক সময়ত অসমৰ বৃহৎ মছজিদ-গাৰে হিৰাৰ খানক্কাহ কমিটিয়ে ৯ ফেব্ৰুৱাৰী তাৰিখে সমূহীয়াভাৱে বিশ্ব শান্তিৰ বাবে দোৱা প্ৰাৰ্থনা কৰি শুভাৰম্ভ কৰিলে “চল্লিছ দিনীয়া আহমদীয়া খানক্কাহ”। এই খানক্কাহ পবিত্ৰ ঈদুল ফিতৰৰ আগদিনালৈকে চলিব। ধৰ্মীয় প্ৰাৰ্থনা কাৰ্যসুচিত অংশগ্ৰহণ কৰা ধৰ্মপ্ৰাণ ব্যক্তি সকলৰ ইফতাৰ, ৰাতিৰ আহাৰ, চেহেৰীৰ বাবে হোৱা সম্পুৰ্ণ খৰচ ৰাইজৰ দান বৰঙনিৰ টকাৰে কৰা হয়। এই খানক্কাহ প্ৰথমবাৰৰ বাবে প্ৰয়াত বিখ্যাত শান্তিকামী ইছলামী পণ্ডিত পীৰে কামিল হজৰত মওলানা শ্বেইখ আহমদ আলী(ৰঃ)য়ে এই মছজিদত চল্লিছ দিনীয়া খানকাহ কাৰ্যসুচী আৰম্ভ কৰিছিল বাবে খানক্কাহক আহমদীয়া খানক্কাহ হিচাপে নামকৰণ কৰা হয়। এই খানক্কাহত বিগত দিনত প্ৰাক্তন মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়া, প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈ, প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰফুল্ল মহন্তকে ধৰি অন্যান্য ধৰ্মৰ জনপ্ৰতিনিধি, ৰাজনৈতিক নেতাই উপস্থিত হৈ আৰ্শিবাদ বিচৰাৰ বহুতো উদাহৰণ আছে। এই ঐতিহাসিক খানক্কাহলৈ জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে বহুতো অন্য ধৰ্মৰ লোক খানক্কাহ দৰ্শনৰ বাবে অহা এটা পৰম্পৰা আছে। ঐতিহাসিক আহমদীয়া খানক্কাহৰ কাৰ্যসুচী পৰিচালনাৰ দায়িত্বত আছে ক্বাৰী আব্দুল ক্বাদিৰ আৰু মওলানা আজিজুৰ ৰহমান। খানক্কাহত একমাত্ৰ বিশ্ব শান্তি তথা ইহকাল -পৰকালৰ স্থায়ী শান্তি বিচাৰি দিনে ৰাতিয়ে নেদেখাজনৰ ওচৰত দোৱা প্ৰাৰ্থনাহে কৰা হয়। খানক্কাহত ৰাজনৈতিক কথা বতৰা সম্পুৰ্ণৰূপে নিষেধ। খানক্কাহ পৰিচালনা সমিতিৰ সভাপতি আলহাজ ফুৰকান আলী আৰু সম্পাদক শ্বৰিফুল ইছলাম, মোছাদ্দিক আহমেদে ৰাইজৰ সহযোগ কামনা কৰিছে।

# কয়লামাৰী চাহ বাগিচা পৰিচালকক স্মাৰক-পত্ৰ চাহ মজদুৰ সংঘৰ

**অসম বাৰ্তা, লীলাবাৰী, ১২ ফেব্ৰুৱাৰী ঃ** ব্ৰহ্মপুত্ৰ উপত্যকাৰ চাহ বাগিচাৰ শ্ৰমিকৰ দৈনিক মজুৰি আৰু উপ-কৰ্মচাৰীসকলৰ দৰমহা বৃদ্ধি তথা কাৰ্যকৰীকৰণৰ দাবীত অসম চাহ মজদুৰ সংঘৰ কয়লামাৰী চাহ বাগিচা প্ৰাথমিক গোটে আজি কয়লামাৰী চাহ বাগিচাৰ সাধাৰণ পৰিচালকক স্মাৰক-পত্ৰ প্ৰদান কৰে। স্মাৰক-পত্ৰটিত সংঘৰ কয়লামাৰী প্ৰাথমিক গোটৰ সভাপতি-সম্পাদকদ্বয় উত্তম তাঁতী আৰু সঞ্জয় তাঁতীয়ে উল্লেখ কৰে যে, ব্ৰহ্মপুত্ৰ উপত্যকাৰ চাহ বাগিচাসমূহত দৈনিক মজুৰিত কাম কৰা শ্ৰমিকসকলৰ মজুৰি আৰু উপ-কৰ্মচাৰীসকলৰ দৰমহা বৃদ্ধিৰ দাবীত দীৰ্ঘদিন ধৰি অসম চাহ মজদুৰ সংঘৰ তৰফৰ পৰা চাহ বাগিচা মালিক সন্থাৰ ওচৰত দাবী জনাই অহাৰ সমান্তৰালকৈ কেবাবাৰো আলোচনাত মিলিত হোৱাৰ পাছতো বৰ্তমানলৈকে কোনো ফলপ্ৰসূ সমাধান হোৱা নাই। উল্লেখ্য যে, প্ৰাথমিক গোটৰ সভাপতি-সম্পাদকে অসম চাহ মজদুৰ সংঘৰ কেন্দ্ৰীয় আৰু উত্তৰ লখিমপুৰ শাখাৰ সভাপতি-সাধাৰণ সম্পাদকলৈ স্মাৰক-পত্ৰৰ প্ৰতিলিপি প্ৰেৰণ কৰে।

# ফকিৰ বজাৰ কাষৰ লংগাই নদীত অজ্ঞাত মৃতদেহ উদ্ধাৰ, অঞ্চলজুৰি শোক আৰু উৎকণ্ঠা

**অসম বাৰ্তা, শ্ৰী ভূমি, ১২ ফেব্ৰুৱাৰী ঃ** শ্ৰী ভূমি জিলাৰ বৃহত্তৰ ফকিৰ বজাৰ অঞ্চলৰ কাষেৰে বৈ যোৱা লংগাই নদীত সোমবাৰে পুৱা এটা অজ্ঞাত মৃতদেহ উদ্ধাৰ হোৱা ঘটনাই সমগ্ৰ অঞ্চলটোত গভীৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। পুৱা প্ৰায় ৭ মান বজাত স্থানীয় কেইজনমান লোকে নদীৰ পাৰত এজন লোকৰ দেহ পানীত উফুৰি থকা অৱস্থাত প্ৰত্যক্ষ কৰি তৎক্ষণাৎ আৰক্ষীক অৱগত কৰে। খবৰ পাই আৰক্ষী আৰু উদ্ধাৰকাৰী দল ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহটো নদীৰ পৰা উদ্ধাৰ কৰে। প্ৰাথমিকভাৱে অনুমান কৰা মতে মৃত ব্যক্তিজন প্ৰায় ৪০-৪৫ বছৰ বয়সীয়া পুৰুষ। অৱশ্যে এই মুহূৰ্তলৈকে তেওঁৰ পৰিচয় নিশ্চিত হোৱা নাই। মৃতদেহটোত দৃশ্যমান আঘাতৰ চিন আছে নে নাই, সেই বিষয়েও আৰক্ষীয়ে স্পষ্ট মন্তব্য কৰা পৰা বিৰত থাকে। ঘটনাস্থলীত এক শোকাকুল পৰিৱেশৰ সৃষ্টি হয়। কৌতূহলী জনতাৰ ভিৰৰ মাজত স্থানীয় বহু লোকেই উৎকণ্ঠাৰে থিয় হৈ থাকে। এজন বৃদ্ধ বাসিন্দাই কঁপা কণ্ঠৰে কয়, “লংগাই আমাৰ জীৱনৰ সৈতে জড়িত নদী। ইয়াত এনেকুৱা দৃশ্য দেখি বুকুখন কঁপি উঠিল।” আনহাতে কিছুমান লোকে সন্দেহ প্ৰকাশ কৰিছে যে ঘটনাটো সাধাৰণ ডুবি মৃত্যু নহ’বও পাৰে। আৰক্ষীয়ে মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰিছে আৰু মৃত্যুৰ সঠিক কাৰণ জানিবলৈ তদন্ত আৰম্ভ কৰিছে। আশে-পাশে থকা অঞ্চলসমূহত নিখোজ ব্যক্তিৰ অভিযোগ আছে নে নাই তাৰো অনুসন্ধান চলিছে। প্ৰয়োজনীয় হ’লে ফ’ৰেন্সিক দলকো জড়িত কৰা হ’ব বুলি সূত্ৰই জনায়। এই ঘটনাই ফকিৰ বজাৰ আৰু চৌপাশৰ বাসিন্দাসকলৰ মাজত ভয় আৰু অনিশ্চয়তাৰ অনুভূতি সজীৱ কৰি তুলিছে। আৰক্ষীৰ তদন্তৰ ফলাফললৈ এতিয়া সকলোৰে দৃষ্টি নিবদ্ধ।

## বিধায়কদ্বয় ৰূপক শৰ্মা শশীকান্ত দাসে শৰ্মিষ্ঠাক প্ৰদান কৰিলে মুখ্যমন্ত্ৰী আৰ্থিক অনুদানৰ চেক

# প্ৰতিভাবান লেখিকা শৰ্মিষ্ঠা প্ৰীতমলৈ মুখ্যমন্ত্ৰীৰ চিকিৎসা সাহায্য প্ৰদান

### মুখ্যমন্ত্ৰীৰ পদক্ষেপক প্ৰশংসা বিধায়ক ৰূপক শৰ্মাৰ

**অসম বাৰ্তা, নগাঁও, ১২ ফেব্ৰুৱাৰী ঃ** এক জটিল ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন অৱস্থাত থকা প্ৰতিভাসম্পন্ন লেখিকা শৰ্মিষ্ঠা প্ৰীতম বৰুৱালৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই চিকিৎসা সাহায্য প্ৰদান কৰে। মুখ্যমন্ত্ৰীৰ হৈ নগাঁৱৰ বিধায়ক ৰূপক শৰ্মা আৰু ৰহাৰ বিধায়ক শশীকান্ত দাসে লেখিকা গৰাকীক তেওঁৰ ডিমৌ চাৰিআলিৰ শালমৰাৰ নিজা বাসভৱনত সাক্ষাৎ কৰি এই সাহায্য প্ৰদান কৰে। জানিব পৰা মতে Spinal Mascular Atrophy (SMA) দৰে জটিল ৰোগত আক্ৰান্ত প্ৰতিভাসম্পন্ন লেখিকা শৰ্মিষ্ঠা প্ৰীতম বৰুৱালৈ মুখ্যমন্ত্ৰীয়ে আগবঢ়োৱা চিকিৎসা সাহায্যৰ ধনৰ চেক আজি বিধায়কদ্বয় ৰূপক শৰ্মা আৰু শশীকান্ত দাসে তেওঁক প্ৰদান কৰে। উল্লেখ যে প্ৰতিভাসম্পন্ন লেখিকা গৰাকী কম বয়সতে উল্লিখিত জটিল ৰোগত আক্ৰান্ত হৈ হুইল চেয়াৰতে জীৱন কটোৱাৰ লগতে সাহিত্য চৰ্চা কৰি গৈছিল। ৰচনা কৰিছে কেবাখনো মুল্যবান গ্ৰন্থ। ব্যয় বহুল এই চিকিৎসাৰ ঔষধ বৰ্তমান ভাৰতত শেহতীয়াকৈ উপলব্ধ হৈছে। শৰ্মিষ্ঠাই মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক সাহায্য বিচাৰি আবেদন জনোৱাত মুখ্যমন্ত্ৰীয়ে ইয়াৰ পুৰ্বে ২৫ লাখ টকাৰ সাহায্য প্ৰদান কৰিছিল। শেহতীয়াকৈ আৰু ৫ লাখ টকাৰ সাহায্য আজি নগাঁৱৰ বিধায়ক ৰূপক শৰ্মাৰ জৰিয়তে তেওঁক প্ৰদান কৰে। সাহায্য লাভ কৰি শৰ্মিষ্ঠা প্ৰীতমে মুখ্যমন্ত্ৰীক কৃতজ্ঞতা আৰু ধন্যবাদ জনোৱাৰ লগতে ধন্যবাদ জনাই কয় যে এই পদক্ষেপে জটিল ৰোগত আক্ৰান্ত ৰোগী সকলক যথেষ্ট সকাহ দিব। তেওঁ এনেধৰণৰ জটিল ৰোগত আক্ৰান্ত সকলকো সাহায্য আগবঢ়াবলৈ মুখ্যমন্ত্ৰীক আহ্বান জনায়। বিধায়ক ৰূপক শৰ্মাই মুখ্যমন্ত্ৰীৰ এনে পদক্ষেপক প্ৰশংসা কৰি কয় যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই চিকিৎসাৰ ক্ষেত্ৰত গ্ৰহণ কৰা এনে পদক্ষেপে ৰোগী সকলক উপকৃত কৰি আহিছে। বিধায়ক শশীকান্ত দাসেও মুখ্যমন্ত্ৰীৰ পদক্ষেপৰ শলাগ লয়।

## সম্পাদকীয়

# সুৰক্ষা আৰু অধিকাৰৰ মাজত ভাৰসাম্যৰ প্ৰশ্ন

উচ্চতম ন্যায়ালয়ৰ শেহতীয়া ৰায়ে অসমৰ বনভূমি সুৰক্ষাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰক এক শক্তিশালী আইনী সাফল্য প্ৰদান কৰিছে। ন্যায়মূৰ্তি পি এছ নৰসিংহ আৰু অলোক অৰাড়েৰ খণ্ডপীঠে সংৰক্ষিত বনাঞ্চলত অবৈধ বেদখলকাৰীৰ বিৰুদ্ধে উচ্ছেদ অভিযান চলোৱাৰ স্পষ্ট অধিকাৰ ৰাজ্য চৰকাৰক প্ৰদান কৰাৰ লগতে যথাযথ প্ৰক্ৰিয়া (due process) অনুসৰণৰ নিৰ্দেশ দিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই ৰায়ক "অসমৰ বন বিভাগৰ ইতিহাসত এক মাইলৰ খুঁটি" বুলি অভিহিত কৰিছে। নিশ্চিতভাৱে, এই ৰায়ে দীৰ্ঘদিন ধৰি বনভূমি দখলৰ সমস্যাত ভুগি থকা অসমৰ বন ব্যৱস্থাপনাত এক নতুন দিশ প্ৰদান কৰিব।

নতুন নিৰ্দেশনা অনুসৰি, এতিয়াৰ পৰা উচ্ছেদ অভিযানৰ পূৰ্বে জিলা আয়ুক্তৰ নেতৃত্বত এখন কমিটি গঠন কৰি বেদখলকাৰীক অভিযোগৰ বিৰুদ্ধে যুক্তি দাঙি ধৰাৰ সুযোগ প্ৰদান কৰিব লাগিব। "স্পিকিং অৰ্ডাৰ" জাৰি কৰাৰ পাছত মাত্ৰ ১৫ দিনৰ জাননী দি উচ্ছেদ কৰাৰ সুবিধাই পূৰ্বৰ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ এক মাহৰ সময়সীমাক হ্ৰাস কৰিছে। এই সিদ্ধান্তই প্ৰশাসনিক প্ৰক্ৰিয়াক গতিশীল কৰিব বুলি আশা কৰিব পাৰি। লগতে, ৰাজ্য চৰকাৰে সৰুপথাৰ, গোৱালপাৰা, নগাঁও, গোলাঘাট আদি জিলাত উচ্ছেদ অভিযান চলাই ১.২৫ লাখ বিঘাৰো অধিক বনভূমি মুক্ত কৰিছে, যি এক প্ৰশংসনীয় প্ৰচেষ্টা।

কিন্তু এই ৰায়ৰ প্ৰেক্ষাপটত সচেতন নাগৰিকৰ মনত কেইবাটাও প্ৰশ্নৰ সৃষ্টি হৈছে। প্ৰথম প্ৰশ্ন— খিলঞ্জীয়া আৰু অবৈধ বেদখলকাৰীৰ পাৰ্থক্য কি? মুখ্যমন্ত্ৰীয়ে আশ্বাস দিছে যে খিলঞ্জীয়া ভূমিপুত্ৰসকলক ফৰেষ্ট পট্টা প্ৰদান কৰা হ'ব আৰু তেওঁলোকে উচ্ছেদৰ ভয় কৰাৰ প্ৰয়োজন নাই। কিন্তু এই "খিলঞ্জীয়া" শব্দটোৰ সংজ্ঞা কি? ১৯৫১ বা ১৯৭১ৰ নাগৰিক পঞ্জীৰ ভিত্তিত এই সংজ্ঞা নিৰ্ধাৰিত হ'ব নে? যিসকলে কয় যে তেওঁলোক দশক দশক ধৰি সেই বনাঞ্চলত বাস কৰি আহিছে, তেওঁলোকৰ বাবে নথিপত্ৰৰ অভাৱত প্ৰমাণ দিয়াটো কিমান সহজ হ'ব?

দ্বিতীয়তে, ফৰেষ্ট পট্টাৰ প্ৰতিশ্ৰুতি কিমান দ্ৰুত কাৰ্যকৰী হ'ব? চৰকাৰে কৈছে যে বৰ্তমান ২৬-২৭ লাখ বিঘা বনভূমি বেদখল হৈ আছে, যাৰ ভিতৰত খিলঞ্জীয়াসকলক পট্টা প্ৰদান কৰিলে এই পৰিমাণ ২০ লাখ বিঘালৈ হ্ৰাস পাব। অৰ্থাৎ ৬-৭ লাখ বিঘা ভূমি এনে লোকৰ দখলত আছে যিসকল খিলঞ্জীয়া নহয়। এই লোকসকল কোন? তেওঁলোকৰ বিৰুদ্ধে কি ব্যৱস্থা লোৱা হ'ব?

তৃতীয়তে, এই উচ্ছেদ অভিযানে বহু নিৰীহ লোকক যাতে লক্ষ্য নকৰে, তাৰ বাবে চৰকাৰৰ কি ব্যৱস্থা আছে? বহু সময়ত অপ্ৰামাণিক ঠিকাদাৰী প্ৰথা আৰু বেদখলকাৰীৰ প্ৰভাৱত নিৰীহ গাঁওবাসী উচ্ছেদৰ চিকাৰ হয়। নতুন কমিটী ব্যৱস্থাই যদিও অভিযোগ পৰীক্ষাৰ সুবিধা দিছে, তথাপি স্থানীয় পৰ্যায়ত প্ৰভাৱশালী মহলৰ হস্তক্ষেপ ৰোধ কৰিবলৈ কেনে ধৰণৰ স্বচ্ছ পদ্ধতি অৱলম্বন কৰা হ'ব?

চতুৰ্থতে, কাজিৰঙা, মানাহ, ওৰাং আদি ৰাষ্ট্ৰীয় উদ্যানৰ মাজত সংযোগ স্থাপনৰ বাবে এই উচ্ছেদ অভিযান কিমান ফলপ্ৰসূ হ'ব? বন্যপ্ৰাণীৰ কৰিডৰ সুৰক্ষিত কৰাৰ বাবে উচ্ছেদ প্ৰয়োজনীয়, কিন্তু উচ্ছেদকৃত লোকৰ পুনৰ্বাসনৰ কি ব্যৱস্থা আছে? তেওঁলোকৰ জীৱিকাৰ প্ৰশ্নটোও অগ্ৰাহ্য কৰিব নোৱাৰি।

এই ৰায়ে চৰকাৰক যি ক্ষমতা প্ৰদান কৰিছে, সেই ক্ষমতা যাতে অপব্যৱহাৰ নহয়, তাৰ বাবে সুস্পষ্ট নিৰ্দেশিকা আৰু স্বচ্ছতা প্ৰয়োজন। ন্যায়ালয়ে "যথাযথ প্ৰক্ৰিয়া" অনুসৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে, গতিকে প্ৰশাসনে এই প্ৰক্ৰিয়াক কিমান নিষ্ঠাৰে কাৰ্যকৰী কৰে, তাৰ ওপৰতে নিৰ্ভৰ কৰিব পৰিস্থিতিৰ সুষম সমাধান।

শেষত, বনভূমি সুৰক্ষা আৰু খিলঞ্জীয়াৰ অধিকাৰ— এই দুয়োটা দিশৰ মাজত ভাৰসাম্য ৰক্ষা কৰাটো চৰকাৰৰ বাবে এক ডাঙৰ পৰীক্ষা। এই পৰীক্ষাত চৰকাৰে কিমান সফল হয়, সেয়া সময়েহে ক'ব। কিন্তু নাগৰিক হিচাপে আমি আশা ৰাখিব বিচাৰো যে এই অভিযানে কেৱল সৰ্বসাধাৰণ লোকৰ ভয়ৰ কাৰণ নহৈ, এখন সবল আৰু সুৰক্ষিত অসম গঢ়ি তোলাৰ পথ প্ৰশস্ত কৰক।

অসমৰ থলুৱা ৰেচম শিল্পৰ সকলোতকৈ ডাঙৰ প্ৰত্যাহ্বান হ'ল- এই শিল্পই এতিয়াও বজাৰৰ দ্ৰুত পৰিৱৰ্তনশীল চাহিদাৰ সৈতে খোজ মিলাব পৰা নাই। সাধাৰণতে আমাৰ শিপিনী সকল অতি দক্ষ যদিও তেওঁলোকে বজাৰৰ সাম্প্ৰতিক ধাৰা বা বিশ্বজনীন ফেশ্বনৰ বিষয়ে সম্পূৰ্ণ সজাগ হব পৰা নাই। সেইবাবেই বস্ত্ৰ বিশেষজ্ঞ আৰু ন'কাৰ সকলৰ সহায়ত পুৰণি আৰ্হি সমূহক নতুন ৰূপত উপস্থাপন কৰাটো অতিকে জৰুৰী হৈ পৰিছে। ডিজিটেল বজাৰ বা ই-কমাৰ্চ প্লেটফৰ্ম সমূহৰ জৰিয়তে আমাৰ সামগ্ৰীবোৰ বিশ্বৰ যিকোনো প্ৰান্তৰ গ্ৰাহকৰ ওচৰলৈ লৈ যাব পৰাটোৱেই হ'ল-অসমৰ সোণালী সূতাৰ বিশ্বযাত্ৰাৰ অন্যতম উপায়। লগতে ছ'চিয়েল মিডিয়াৰ সঠিক ব্যৱহাৰ কৰি শিপিনী আৰু ক্ৰেতাৰ মাজৰ দূৰত্ব হ্ৰাস কৰাটো আজিৰ সময়ৰ আটাইতকৈ ডাঙৰ প্ৰত্যাহ্বান।

# অসমৰ সোণালী সূতাৰ বিশ্বযাত্ৰা আৰু ঐতিহ্য

**নলিনী ৰঞ্জন ভূঞা**

অসমীয়া জাতিৰ সাংস্কৃতিক পৰিচয়ৰ বৰপেৰাত থকা আটাইতকৈ উজ্জ্বল ৰত্ন বিধেই হৈছে বস্ত্ৰশিল্প। এই বস্ত্ৰ শিল্প অসমীয়া জাতিৰ পৰিচয় আৰু সাংস্কৃতিক ঐতিহ্যৰ অন্যতম স্তমভ। অসমৰ বস্ত্ৰ শিল্পই সম্প্ৰতি বিশ্ব দৰবাৰত এক সুকীয়া মৰ্যাদা লাভ কৰিবলৈ সক্ষম হৈছে। অসমৰ শিপিনীৰ হাতৰ পৰশত প্ৰাণ পাই উঠা মুগা, পাট আৰু এৰী কাপোৰে এগৰাকী অসমীয়া নাৰীৰ সৌন্দৰ্য্য বৰ্ধনতে সীমাবদ্ধ থকা নাই। বৰঞ্চ ই অসমীয়া শিপিনীৰ কাৰিকৰী দক্ষতা আৰু প্ৰকৃতিৰ সৈতে থকা নিবিড় সম্পৰ্কৰ নিদৰ্শনো দাঙি ধৰিছে। 'অসমীয়া জীয়ৰীয়ে তাঁতশালত সপোন ৰচে'-এই বাক্যশাৰী অসমীয়া জীয়ৰী-বোৱাৰীৰ স্বকীয় কাৰিকৰী দক্ষতাৰ এক জীৱন্ত নিদৰ্শন লগতে হাজাৰ বছৰীয়া ঐতিহ্যৰ বাহক। বৰ্তমানৰ গোলকীয় অৰ্থনীতি আৰু পৰিৱৰ্তিত ফেশ্বন জগতৰ পৰিপ্ৰেক্ষিতত এই থলুৱা শিল্পৰ স্বকীয়তা আৰু ইয়াৰ বাণিজ্যিক সম্ভাৱনাৰ দিশটো গভীৰ প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। এনে পৰিপ্ৰেক্ষিততেই অসমৰ স্বাভিমান স্বৰূপ এই থলুৱা শিল্পবিধৰ গুৰুত্ব আৰু ইয়াৰ বাণিজ্যিক সম্ভাৱনাৰ দিশটো অতি গভীৰভাৱে মূল্যায়ন কৰাৰ প্ৰয়োজন আহি পৰিছে।

মুগা সূতা হৈছে- 'এন্থেৰিয়া আছামেনছিছ' (Antheraea assamensis) নামৰ এবিধ বিশেষ প্ৰজাতিৰ ৰেচম পলুৰ পৰা উৎপাদন কৰা এক উৎকৃষ্ট মানৰ ৰেচম সূতা। মুগা সূতা বা মুগা ৰেচম হৈছে অসমৰ একান্তই নিজা সম্পদ। মুগাৰ স্বকীয়তা ইয়াৰ সোণালী ৰং আৰু স্থায়িত্বত নিহিত হৈ থাকে। ইয়াৰ এক বিশেষ গুণ হ'ল যে- যিমানেই ইয়াক ব্যৱহাৰ কৰা হয়, সিমানেই ইয়াৰ উজ্জ্বলতা বৃদ্ধি পায়। সমগ্ৰ পৃথিৱীৰ ভিতৰত মুগা পলু কেৱল অসমতে পোৱা যায়। কাৰণ ইয়াৰ জলবায়ু আৰু পৰিৱেশ এই পলুৰ বংশবৃদ্ধিৰ বাবে বৈজ্ঞানিকভাৱে অতিশয় অনুকূল। মুগা পলুৱে ঘাইকৈ চোম আৰু সোঁৱালু গছৰ পাত খাদ্য হিচাপে গ্ৰহণ কৰে আৰু স্বভাৱতে ইহঁত অতি আলসুৱা হোৱা বাবে তাপমাত্ৰাৰ সামান্য তাৰতময বা যিকোনো ধৰণৰ প্ৰদূষণ সহ্য কৰিব নোৱাৰে। বৰ্তমান গোলকীয় উষ্ণতা বৃদ্ধি আৰু বৰ্ধিত প্ৰদূষণে এই পলুৰ জীৱন চক্ৰত এক ডাঙৰ ভাবুকিৰ সৃষ্টি কৰিছে। অসমত মুগা পালনৰ ইতিহাস অতি প্ৰাচীন। খ্ৰীষ্টপূৰ্ব ৩২১ত ইয়াৰ ব্যৱহাৰৰ উল্লেখ পোৱা যায়। আহোম যুগত মুগা শিল্পই বিশেষ ৰাজকীয় পৃষ্ঠপোষকতা লাভ কৰিছিল আৰু সেই সময়ত মুগাৰে নিৰ্মিত 'কিংখাপ'ৰ বস্ত্ৰ আছিল অভিজাত্যৰ প্ৰতীক। ১৬৬২ চনত ফৰাচী ভ্ৰমণকাৰী জাঁ-বেপ্টিষ্ট টাভাৰ্ণিয়াৰে মুগাক সৰ্বপ্ৰথমে বিশ্ব দৰবাৰত চিনাকি কৰি দিছিল আৰু পৰৱৰ্তী সময়ত ১৭৯৩ চনত ব্ৰিটিছ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ২২৪ মোন মুগা সূতা ইংলেণ্ডলৈ ৰপ্তানি কৰি ইয়াৰ বাণিজ্যিক দুৱাৰ মুকলি কৰিছিল।

অসমৰ এই অনন্য সম্পদ ভাগক আইনী সুৰক্ষা প্ৰদান কৰিবলৈ ২০০৭ চনত মুগাক ভৌগোলিক স্বীকৃতি বা জি আই টেগ প্ৰদান কৰা হয়, যাৰ ফলত বিশ্ব বজাৰত অসমৰ মুগাই এক স্বতন্ত্ৰ পৰিচয় লাভ কৰিছে। বৰ্তমান সময়ত মুগা কেৱল পৰম্পৰাগত মেখেলা-চাদৰৰ মাজতে সীমাবদ্ধ হৈ থকা নাই। ইয়াৰ দ্বাৰা নিৰ্মিত আধুনিক সাজ-পাৰ যেনে-শাৰী, টাই আৰু স্কাৰ্ফৰ চাহিদা দেশ-বিদেশৰ বিলাসী বজাৰত ক্ৰমাগত ভাৱে বৃদ্ধি পাইছে। ভাৰতৰ মুঠ মুগা উৎপাদনৰ প্ৰায় ৯৫ শতাংশই অসমৰ পৰা আহে আৰু ই গ্ৰাম্য অৰ্থনীতিক এক মজবুত ভেটি প্ৰদান কৰিছে। কেৱল বস্ত্ৰ উদ্যোগতে নহয়, মুগাৰ স্থায়িত্ব আৰু জৈৱ-সংগতিৰ বাবে আধুনিক চিকিৎসা বিজ্ঞানত অস্ত্ৰোপচাৰৰ চিলাই কৰা সূতা হিচাপে আৰু প্ৰসাধন উদ্যোগত ইয়াৰ প্ৰ'টিন ব্যৱহাৰৰ প্ৰচুৰ সম্ভাৱনা আছে। পৰিৱেশ-অনুকুল আৰু বিলাসিতাৰ এক অনন্য মিশ্ৰণ হিচাপে মুগা শিল্পই ভৱিষ্যতে বিশ্বৰ অন্যতম শ্ৰেষ্ঠ 'বিলাসী ব্ৰেণ্ড' হিচাপে প্ৰতিষ্ঠা লাভ কৰাৰ পূৰ্ণ সম্ভাৱনা বহন কৰিছে। মুগা সূতাক পাশ্চাত্যৰ বিভিন্ন আধুনিক সাজ-পাৰ নিৰ্মাণত ব্যৱহাৰ কৰিব পাৰিলে ইয়াৰ চাহিদা কেইবাগুণো বৃদ্ধি পাব বুলি আশা কৰিব পাৰি। বৰ্তমান বৰ্ধিত গোলকীয় উষ্ণতা আৰু প্ৰদুষণৰ বাবে মুগা পলুৰ উৎপাদনত যি বাধা আহিছে, তাক সমাধান কৰিবলৈ আধুনিক পৰীক্ষাগাৰ আৰু উন্নত পালন পদ্ধতিৰ প্ৰয়োজনীয়তা আছে।

অসমৰ পাট শিল্পইও তাহানিৰ পৰাই অসমীয়া সংস্কৃতিৰ আভিজাত্য আৰু পৰম্পৰাক প্ৰতিনিধিত্ব কৰি আহিছে। এই শিল্পৰ ইতিহাসো অতি প্ৰাচীন। কালিকা পুৰাণ আৰু হৰ্ষচৰিতৰ দৰে প্ৰাচীন গ্ৰন্থত কামৰূপৰ সূক্ষ্ম ৰেচম বস্ত্ৰৰ উল্লেখ পোৱা যায়। আহোম ৰাজত্বকালত পাট শিল্পই ৰাজকীয় পৃষ্ঠপোষকতা লাভ কৰিছিল আৰু সেই সময়ত ৰাজপৰিয়ালৰ লোকসকলে এই বস্ত্ৰ পৰিধান কৰাটো এক মৰ্যাদাৰ বিষয় আছিল। 'বমবি' মৰী' নামৰ ৰেচম পলুৰ পৰা আহৰণ কৰা এই পাট সূতাৰ উজ্জ্বলতা আৰু স্থায়িত্বৰ বাবে ই বিশ্বৰ বজাৰত এক সুকীয়া স্থান দখল কৰিছে। এই শিল্পৰ অনন্য গুণগত মানৰ বাবেই শুৱালকুছিৰ পাট-মুগা শিল্পক ভৌগোলিক স্বীকৃতি বা জি আই টেগ প্ৰদান কৰা হৈছে। এই মৰ্যাদাই বিশ্ব দৰবাৰত অসমৰ পাটৰ স্বকীয়তা সুৰক্ষিত কৰাৰ লগতে থলুৱা কাৰিকৰ সকলক আইনী সুৰক্ষা প্ৰদান কৰিছে। অসমৰ গ্ৰাম্য অৰ্থনীতিৰ মেৰুদণ্ড স্বৰূপ এই পাট শিল্পই হাজাৰ হাজাৰ লোকৰ জীৱিকাৰ পথ প্ৰশস্ত কৰিছে। কেৱল উৎপাদন কেন্দ্ৰ শুৱালকুছিতেই নহয়, বৰং ইয়াৰ সৈতে জড়িত পলু পালন, সূতা কটা, ৰং কৰা আৰু বয়ন কাৰ্যৰ জৰিয়তে গ্ৰাম্য অঞ্চলৰ এক বৃহৎ সংখ্যক মহিলা আৰু যুৱক-যুৱতী স্বাৱলম্বী হ'বলৈ সক্ষম হৈছে। অসমৰ পাটৰ মেখেলা-চাদৰ আৰু শাড়ীৰ চাহিদা দেশৰ লগতে বিদেশৰ বজাৰতো বৃদ্ধি পোৱাৰ ফলত ই ৰাজ্যখনলৈ বুজন পৰিমাণৰ ৰাজহ কঢ়িয়াই আনিছে। বৰ্তমান ই-কমাৰ্চ আৰু আধুনিক বিপণন ব্যৱস্থাৰ সহায়ত থলুৱা শিপিনী সকলে মধ্যভোগীৰ অবিহনেই নিজৰ উৎপাদিত সামগ্ৰী বিশ্বৰ গ্ৰাহকৰ ওচৰলৈ পঠিয়াব পাৰিছে যদিও ই পৰ্যাপ্ত হৈ উঠা নাই।

অসমৰ গৌৰৱময় বস্ত্ৰশিল্পৰ আন এক অবিচ্ছেদ্য অংগ হ'ল এড়ী শিল্প। ইয়াক মূলতঃ 'অহিংস ৰেচম' বা 'শান্তিৰ ৰেচম' বুলি অভিহিত কৰা হয়। কাৰণ এড়ী সূতা উৎপাদন কৰোঁতে মুগা বা পাটৰ দৰে পলুটোক লেটাৰ ভিতৰতে সিজাই মাৰি পেলোৱা নহয়। এড়ী পলুৰ বৈজ্ঞানিক নাম হ'ল 'চামিয়া ৰিচিনি' (Samia ricini)। এই পলুৱে ঘাইকৈ এৰা গছৰ পাত খাই জীৱন ধাৰণ কৰে বাবে ইয়াৰ নাম এড়ী হৈছে। অসমৰ গ্ৰাম্য সমাজত, বিশেষকৈ জনজাতীয় লোকসকলৰ মাজত এই শিল্পৰ পৰম্পৰা অতি প্ৰাচীন। ঘৰুৱাভাৱে বাঁহৰ ডলাত পলু পালন কৰি, পলুৱে মুখৰ পৰা উলিওৱা লেটাৰ পৰা অতি সাৱধানেৰে সূতা উলিওৱা হয়। এড়ী সূতা সাধাৰণতে টাকুৰীৰ সহায়ত কটা হয় আৰু ই মুগা বা পাটতকৈ সামান্য খহটা যদিও অতিশয় উমাল। এই শিল্পৰ আটাইতকৈ উল্লেখযোগ্য বৈশিষ্ট্য হ'ল- ইয়াৰ স্থায়িত্ব আৰু তাপ ধৰি ৰখাৰ ক্ষমতা। শীতকালত এড়ী চাদৰৰ উমে মানুহক অতিশয় আৰাম দিয়ে। যাৰ বাবে ইয়াক 'দুখীয়াৰ পচমিনা' বুলিও জনা যায়। এড়ী বস্ত্ৰ যিমানে পুৰণি হয়, সিমানেই ই অধিক কোমল আৰু উজ্জ্বল হৈ পৰে। বৰ্তমান সময়ত কেৱল চাদৰতে সীমাবদ্ধ নাথাকি এড়ী সূতাৰে তৈয়াৰী আধুনিক পোছাক যেনে— কোট, টুপী, স্কাৰ্ফ আৰু কুৰ্তাই বিশ্বৰ বজাৰত বিশেষ সমাদৰ লাভ কৰিছে। প্ৰাকৃতিক ৰঙৰ প্ৰয়োগে এই শিল্পক অধিক পৰিৱেশ-অনুকূল আৰু আকৰ্ষণীয় কৰি তুলিছে। অসমৰ অৰ্থনীতিৰ স্বাৱলম্বিতাৰ ক্ষেত্ৰত এড়ী শিল্পৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ।

এই শিল্পক সঠিকভাৱে ব্ৰেণ্ডিং কৰিব পাৰিলে ভৱিষ্যতে অসমৰ গ্ৰাম্য অৰ্থনীতিত এক নতুন দিগন্তৰ মুকলি হব বুলি আশা কৰিব পাৰি।

অসমৰ থলুৱা ৰেচম শিল্পৰ সকলোতকৈ ডাঙৰ প্ৰত্যাহ্বান হ'ল- এই শিল্পই এতিয়াও বজাৰৰ দ্ৰুত পৰিৱৰ্তনশীল চাহিদাৰ সৈতে খোজ মিলাব পৰা নাই। সাধাৰণতে আমাৰ শিপিনী সকল অতি দক্ষ যদিও তেওঁলোকে বজাৰৰ সাম্প্ৰতিক ধাৰা বা বিশ্বজনীন ফেশ্বনৰ বিষয়ে সম্পূৰ্ণ সজাগ হব পৰা নাই। সেইবাবেই বস্ত্ৰ বিশেষজ্ঞ আৰু ন'কাৰ সকলৰ সহায়ত পুৰণি আৰ্হি সমূহক নতুন ৰূপত উপস্থাপন কৰাটো অতিকে জৰুৰী হৈ পৰিছে। ডিজিটেল বজাৰ বা ই-কমাৰ্চ প্লেটফৰ্ম সমূহৰ জৰিয়তে আমাৰ সামগ্ৰীবোৰ বিশ্বৰ যিকোনো প্ৰান্তৰ গ্ৰাহকৰ ওচৰলৈ লৈ যাব পৰাটোৱেই হ'ল- অসমৰ সোণালী সূতাৰ বিশ্বযাত্ৰাৰ অন্যতম উপায়। লগতে ছ'চিয়েল মিডিয়াৰ সঠিক ব্যৱহাৰ কৰি শিপিনী আৰু ক্ৰেতাৰ মাজৰ দূৰত্ব হ্ৰাস কৰাটো আজিৰ সময়ৰ আটাইতকৈ ডাঙৰ প্ৰত্যাহ্বান। সম্প্ৰতি অসমৰ হস্ততাঁত শিল্পৰ বাবে অন্যতম ভাবুকি হৈছে বহিঃৰাজ্যৰ পৰা সৰবৰাহ হোৱা মেচিনত নিৰ্মিত নকল পাট বা মুগাৰ কাপোৰ। এই সামগ্ৰীবোৰে অতি কম মূল্যত বজাৰ প্লাৱিত কৰিছে। যাৰ ফলত আমাৰ থলুৱা শিপিনীসকল আৰ্থিক লোকচানৰ সন্মুখীন হৈছে। ইয়াক ৰোধ কৰিবলৈ চৰকাৰে হস্ততাঁত চিহ্ন আৰু ৰেচম চিহ্নৰ ব্যৱহাৰ বাধ্যতামূলক কৰাৰ লগতে গ্ৰাহকৰ মাজত সজাগতা সৃষ্টি কৰাতো অতিকে প্ৰয়োজন হৈ পৰিছে।

অসমৰ এই আপুৰুগীয়া শিল্পক বিশ্বৰ অন্যতম প্ৰধান শিল্প হিচাপে প্ৰতিষ্ঠিত কৰিবৰ বাবে চৰকাৰী আৰু সামাজিক পৃষ্ঠপোষকতা অনিবাৰ্য। সূতাৰ যোগানৰ পৰা আৰম্ভ কৰি উৎপাদিত সামগ্ৰীৰ উচিত মূল্য নিৰ্ধাৰণলৈকে চৰকাৰে এক শক্তিশালী নীতি গ্ৰহণ কৰা উচিত। শিপিনীসকলৰ বাবে কম সুতত ঋণৰ ব্যৱস্থা আৰু উন্নত মানৰ তাঁতশালৰ যোগান ধৰি এই শিল্পৰ স্থায়িত্ব নিশ্চিত কৰা নিতান্তই উচিত।

পৰিশেষত ক'ব পাৰি যে-অসমীয়া সাজ-পাৰৰ স্বকীয়তা কেৱল দৃষ্টিগত সৌন্দৰ্যতে সীমাবদ্ধ নহয়। ইয়াৰ মাজত লুকাই আছে অসমৰ ইতিহাস আৰু হাজাৰ হাজাৰ লোকৰ জীৱিকাৰ প্ৰশ্ন। মুগা, পাট আৰু এৰী শিল্পৰ ভৱিষ্যত তেতিয়াহে সুৰক্ষিত হ'ব যেতিয়া আমি আমাৰ শিপাক জীয়াই ৰাখি বিশ্বজনীন চিন্তাৰে আগবাঢ়ি যাব পাৰিম। আজিৰ প্ৰতিযোগিতামূলক বজাৰত আমাৰ শিল্পক আগুৱাই নিবৰ বাবে-পৰম্পৰাগত জ্ঞানক আধুনিক বিজ্ঞানৰ সৈতে একত্ৰিত কৰি আগবাঢ়িব পাৰিলেহে আমাৰ সোণালী সূতাই সমগ্ৰ বিশ্বৰ বস্ত্ৰ জগতত গৌৰৱেৰে জিলিকি উঠাৰ পূৰ্ণ ক্ষমতা ৰাখিবলৈ সক্ষম হব। তাৰ বাবে প্ৰয়োজন মাথোঁন সঠিক পৰিকল্পনা, সামূহিক প্ৰচেষ্টা আৰু অসমীয়া হিচাপে আমাৰ থলুৱা সম্পদৰ প্ৰতি থকা এৰাব নোৱৰা দায়বদ্ধতা।

# পৰীক্ষাৰ প্ৰস্তুতি আৰু মগজুৰ বিজ্ঞান

**নাজমল হুছেইন ভূঞা**

"একনিষ্ঠ ধ্যানেই য'ত স্বপ্নৰ খনিকৰ,
একাগ্ৰতাৰ আঁচলতে জিলিকিব কাইলৈৰ ভাস্বৰ।"

১০ ফেব্ৰুৱাৰীৰ পৰা অনুষ্ঠিত হোৱা হাইস্কুল শিক্ষান্ত আৰু ১১ ফেব্ৰুৱাৰীৰ পৰা অনুষ্ঠিত হোৱা উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ দিন যিমানেই কাষ চাপিছিল, ছাত্ৰ-ছাত্ৰীৰ মনৰ দোলনাখন সিমান বেছি আশাব্যঞ্জক আৰু অনিশ্চয়তাৰ মাজেৰে দুলিছিল। এই সময়ছোৱা কেৱল এক শৈক্ষিক মূল্যায়ন নহয়, বৰঞ্চ ই এক গভীৰ মানসিক সংগ্ৰামৰো সময়। সময়ৰ সোঁতত জীৱনৰ বসন্তই যেতিয়া শৈক্ষিক কেৰিয়াৰৰ দুৱাৰদলিত টোকৰ দিয়ে, ঠিক সেই সন্ধিক্ষণতে এই পৰীক্ষাসমূহে ছাত্ৰ-ছাত্ৰীৰ মনৰ আকাশত এজাক ধুমুহা হৈ দেখা দিয়ে। এই সময়ছোৱা কেৱল সপোন দেখাৰ নহয়, বৰঞ্চ প্ৰতিটো সপোনক বাস্তৱৰ কঠিন মাটিত ৰূপান্তৰিত কৰাৰ এক নীৰৱচ্ছিন্ন সাধনাৰ কাল। অথচ, এক বিচিত্ৰ বৈপৰীত্যৰ বলি হৈ বহু ছাত্ৰ-ছাত্ৰীৰ ক্ষেত্ৰত দেখা যায় যে পঢ়া টেবুলত বহাৰ মুহূৰ্ততে মনৰ চঞ্চল পখীটোৱে যেন অলংঘ্য সীমা অতিক্ৰমী দিগন্তৰ নীলাত হেৰাই যায়। কিতাপৰ সুবিন্যস্ত আখৰবোৰ চকুৰ আগত ধুঁৱলি-কুঁৱলি হৈ পৰে আৰু এক নিৰুদ্দেশ আশংকাই হৃদয়ৰ কোণত থিতাপি লয় যে— "পঢ়িছোঁ ঠিকেই, কিন্তু একোৱেই মনত বৈ যোৱা নাই!"

তত্ত্বগতভাৱে বিশ্লেষণ কৰিলে দেখা যায় যে মনোযোগ আৰু স্মৃতিশক্তি কোনো জন্মগত অলৌকিক ক্ষমতা নহয়, বৰঞ্চ ই আমাৰ মগজুৰ এক বিশেষ স্নায়ৱিক প্ৰক্ৰিয়া। হাইস্কুল বা উচ্চতৰ মাধ্যমিকৰ দৰে গুৰুত্বপূৰ্ণ সময়ত ছাত্ৰ-ছাত্ৰীৰ ওপৰত যি সামাজিক আৰু মানসিক বোজা থাকে, সি আমাৰ মগজুত থকা 'এমিগডালা' নামৰ অংশটোক অতিমাত্ৰা সক্ৰিয় কৰি তোলে। এই অংশটোৱে ভয় আৰু উদ্বেগ নিয়ন্ত্ৰণ কৰে। যেতিয়া উদ্বেগ বাঢ়ি যায়, মগজুৱে 'ষ্ট্ৰেচ হৰমন' নিঃসৰণ কৰে, যাৰ ফলত মগজুৰ 'প্ৰি-ফ্ৰণ্টাল কৰ্টে" (চিন্তা আৰু মনোযোগ নিয়ন্ত্ৰণকাৰী কেন্দ্ৰ)ৰ কাৰ্যক্ষমতা সাময়িকভাৱে ম্লান হৈ পৰে। ফলস্বৰূপে পঢ়াত মনোযোগ হেৰুওৱা বা পঢ়া বিষয়বোৰ মগজুৱে সংৰক্ষণ কৰিব নোৱৰাৰ দৰে সমস্যাই গা কৰি উঠে। বহু সময়ত ছাত্ৰ-ছাত্ৰীয়ে ইমানবোৰ তথ্য একেলগে দেখি মানসিক চাপত ভোগে, যাৰ ফলত তেওঁলোকৰ শিকাৰ ক্ষমতা স্বাভাৱিকতকৈ হ্ৰাস পায়।

স্মৃতিৰ সংৰক্ষণৰ বাবে 'এনকোডিং', 'ষ্ট'ৰেজ' আৰু 'ৰিট্ৰিএভেল'—এই ত্ৰিমাত্ৰিক স্তৰ অত্যন্ত গুৰুত্বপূৰ্ণ। আমাৰ মগজুটো এটা সুশৃংখল ভঁৰালঘৰৰ দৰে; ইয়াত যদি আমি তথ্যবোৰ কেৱল যান্ত্ৰিক মুখস্থৰ জৰিয়তে বিশৃংখলভাৱে ভৰাই থওঁ, তেন্তে প্ৰয়োজনৰ সময়ত সেইবোৰ সঠিকভাৱে বিচাৰি পোৱা অসম্ভৱ হৈ পৰে। ইয়াৰ বিপৰীতে 'অৰ্থপূৰ্ণ সংযোগ' পদ্ধতি ব্যৱহাৰ কৰিলে, অৰ্থাৎ এটা নতুন ধাৰণাক কোনো পুৰণি জনা তথ্যৰ সৈতে যুক্ত কৰি পঢ়িলে স্মৃতিশক্তি অধিক স্থায়ী হয়। হাইস্কুল বা উচ্চতৰ মাধ্যমিকৰ বিশাল পাঠ্যক্ৰম আয়ত্ত কৰিবলৈ 'স্পেচড্ ৰিহেৰ্চেল' পদ্ধতি বিজ্ঞানসন্মত। যিটো বিষয় আজি পঢ়া হৈছে, সেইটো যদি নিৰ্দিষ্ট সময়ৰ অন্তৰালত পুনৰীক্ষণ কৰা নহয়, তেন্তে মগজুৰ 'পাহৰণিৰ চক্ৰ'ই তাক সম্পূৰ্ণৰূপে মচি পেলায়। পৰীক্ষাৰ এই অন্তিম চাৰিটা দিনত নতুন তথ্য মগজুত ভৰোৱাতকৈ পুৰণি তথ্যবোৰৰ সঠিক ৰিট্ৰিএভেল বা পুনৰুদ্ধাৰ কৰাটোহে অধিক ফলদায়ক।

পৰীক্ষাৰ এই মুহূৰ্তত আন এটা প্ৰধান অন্তৰায় হ'ল 'ডোপামিন' (Dopamine) নামৰ নিউৰোট্ৰেন্সমিটাৰৰ প্ৰভাৱ। ম'বাইল বা সামাজিক মাধ্যমৰ পৰা পোৱা মুহূৰ্তৰ আমোদ-প্ৰমোদে আমাৰ মনোযোগৰ গভীৰতা নষ্ট কৰে। পঢ়া টেবুলত কাষত ম'বাইল ফোন থাকিলে মগজুৱে কিতাপৰ জটিল তথ্য গ্ৰহণ কৰিবলৈ অনীহা প্ৰকাশ কৰে, কাৰণ মগজুৱে সদায় সহজ আনন্দ বিচাৰে। সেয়েহে, পঢ়াৰ মাজত 'পমোড'ৰো' পদ্ধতি অৰ্থাৎ ২৫-৩০ মিনিটৰ নিবিড় অধ্যয়ন আৰু ৫ মিনিটৰ চুটি বিৰতিৰ সমন্বয় ঘটাই মগজুক পুনৰ সতেজ কৰি তোলাটোৱেই হ'ল বুদ্ধিমানৰ কাম। লগতে 'এ'ভি ৰিকল' অৰ্থাৎ পঢ়াৰ পিছত নিজে নিজে মনত পেলাবলৈ চেষ্টা কৰা বা লিখি পঢ়াৰ অভ্যাসে নিউৰনৰ সংযোগসমূহক অধিক শক্তিশালী কৰে। এই পদ্ধতিয়ে মগজুক সঁকীয়াই দিয়ে যে পঢ়া তথ্যখিনি অতি গুৰুত্বপূৰ্ণ।

শাৰীৰিক সুস্থতাই মানসিক একাগ্ৰতাৰ মূল আধাৰ। পৰীক্ষাৰ্থীসকলে প্ৰায়ে নিশা উজাগৰে থাকি পঢ়াৰ এক ভুল সিদ্ধান্ত লয়, যিয়ে মগজুৰ 'হিপ'কেম্পাছ' বা স্মৃতি কেন্দ্ৰৰ ওপৰত বিৰূপ প্ৰভাৱ পেলায়। দৈনিক ৭-৮ ঘণ্টাৰ গভীৰ টোপনি আৰু পৰ্যাপ্ত পানী সেৱনে মগজুৱে তথ্যসমূহ স্থায়ী স্মৃতিৰূপত সংৰক্ষণ কৰাত সহায় কৰে। ইয়াৰ উপৰি, পৰিয়ালৰ পৰিৱেশ আৰু অভিভাৱকৰ ইতিবাচক সঁহাৰিয়ে ছাত্ৰ-ছাত্ৰীৰ মনৰ পৰা ব্যৰ্থতাৰ ভয় আঁতৰাই আত্মবিশ্বাসৰ বীজ সিঁচিব পাৰে। পৰীক্ষাৰ এই যাত্ৰাক লৈ আতংকিত হোৱাৰ পৰিৱৰ্তে ইয়াক এক উৎসৱ হিচাপে গ্ৰহণ কৰিলে মগজুৱে অধিক সক্ৰিয়ভাৱে কাম কৰে।

পৰীক্ষাৰ এই কঠিন যাত্ৰা যেন এক আধুনিক সাগৰ মন্থন। ইয়াত ভয় আৰু ক্লান্তি থাকিবই, কিন্তু যি ছাত্ৰ-ছাত্ৰীয়ে ধৈৰ্য্যৰ বঠাৰে একাগ্ৰতাৰ নাওখন বাই যাব পাৰিব, তেওঁলোকেই অৱশেষত সফলতাৰ মণিকুটত উপস্থিত হ'ব। পঢ়া টেবুলত সেই চাকিটোৰ নিস্প্ৰভ পোহৰতে আচলতে নিজৰ ভৱিষ্যতৰ উজ্জ্বল ছবিখন লুকাই থাকে। ১০ ফেব্ৰুৱাৰী বা ১১ ফেব্ৰুৱাৰীৰ পৰা ভয়ৰ নহয়, বৰঞ্চ নিজৰ মেধা আৰু পৰিশ্ৰমক প্ৰমাণ কৰাৰ এক সুবৰ্ণ সুযোগহে। কলমৰ প্ৰতিটো আঁচেই কাইলৈৰ ইতিহাস গঢ়াৰ একো একোটা বলিষ্ঠ খোজ। ভয়ক জয় কৰি, মগজুৰ শক্তিক বিশ্বাস কৰি আগুৱাই যাব লাগিব— কিয়নো আজিৰ এই নিস্তব্ধ সাধনাই কাইলৈ আকাশৰ বুকুত একো একোটা ধ্ৰুৱতৰা হৈ জিলিকি উঠিব। একাগ্ৰতাই হৈছে পৰীক্ষাৰ্থীৰ সৰ্বশ্ৰেষ্ঠ অস্ত্ৰ আৰু এই অস্ত্ৰৰে তেওঁলোকে যিকোনো বাধা নেওচি সফলতাৰ শিখৰত আৰোহণ কৰিবলৈ সক্ষম হ'ব।

# যুৱ প্ৰজন্মৰ কিতাপৰ প্ৰতি অনিচ্ছা কিয় ?

**বেণুৰাম ৰাভা**

আমি সাধাৰণতে ছাত্ৰ সমাজলৈ আঙুলি টোৱাই সদায় কও যে এইখিনি বয়সতে তোমালোকৰ পঢ়াৰ সময়, এই সময়খিনি তোমালোকে পঢ়াৰ উপৰিও কাম বন কৰাৰ প্ৰতিও মন কাণ দিব লাগে। স্কুল - কলেজৰ কিতাপৰ উপৰিও ছাত্ৰ ছাত্ৰীসকলে দৈনন্দিন জীৱনত অন্য কিতাপ পত্ৰ, আলোচনী, বাতৰি কাকত আদি নিয়মিতভাৱে অধ্যয়ন কৰাটো অত্যন্ত দৰকাৰী বুলি সমাজৰ জ্যেষ্ঠসকলৰ লগতে শিক্ষক শিক্ষয়িত্ৰী উপদেশ দিয়া দেখা যায়। শিক্ষক শিক্ষয়িত্ৰী, জ্যেষ্ঠ সকলোৰ এনে অনুৰোধ, উপদেশ, নিৰ্দেশনাক আওকাণ কৰি আজিৰ ছাত্ৰ সমাজ তথা যুৱ প্ৰজন্মই কিয় ইমান কিতাপৰ প্ৰতি বাৰে বাৰে অনিচ্ছা প্ৰকাশ কৰে। ছাত্ৰ সমাজে এনে উপদেশৰ বিপৰীতে গৈ কিতাপ পঢ়া, আলোচনী অধ্যয়ন, বাতৰি কাকত নিয়মীয়াভাৱে পঢ়াৰ সলনি ম'বাইলত ফেচবুক, ইউটুব, ইষ্টাগ্ৰাম আদিৰ প্ৰতি হে আকৰ্ষিত হোৱা দেখা যায়। অধ্যয়নৰ বাবে আমাক ফেচবুক, ৱেবছাইট, ইষ্টাগ্ৰাম ইউটুবো লাগিব কিছুমান প্ৰশ্নৰ উত্তৰ বিচাৰি নাপালে, কিন্তু ছাত্ৰ সমাজে এইটোও বুজি পাব লাগিব যে কিতাপখনৰ প্ৰতি অনিচ্ছা দেখুওৱা কেৱল চচিয়েল মিডিয়াতে লাগি থাকিম। আজিৰ গতিশীল পৃথিৱীখনত ছ'চিয়েল মিডিয়া আমাক লাগে, লাগিব আৰু লাগি থাকিব, কিন্তু চচিয়েল মিডিয়াৰ পৰোচনাত পৰি যুৱ প্ৰজন্মই আজি নিজৰ জীৱনৰ সৰ্বোচ্চ জ্ঞান, শক্তি, বিবেক আৰু অধ্যয়নবিমুখিতা হৈ পৰিছে। বৰ্তমানৰ প্ৰতিযোগিতাৰ সময়ত নীট, ইউপিএছচি পৰিক্ষাত সৰ্বোচ্চ নম্বৰ লাভ কৰি সমাজৰ বাবে নিজৰ মা দেউতাৰ বাবে গৌৰৱ কঢ়িয়াই অনা প্ৰাৰ্থী কেইজনেও চচিয়েল মিডিয়া ব্যৱহাৰ নকৰাকৈ থাকিব নোৱাৰে। চচিয়েল মিডিয়া আমাৰ কিতাপৰ আধৰুৱা জ্ঞানৰ সম্পূৰ্ণ কৰা এক সমল। সেয়েহে স্কুল কলেজৰ কিতাপ বা অন্য আলোচনী, বাতৰি কাকতত নোপোৱা কথা আমি চচিয়েল মিডিয়াৰ যোগেদি জানিব পাৰোঁ। ছাত্ৰ সমাজ তথা গৱেষকৰ বাবে চচিয়েল মিডিয়া এক গুৰুত্বপূৰ্ণ জ্ঞান আহৰণৰ মাধ্যম। কিন্তু কেৱল চচিয়েল মিডিয়া ব্যৱহাৰ কৰিয়ে জ্ঞান লাভ কৰিব নোৱাৰে। আজিৰ প্ৰতিযোগিতাৰ পৃথিৱীত স্কুলীয়া কিতাপ পত্ৰ, বাতৰি কাকত, আলোচনীৰ উপৰিও জ্ঞান আহৰণৰ বাবে আমি কিছু পৰিমাণে হ'লেও চচিয়েল মিডিয়া ব্যৱহাৰ কৰিবলগীয়া হয়। কিন্তু চচিয়েল মিডিয়াৰ তথ্য কেন্দ্ৰীক শিক্ষাৰ জ্ঞানৰে প্ৰতিযোগিতা পৰীক্ষাত নামি পৰি সৰ্বোচ্চ নম্বৰ লাভ কৰিম বুলি ভাৱি চচিয়েল মিডিয়াৰ সমৃদ্ধ জ্ঞানৰে ছাত্ৰ জীৱনৰ সময়খিনিৰ মন-মগজুৰে অনাগত দিনবোৰত সমাজৰ এগৰাকী সুসন্তান হিচাপে, সমাজক নেতৃত্ব বহন কৰিব পাৰি নে? ভৱিষ্যতৰ সুনাগৰিক হিচাপে নিজকে গঢ়ি তুলিবলৈ ছাত্ৰ সমাজে অধ্যয়নমুখী অভ্যাসেৰে আগবাঢ়ি যাবলৈ তথা সু চিন্তা চৰ্চাৰ মাজেৰে আহি আচাৰ আচৰণৰ উন্নত কৰিবলৈ চচিয়েল মিডিয়াই যথেষ্ট নহয়। বৰ্তমান সময়ত এই প্ৰশ্নৰ উত্তৰ বিচাৰি মানৱ সমাজৰ বাবে আটাইতকৈ ডাঙৰ প্ৰত্যেহ্বান হৈ পৰিছে।



সত্যনাথ বৰাই কৈছিল - ভাল সংগত থাকিলে ভাল হয়, বেয়া সংগত থাকিলে বেয়া হয়। বৰাই এইটোকে ক'ব খুজিছে যে ভাল বন্ধু বান্ধৱী লগত থাকিলে ভাল হয় আৰু বেয়া বন্ধু বান্ধৱীৰ লগত থাকিলে বেয়া হয়। ঠিক একেদৰে আমি চচিয়েল মিডিয়াখিনি ভাল কামৰ বাবে ব্যৱহাৰ কৰিলে ভাল জ্ঞান আহৰণ কৰিব পাৰিম আৰু বেয়া কামৰ বাবে ব্যৱহাৰ কৰিলে বেয়া হ'ব। আজিকালি উঠি অহা চামেই চচিয়েল মিডিয়াক ইমানে ধ্বংসাত্মক ৰূপত ব্যৱহাৰ কৰা পৰিলক্ষিত হয় যে ক্লাচ ষষ্ঠ সপ্তম মানৰ পৰাই হাতে হাতে ম'বাইল লৈ চেল্ফি উঠি, ফটো উঠি চচিয়েল মিডিয়াৰ ফেচবুক, ইনষ্টাগ্ৰাম আদি আপলোড দি আনন্দ উপভোগ কৰি ভাল পাই। ফেচবুক, ইষ্টাগ্ৰামত ৰীলচ বনাই, বিভিন্ন ধৰণৰ ভিডিঅ' বনাই, ঘণ্টা ঘণ্টা ধৰি ফ্ৰী ফায়াৰ গেমই সমাজৰ এটা প্ৰজন্মক খুলি খুলি খাইছে চচিয়েল মিডিয়াই। এই ধৰণৰ অপব্যৱহাৰৰ পৰা দূৰত ৰাখিবলৈ তেওঁলোকক কোনো বুজাব। এই প্ৰতিযোগিতাৰ পৃথিৱীখনত অধ্যয়নমুখী অভ্যাসৰ পৰিৱৰ্তে চচিয়েল মিডিয়াত ডুব গৈ থাকিলে আজিৰ প্ৰজন্মই ভৱিষ্যতে তীব্ৰ হতাশা আৰু হীনমণ্যতাত ডুগি জীৱন অতিবাহিত কৰিব লাগিব এয়া নিশ্চিত। চচিয়েল মিডিয়াই আমাৰ সমাজ ব্যৱস্থাত ইমানে গভীৰভাৱে সোমাই পৰিছে যে স্কুলৰ ছাত্ৰ-ছাত্ৰী সকলে ম'বাইলৰ যোগেদি ৱাটঅপ গ্ৰুপত অন্তৰ্ভুক্ত হ'ব লাগে, স্কুলৰ কৰিবলগীয়া কাম শিক্ষকে ৱাটঅপ গ্ৰুপত জনাব, স্কুলৰ জাননী বোৰ্ডৰ পৰিৱৰ্তে শিক্ষকে এতিয়া ছাত্ৰ-ছাত্ৰী সকলৰ ৱাটঅপ গ্ৰুপত হে জাননী দি জনাই দিয়া দেখা যায়, উপৰিও অনলাইন ক্লাছ, নামভূতিৰ জাননী আদি। এক কথাত ক'বলৈ গলে ম'বাইল অবিহনে এতিয়া বিদ্যালয়ৰ দেওনা পাৰ কৰাটো অত্যন্ত কঠিন হৈ পৰিছে আৰু বিদ্যালয়ত ম'বাইলৰ ব্যৱহাৰ অধিক হোৱাৰ বাবে চাগে উঠি অহা প্ৰজন্মই চচিয়েল মিডিয়াখনত দকৈ ডুব গৈ আছে।

স্কুলীয়া সময় খিনিত শিক্ষকে ছাত্ৰ-ছাত্ৰী সকলক দৰকাৰত চচিয়েল মিডিয়া ব্যৱহাৰ কৰাৰ উপদেশ দিয়াৰ লগতে কিতাপ পঢ়াৰ অভ্যাসটো গঢ়ি তুলিবলৈ শিক্ষাদান কৰিব লাগে। মহৎ লোকৰ বাণী সমূহ অধ্যয়ন কৰিবলৈ উপদেশ দিব লাগে ইয়াৰ উপৰিও নিয়মীয়াকৈ বাতৰি কাকত, স্কুলৰ কিতাপৰ উপৰিও অন্য কিতাপো পঢ়িবলৈ আদেশ উপদেশ দিব লাগে। বিৰতি সময়ত নিজ বিদ্যালয় খনত থকা পুথিভঁৰালত যায় কবিতা, গ্ৰন্থ আদি পঢ়িবলৈ উপদেশ দিব লাগে। ইয়াৰ বাবে শিক্ষক শিক্ষয়িত্ৰী সকলে নিজেই একো একোগৰাকী অধ্যয়নমুখী হৈ কিতাপৰ ভাল বন্ধু হ'ব লাগিব। শিক্ষকে শিক্ষয়িত্ৰী সকলে ছাত্ৰ-ছাত্ৰী সকলক বুজাই দিব লাগিব যে আমি স্কুলীয়া জীৱনত চচিয়েল মিডিয়া ব্যৱহাৰ কৰিব লাগিব কিন্তু কিতাপৰ পৰা আহৰণ কৰা জ্ঞান, সমল পৃথিৱীখনত দ্বিতীয় কোনো জ্ঞান সমল হ'ব নোৱাৰে।

### ১,৪৩৬ কোটি টকাৰ লাভ অৰ্জন, ৭ টকাকৈ লভ্যাংশ ঘোষণা

# অইল ইণ্ডিয়া লিমিটেডৰ তৃতীয় ত্ৰৈমাসিকৰ ফলাফল ঘোষণা

**অসম বাৰ্তা, দুলীয়াজান, ১১ ফেব্ৰুৱাৰী ঃ** দেশৰ শক্তি খণ্ডৰ অন্যতম অগ্ৰণী প্ৰতিষ্ঠান তথা মহাৰত্ন চি পি এছ ই 'অইল ইণ্ডিয়া লিমিটেড' (OIL)-এ আজি চলিত বিত্তীয় বৰ্ষৰ তৃতীয় ত্ৰৈমাসিকৰ (Q3FY26) ফলাফল ঘোষণা কৰিছে। মঙলবাৰে নয়দাত অনুষ্ঠিত কোম্পানীটোৰ সঞ্চালক বৰ্গৰ ৫৭৭ সংখ্যক বৈঠকত এই বিত্তীয় খতিয়ান দাঙি ধৰা হয়। ফলাফল অনুসৰি, অইল ইণ্ডিয়াই চলিত ত্ৰৈমাসিকত ১, ৪৩৬ কোটি টকাৰ একত্ৰিত কৰ-পৰৱৰ্তী লাভ (PAT) অৰ্জন কৰিবলৈ সক্ষম হৈছে। এক প্ৰেছ বিবৃতিযোগে কোম্পানীটোৱে সদৰী কৰা মতে, আন্তঃৰাষ্ট্ৰীয় বজাৰত কেঁচা তেলৰ মূল্য হ্ৰাস পোৱাৰ পাছতো অইল ইণ্ডিয়াই নিজৰ স্থিতি সবল কৰি ৰাখিছে। যোৱা বৰ্ষৰ তুলনাত খাৰুৱা তেলৰ প্ৰতি বেৰেলৰ মূল্য ৭৩.৮২ মাৰ্কিন ডলাৰৰ পৰা ১৫ শতাংশ হ্ৰাস পাই ৬২.৮৪ ডলাৰ হোৱাৰ পৰিপ্ৰেক্ষিতত কোম্পানীটোৰ ষ্টেণ্ডএলোন লাভ কিছু পৰিমাণে হ্ৰাস পাই ৮০৮ কোটি টকা হৈছে। অৱশ্যে সামগ্ৰিকভাৱে প্ৰতিষ্ঠানটোৰ বিত্তীয় ভেটি সুদৃঢ় হৈ আছে। অইল ইণ্ডিয়াৰ সঞ্চালক বৰ্গই শ্বেয়াৰ হোল্ডাৰসকলৰ বাবে প্ৰতিটো ইকুইটি শ্বেয়াৰত ৭.০০ টকাকৈ দ্বিতীয় অন্তৰ্বৰ্তীকালীন লভ্যাংশ ঘোষণা কৰিছে। ইয়াৰ পূৰ্বে কোম্পানীটোৱে ৩.৫০ টকাকৈ প্ৰথমটো লভ্যাংশ প্ৰদান কৰিছিল। পৰিপক্ক তেল পথাৰসমূহৰ পৰা ১.৬৫৯ এমএমটিঅ'ই (MMTOE) তেল আৰু গেছ উৎপাদন কৰাৰ লগতে অইল ইণ্ডিয়াই যোৱা ৩১ ডিচেম্বৰত দৈনিক ৯, ৮৬১ মেট্ৰিক টন খাৰুৱা তেল উৎপাদন কৰি এক নতুন মাইলৰ খুঁটি স্পৰ্শ কৰে। যোৱা এক দশকৰ ভিতৰত এয়া কোম্পানীটোৰ সৰ্বাধিক দৈনিক উৎপাদন। অইল ইণ্ডিয়াৰ সহযোগী প্ৰতিষ্ঠান নুমলীগড় ৰিফাইনাৰী লিমিটেড (NRL)-এ এই ত্ৰৈমাসিকত চমকপ্ৰদ সফলতা প্ৰদৰ্শন কৰিছে। এন আৰ এলৰ লাভৰ পৰিমাণ ১২৫শতাংশ বৃদ্ধি পাই ৮৬৭ কোটি টকা হৈছে। ইয়াৰ উপৰিও চলিত ত্ৰৈমাসিকতে এন আৰ এল-এ কেন্দ্ৰীয় চৰকাৰৰ পৰা 'নৱৰত্ন' মৰ্যাদা লাভ কৰাটো ৰাজ্যখনৰ বাবে এক বিশেষ প্ৰাপ্তি হিচাপে বিবেচিত হৈছে।

## ১৪ মাৰ্চত তিনিচুকীয়াত ৰাষ্ট্ৰীয় লোক আদালতৰ আয়োজন

**ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১১ ফেব্ৰুৱাৰী ঃ** ৰাষ্ট্ৰীয় আইন সেৱা প্ৰাধিকৰণৰ সৌজন্যত অহা ১৪ মাৰ্চ, দ্বিতীয় শনিবাৰে সমগ্ৰ দেশতে অনুষ্ঠিত হ'বলগীয়া ৰাষ্ট্ৰীয় লোক আদালতৰ অংশস্বৰূপে বৰগুৰিস্থিত তিনিচুকীয়া জিলা ন্যায়িক আদালত প্ৰাংগণৰ লগতে শদিয়া, মাৰ্ঘেৰিটা মহকুমা ন্যায়িক দণ্ডাধীশৰ আদালত প্ৰাংগণতো ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত হ'ব। তিনিচুকীয়া জিলা আইন সেৱা প্ৰাধিকৰণৰ উদ্যোগত পুৱা ১০ বজাৰ পৰা অনুষ্ঠিত হ'বলগীয়া উক্ত লোক আদালতত চলি থকা বিভিন্ন গোচৰৰ লগতে গোচৰযোগ্য বিবাদৰো এজন ন্যায়িক বিষয়া আৰু এজন বা তাতোধিক মধ্যস্থতাকাৰীৰে গঠিত লোক আদালত বিচাৰপীঠে পক্ষসমূহৰ সন্মতিক্ৰমে সৌহাৰ্দ্যপূৰ্ণভাৱে আপোচ মীমাংসা কৰিব। প্ৰাক্ লোক আদালতৰ দিন ১৩ মাৰ্চলৈকে ধাৰ্য কৰা হৈছে। উক্ত লোক আদালতত উপস্থাপন হ'বলগীয়া গোচৰৰ পক্ষসমূহক উল্লিখিত তাৰিখ, সময় আৰু স্থানত উপস্থিত থাকিবলৈ ইতিমধ্যে জাননী প্ৰেৰণ কৰা হৈছে বুলি তিনিচুকীয়া জিলা আইন সেৱা প্ৰাধিকৰণ সচিবে জানিবলৈ দিয়াৰ লগতে অধিক তথ্যৰ বাবে কাৰ্যালয়ৰ ই-মেইল dlsatinsukia@gmail.com অথবা ৬৯০১২-৮১৬৪৭ মোবাইল নম্বৰত যোগাযোগ কৰিব পাৰিব বুলি জনাইছে।

### প্ৰতিভা দেৱীলৈ লোকশিল্পী বঁটা-২০২৬

## ১৩ ফেব্ৰুৱাৰীত উদযাপন হ'ব বিশ্ব অনাঁতাৰ দিৱস

**অসম বাৰ্তা, বেবেজীয়া, ১১ ফেব্ৰুৱাৰী ঃ** ২০২৪ বৰ্ষত প্ৰতিষ্ঠা হোৱা মধ্য অসম ৰেডিঅ' শ্ৰোতা সংঘই এইবাৰ বিভিন্ন কাৰ্যসূচীৰে নগাঁও আৰু মৰিগাঁও জিলাৰ সীমামূৰীয়া অঞ্চল দলংঘাটৰ শংকৰ-আজান জাতীয় বিদ্যালয়ত বিশ্ব অনাতাঁৰ দিৱস উদযাপনৰ দিহা কৰিছে। গ্ৰাম্য অঞ্চলৰ ৰাইজৰ মাজত ৰেডিঅ'ৰ গুৰুত্ব অনুধাৱন কৰাৰ বাবে এইবাৰ এই অঞ্চল বাচি লোৱা হৈছে বুলি জানিবলৈ দিয়ে মধ্য অসম ৰেডিঅ' শ্ৰোতা সংঘৰ মুখ্য সঞ্চালক কিৰণ চন্দ্ৰ নাথ আৰু সঞ্চালক ৰাহুল দেৱ বৰদলৈয়ে। অনুষ্ঠানৰ কাৰ্যসূচীৰ অংশ হিচাপে এইবাৰ সংঘই সাজি উলিওৱা এটি বৃহৎ আকাৰৰ আৰ্হি ৰেডিঅ'ৰ জৰিয়তে আকাশবাণী'ৰ প্ৰতি ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ পুৱা দহ বজাৰ পৰা বিশেষ বাহনেৰে কৃষিপ্ৰধান অঞ্চল, জনবহুল অঞ্চল আৰু প্ৰাথমিক বিদ্যালয় লগতে গ্ৰাম্য পথৰ মাজেৰে প্ৰচাৰ চলোৱাৰ পৰিকল্পনা কৰা হৈছে। লগতে নগাঁও জিলাৰ স্বাস্থ্য বিভাগৰ কুষ্ঠ কোষ, যক্ষ্মা বিভাগ প্ৰচাৰ পুস্তিকা বিতঁৰণ কৰাৰ লগতে বিশ্ব অনাতাঁৰ দিৱসৰ বিষয়ে লিখা প্ৰচাৰ পত্ৰ বিতঁৰণ কৰাৰ লক্ষ্য লোৱা হৈছে। এই প্ৰচাৰত অংশ ল'ব সংঘৰ মুখ্য সঞ্চালক কিৰণ চন্দ্ৰ নাথে। এই একে সময়তে যোৱাবাৰ দৰে এই বাৰো কলিয়াবৰত চাইকেলেৰে প্ৰচাৰ চলাব প্ৰগতিশীল কৃষক খগেন বৰাই। বিশ্ব অনাতাঁৰ দিৱস উপলক্ষে দিনৰ ১১ বজাৰ শংকৰ-আজান জাতীয় বিদ্যালয়ত অনুষ্ঠিত হ'ব ছাত্ৰ-ছাত্ৰীৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতা, আকস্মিক বক্তৃতা প্ৰতিযোগিতাৰ পিছতে মুকলি সভা আৰু বিচিত্ৰা অনুষ্ঠান অনুষ্ঠিত হ'ব। এই অনুষ্ঠানতে বিশিষ্ট ব্যক্তিৰ সোঁৱৰণত কেইবাটিও ৰেডিঅ' বিতৰণ কৰাৰ উপৰিও শ্ৰোতা সংঘই প্ৰৱৰ্ত্তন কৰা লোকশিল্পী বঁটা -২০২৬ প্ৰদান কৰা হ'ব শিল্পী প্ৰতিভা দেৱীক।

## ধনীয়াভেটি গাঁও পঞ্চায়তৰ অন্তৰ্ভুক্ত ৬৫ নং বুথত বুথ বিজয় অভিযান

**অসম বাৰ্তা, বটদ্ৰৱা, ১১ ফেব্ৰুৱাৰী ঃ** নগাঁও জিলাৰ ৫৫ নং ধিং বিধানসভা সমষ্টিৰ সংখ্যালঘু এলেকাত চোতালে চোতালে বিজেপিৰ নগাঁও জিলাৰ অ, বি, চি মৰ্চাৰ উপ-সভাপতি গোপাল নাথৰ বুথ বিজয় অভিযানৰে ব্যাপক নিৰ্বাচনী তৎপৰতা। ধিঙৰ সংখ্যালঘু এলেকা ধনীয়াভেটি গাঁও পঞ্চায়তত বুথ বিজয় অভিযানৰে বিজেপিৰ নিৰ্বাচনী তৎপৰতা চলোৱা পৰিলক্ষিত হৈছে। অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কিছু দিন পূৰ্বে বুথ বিজয়ৰ শুভাৰম্ভ কৰাৰ পিছতে সমষ্টিয়েই সমষ্টিয়েই বিজেপিৰ নেতা কৰ্মী সকলে আৰম্ভ কৰিছে বুথ বিজয় অভিযান। সমান্তৰাল ভাৱে আজি নৱগঠিত ধিং সমষ্টিৰ ধনীয়াভেটি গাঁও পঞ্চায়তৰ অন্তৰ্গত ৬৫ নং বুথৰ ঘৰে ঘৰে বিজেপিৰ পদুম ফুল সম্বলিত প্ৰতীক চিহ্নৰ লগতে দলীয় পতাকা আৰি বুথ বিজয় অভিযান চলাই। এই বুথ বিজয় অভিযানত অংশগ্ৰহণ কৰি বিজেপিৰ নগাঁও জিলাৰ অ, বি, চি মৰ্চাৰ উপ-সভাপতি গোপাল নাথে বিজেপি নেতৃত্বাধীন এন ডি এ চৰকাৰে বিগত পাঁচটা বছৰত লাভ কৰা বৃহৎ সফলতাৰ খতিয়ানৰ সন্দৰ্ভত ৰাইজক অৱগত কৰে। এই বুথ বিজয় অভিযানত ৰাইজৰ পৰা বিপুল সঁহাৰি আৰু সমৰ্থন লাভ কৰাৰ লগতে ২০২৬ত অসমত পুনৰ বিজেপি চৰকাৰ গঠন কৰাৰো ৰাইজে সংকল্প গ্ৰহণ কৰা বুলিও সদৰী কৰে। আজিৰ এই বুথ বিজয় অভিযানত ধুনীয়াভেটি গাঁও পঞ্চায়তৰ সভানেত্ৰী পাৰবিনা বেগম, ৬৫ নং বুথৰ সভাপতি শ্বাহা আলম, ফৰিদা আহমেদ, ছিদ্দিকুৰ ৰহমান, বাবুল আৰ্চাৰী আৰু জেহিৰুল ইছলামকে ধৰি দলীয় কাৰ্যকৰ্তা সকলে অংশগ্ৰহণ কৰে।

## শ্ৰীভূমি জিলাৰ আনিপুৰ বজাৰত সিংলা নদীৰ ওপৰৰ ব্ৰিজ ধ্বংস, আতংকিত জনতা - আহতৰ আশংকা

**অসম বাৰ্তা, শ্ৰীভূমি, ১১ ফেব্ৰুৱাৰী ঃ** বুধবাৰে পুৱা প্ৰায় ৯ বজাত শ্ৰীভূমি জিলাৰ আনিপুৰ বজাৰৰ সমীপত সিংলা নদীৰ ওপৰত থকা এখন গুৰুত্বপূৰ্ণ ব্ৰিজ হঠাৎ ভেঙি পৰাত সমগ্ৰ অঞ্চলটোত আতংকৰ সৃষ্টি হয়। দুৰ্ঘটনাৰ সময়ত ব্ৰিজখনৰ ওপৰেৰে কেইবাখনো যানবাহন যাত্ৰা কৰি আছিল বুলি প্ৰত্যক্ষদৰ্শীয়ে জনায়। হঠাতে বিকট শব্দৰ সৈতে ব্ৰিজখনৰ এটা অংশ ধ্বংস হৈ পৰে আৰু কেইবাখনো বাহন নদীৰ তললৈ সৰি পৰে। চাক্ষুষ সাক্ষীৰ বৰ্ণনা অনুসৰি, "এটা ডাঙৰ শব্দ শুনি আমি ওলাই আহোঁ। দেখোঁ গাড়ী কেইখন আধা ঝুলন্ত অৱস্থাত আছে। মানুহে চিঞৰি চিঞৰি সহায় বিচাৰিছিল।" ঘটনাস্থলীত মুহূৰ্ততে হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হয়। স্থানীয় ৰাইজে নিজৰ জীৱনৰ আশংকা উপেক্ষা কৰি উদ্ধাৰ অভিযান আৰম্ভ কৰে। বহু লোকক আঘাতপ্ৰাপ্ত অৱস্থাত উদ্ধাৰ কৰি নিকটৱৰ্তী চিকিৎসালয়লৈ প্ৰেৰণ কৰা হৈছে। আৰক্ষী আৰু বিপদ ব্যৱস্থাপনা বাহিনী ঘটনাস্থলীত উপস্থিত হৈ উদ্ধাৰ আৰু নিয়ন্ত্ৰণ কাৰ্য অব্যাহত ৰাখিছে। আহতৰ সঠিক সংখ্যা এতিয়াও নিশ্চিত কৰা হোৱা নাই যদিও কেইবাজনো লোক আঘাতপ্ৰাপ্ত হোৱা বুলি আশংকা কৰা হৈছে। দুৰ্ঘটনাত কেইবাখনো গাড়ী গুৰুতৰভাৱে ক্ষতিগ্ৰস্ত হৈছে। উল্লেখ্য যে, এই ব্ৰিজখন আনিপুৰ বজাৰ আৰু সংলগ্ন গাঁওসমূহৰ মাজত যাতায়াতৰ একমাত্ৰ প্ৰধান সংযোগ আছিল। ব্ৰিজ ভাঙি পৰাৰ ফলত অঞ্চলটোত যান চলাচল সম্পূৰ্ণৰূপে ব্যাহত হৈছে। স্কুল-কলেজলৈ যোৱা ছাত্ৰ-ছাত্ৰী, বজাৰলৈ অহা ব্যৱসায়ী আৰু দৈনিক যাত্ৰীৰ মাজত অসন্তোষ আৰু উদ্বেগ বৃদ্ধি পাইছে। স্থানীয় ৰাইজে বহুদিন ধৰি ব্ৰিজখনৰ জীৰ্ণ অৱস্থাৰ বিষয়ে প্ৰশাসনক অৱগত কৰি আহিছিল বুলি অভিযোগ উত্থাপন কৰিছে। "আমি আগতেই ক'লোঁ যে ব্ৰিজখন দুৰ্বল হৈ গৈছে, কিন্তু গুৰুত্ব দিয়া হোৱা নাছিল" এজন জ্যেষ্ঠ নাগৰিকে ক্ষোভ প্ৰকাশ কৰে। জিলা প্ৰশাসনে ঘটনাটোৰ তদন্তৰ নিৰ্দেশ দিছে আৰু দুৰ্ঘটনাৰ প্ৰকৃত কাৰণ উদঘাটনৰ আশ্বাস প্ৰদান কৰিছে। সাময়িকভাৱে বিকল্প পথ ব্যৱস্থা কৰাৰ কথা ঘোষণা কৰা হৈছে। এই হৃদয়বিদাৰক ঘটনাই পুনৰ এবাৰ প্ৰশ্ন উত্থাপন কৰিছে-জনসাধাৰণৰ সুৰক্ষাত অৱহেলা কিমান দিন চলিব? আহতসকলৰ দ্ৰুত আৰোগ্য কামনা কৰি সমগ্ৰ অঞ্চল প্ৰাৰ্থনাত মগ্ন।

### নিৰ্ধাৰিত সময় উকলাত থানাত এজাৰ দাখিল

## উত্তৰ শালমাৰাৰ মাঘী অষ্টমীৰ ঐতিহাসিক খাহী খোৱা উৎসৱক লৈ চ'ছিয়েল মিডিয়াত কটু মন্তব্য

**ষ্টাফ ৰিপ'ৰ্টাৰ, বঙাইগাঁও, ১১ ফেব্ৰুৱাৰী ঃ** বঙাইগাঁও জিলাৰ উত্তৰ শালমাৰা মহাদেৱ পাহাৰত প্ৰতিবছৰে অনুষ্ঠিত হোৱা "খাহি খোৱা" উৎসৱক লৈ চ'ছিয়েল মিডিয়াত ধৰ্মীয় অনুভূতিক আঘাত কৰি তুলুঙা মন্তব্য কেন্দ্ৰ কৰি অঞ্চলটোত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। এই সন্দৰ্ভত মহাদেৱ মন্দিৰ পৰিছালনা সমিতিয়ে কালি অভয়াপুৰী থানাত এজাহাৰ দাখিল কৰে। মন্দিৰ পৰিচালনা সমিতিৰ সভাপতি দিলীপ ৰায়, সম্পাদক কৰণ ৰায় স্বাক্ষৰিত এজাহাৰত আচামী হিচাবে উল্লেখ কৰে সমৰেন্দ্ৰ ৰায় আৰু মিনাৰ আলীক। এজাহাৰত উল্লেখ কৰা মতে সমৰেন্দ্ৰ ৰায় নামৰ লোক এজনে মহাদেৱ পাহাৰত পৰম্পৰাগত ভাৱে পালন কৰা ৰজাদিনীয়া খাহী খোৱা উৎসৱক 'এইটো আকৌ কি খাহী খোৱা উৎসৱ' বুলি বুলি ফেচবুকত কৰা মন্তব্যৰ আঁত ধৰি জনৈক মিনাৰ আলী নামৰ এজন ব্যক্তিয়ে বছৰ বছৰ ধৰি চলি অহা পৰম্পৰাৰ বিৰুদ্ধে 'লাহে-লাহে গোবৰ উৎসৱ', 'গো-মূত্ৰ উৎসৱ'ৰো সম্ভাৱনা নথকা নহয় বুলি ফেচবুকত কৰা মন্তব্যৰ পাছতেই উত্তৰ শালমাৰা গাঁৱৰ ৰাইজে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰিছে। উল্লেখ্য যে, মাঘ মাহৰ অষ্টমী তিথিত অতীজৰে পৰা উত্তৰ শালমাৰাৰ মহাদেৱ পাহাৰত এই বিশেষ "খাহি খোৱা উৎসৱ" পালন কৰি থকা হয়। কাইলৈও অনুষ্ঠিত হ'ব খাহী খোৱা উৎসৱ। কিন্তু উক্ত উৎসৱক লৈ কৰা বিৰূপ মন্তব্যৰ পাছতে উত্তৰ শালমাৰাৰ গাঁওবাসীয়ে।

### বান্দৰদেৱাৰ পিছত গহপুৰত খুলিলে অত্যাধুনিক লাউণ্ড্ৰী আৰু ড্ৰাই ক্লিনিং

## নেটৱৰ্কিং বিষয়ত ইঞ্জিনীয়াৰিং ডিগ্ৰীধাৰী ধলপুৰৰ উচ্চ শিক্ষিত যুৱক প্ৰাচুৰ্য শৰ্মাৰ প্ৰকৃত অসমীয়াগিৰি

**অসম বাৰ্তা, গহপুৰ, ১১ ফেব্ৰুৱাৰী ঃ** লখিমপুৰ জিলাৰ ধলপুৰৰ গণকদলনিৰ অৱসৰপ্ৰাপ্ত শিক্ষক সত্য নাৰায়ণ শৰ্মা আৰু শিক্ষয়িত্ৰী মঞ্জু দেৱীৰ উচ্চ শিক্ষিত পুত্ৰ প্ৰাচুৰ্য শৰ্মাই কৰ্মৰ জৰিয়তে প্ৰকৃত অসমীয়াগিৰি দেখুৱাই নৱ প্ৰজন্মৰ বাবে হৈ পৰিছে আদৰ্শৰ প্ৰতীক। বাংগালুৰুৰ পৰা নেটৱৰ্কিং বিষয়ত ইঞ্জিনীয়াৰিং ডিগ্ৰীধাৰী প্ৰাচুৰ্য শৰ্মাই ইম্ফচিছ নামৰ এটা কোম্পানীত এবছৰ চাকৰি কৰাৰ পিছত চাকৰি এৰি নিজাববীয়াকৈ কিবা এটা কৰাৰ মানসেৰে প্ৰথমে লখিমপুৰ জিলাৰ বান্দৰদেৱাত অত্যাধুনিক প্ৰযুক্তিৰে বিজ্ঞান সন্মত ভাৱে আৰম্ভ কৰে লাউণ্ড্ৰী আৰু ড্ৰাই ক্লিনিং। কঠোৰ পৰিশ্ৰম, একাগ্ৰতা আৰু সমৰ্পিত মনেৰে কাম কৰি ভাল পোৱা প্ৰাচুৰ্য শৰ্মাই সমান্তৰলকৈ লখিমপুৰত এখন পেট শ্বপ আৰু একুৰিয়ামৰ বিপণীও খোলে। নিজৰ কৰ্মদ্যোমৰ বলত দুয়োটা ব্যৱসায়ত তেওঁ লাহে লাহে সফলতা অৰ্জন কৰে। অসমীয়া যুৱকে সাধাৰণতে কাপোৰ ধোৱা, ইস্ত্ৰি কৰাৰ দৰে কাম কৰিবলৈ লাজ কৰে যদিও শিক্ষিত আৰু সংস্কৃতিৱান পৰিয়ালৰ সংস্কাৰী আৰু স্বাধীনচিতীয়া মনৰ যুৱক প্ৰাচুৰ্যই স্বাৱলম্বনৰ পথ হিচাপে সেই পথকে অৱলম্বন কৰি আন দহজনকো কৰ্মসংস্থাপন দিবলৈ সক্ষম হয়। গহপুৰ নগৰৰ হাজৰিকা চুকৰ ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ উত্তৰ দিশে "পাৰ্ফেক্ট ক্লিন" নামেৰে তেওঁ আন এখন আধুনিক লাউণ্ড্ৰী আৰু ড্ৰাই ক্লিনিঙৰ ব্যৱসায়িক প্ৰতিষ্ঠান আৰম্ভ কৰে প্ৰাচুৰ্য শৰ্মাই। আজি আনুষ্ঠানিকভাৱে ফিতা কাটি উক্ত প্ৰতিষ্ঠানখন মুকলি কৰে গহপুৰ ব্যৱসায়ী সন্থাৰ সাধাৰণ সম্পাদক অশ্বিনী বৰমূদৈয়ে। শুভাৰম্ভ অনুষ্ঠানত উদ্যোগ আৰু বাণিজ্য বিভাগৰ সহকাৰী সঞ্চালক উজ্জ্বল গোস্বামী, জ্যেষ্ঠ সাংবাদিক ভুবন শইকীয়া, নৱজিৎ শইকীয়া, স্থানীয় যুৱক ভুৱন হাজৰিকাৰ লগতে প্ৰাচুৰ্য শৰ্মাৰ পিতৃ মাতৃকে ধৰি একাংশ স্থানীয় লোক উপস্থিত থাকে।

### ৰাজহুৱা পথ নিৰ্মাণত বাধা একাংশ অসাধু চক্ৰৰ

## বিন্নাকান্দিৰ খণ্ড উন্নয়ন বিষয়ালৈ ৰাজহুৱা পত্ৰ দাখিল

**অসম বাৰ্তা, ডবকা, ১১ ফেব্ৰুৱাৰী ঃ** হোজাই জিলাৰ বিন্নাকান্দি উন্নয়ন খণ্ডৰ অধীনস্থ যোগীজানৰ পৰা নতুনকৈ সংযোগ হোৱা হিন্দুব্লক গাঁও পঞ্চায়তৰ অন্তৰ্গত ৬ নং ৱাৰ্ডৰ যমুনা মথাউৰিৰ পৰা তাজাম্মুল আলী হাউচ ভায়া মাষ্টাৰ কলনী চিচি ব্লক পথ নিৰ্মাণ আঁচনি খনক কেন্দ্ৰ কৰি সংবাদ মাধ্যমত এটা চক্ৰই উত্থাপন কৰা প্ৰায় ৩০ লাখ টকা আত্মসাতৰ অভিযোগ সম্পূৰ্ণ ভিত্তিহীন, বিভ্ৰান্তিমূলক আৰু উদ্দেশ্য প্ৰণোদিত বুলি স্থানীয় প্ৰায় ডেৰ শতাধিক ৰাইজে বিন্নাকান্দি খণ্ড উন্নয়ন বিষয়ালৈ লিখিত পত্ৰ দাখিল কৰে। স্থানীয় ৰাইজৰ মতে উক্ত পথচোৱা নিৰ্মাণত কোনো ধৰণৰ অনিয়ম বা অবৈধতা সংঘটিত হোৱা নাই বুলি স্পষ্ট কৰে। লগতে অভিযোগত উল্লেখ কৰা তথাকথিত পকেট টেণ্ডাৰ ব্যৱহাৰৰ অভিযোগ সম্পূৰ্ণ ভুৱা আৰু ভিত্তিহীন বুলি স্থানীয় ৰাইজে কয় যে, সকলো টেণ্ডাৰ চৰকাৰী বিধি-বিধান আৰু নিৰ্দিষ্ট প্ৰক্ৰিয়া অনুসৰণ কৰিয়েই আহ্বান কৰা হৈছে। ইফালে, যমুনা গাঁও পঞ্চায়তৰ প্ৰাক্তন কাউন্সিলাৰ ইকবাল আহমেদৰ বিৰুদ্ধে উত্থাপিত হোৱা প্ৰৱঞ্চনা, ব্লেকমেইলিং আদি অভিযোগকো খণ্ডন কৰে স্থানীয় ৰাইজে। উল্লেখ্য যে কিছু অসাধু চক্ৰই ব্যক্তিগত স্বাৰ্থসিদ্ধিৰ উদ্দেশ্যে ইকবাল আহমেদৰ সামাজিক মান-সন্মান ক্ষুণ্ণ কৰিবলৈ এই ধৰণৰ মিছা অভিযোগ প্ৰচাৰ কৰা হৈছে। উন্নয়নমূলক কাম-কাজক লৈ এনেধৰণৰ অপপ্ৰচাৰ চলাই অঞ্চলটোৰ শান্তি-সম্প্ৰীতি বিঘ্নিত কৰাৰ প্ৰচেষ্টা বন্ধ কৰিবলৈ সকিয়াই দিয়ে স্থানীয় ৰাইজে। ইতিমধ্যে স্থানীয় ৰাইজে খণ্ড উন্নয়ন বিষয়াক সমগ্ৰ বিষয়ে অৱগত কৰি কয় যে, হিন্দুব্লক পঞ্চায়তৰ অন্তৰ্গত ৬ নং ৱাৰ্ডত নিৰ্মাণ কাৰ্য চলি থকা আধৰুৱা হৈ থকা পথটোৰ বাকী থকা ধন সমূহ মুকলাই দিবলৈ অনুৰোধ জনায়।

## হৰেন চন্দ্ৰ দাসক সভাপতি ভৱানন্দ আঠপৰীয়াক সম্পাদক হিচাপে লৈ পঞ্চতীৰ্থ শিশু শংকৰদেৱ বিদ্যা নিকেতনৰ নতুন পৰিচালনা সমিতি গঠন

**অসম বাৰ্তা, হাজো, ১১ ফেব্ৰুৱাৰী ঃ** হাজোৰ অগ্ৰণী শিক্ষানুষ্ঠান পঞ্চতীৰ্থ শিশু শংকৰদেৱ বিদ্যা নিকেতনৰ আগন্তুক তিনি বছৰৰ বাবে নতুন পৰিচালনা সমিতি গঠন কৰা হৈছে। হৰেন চন্দ্ৰ দাসক সভাপতি আৰু ভৱানন্দ আঠপৰীয়াক সম্পাদক হিচাপে লৈ ১৫ জনীয়া সমিতিখন শিশু শিক্ষা সমিতি, অসমে আজি অনুমোদন জনায়। নৱগঠিত সমিতি খনৰ উপ সভাপতি পদত শৰৎ নায়ক, ভগেন চন্দ্ৰ দাস, সহঃ সম্পাদক কলিন্দ্ৰ তালুকদাৰ, কোষাধ্যক্ষ অনিপ চন্দ্ৰ ভৰালী আৰু সাংগঠনিক সম্পাদক হিচাপে টংকেশ্বৰ তালুকদাৰে (প্ৰধানাচাৰ্য) দায়িত্ব গ্ৰহণ কৰে। আনহাতে সদস্য হিচাপে আছে অনিল চন্দ্ৰ দাস, কবিন চন্দ্ৰ দাস, প্ৰণতি নায়ক দাস, বিজয়া বৰুৱা, কমল কুমাৰ দাস, বলেন চন্দ্ৰ দাস, মনোনীত সদস্য ক্ৰমে প্ৰবীণ চন্দ্ৰ মেধি আৰু বনানী দাস। শিশু শিক্ষা সমিতি, অসমৰ বিদ্যালয় পৰিচালনা সমিতিৰ নিয়ম আৰু বিনিয়ম অনুসৰি নৱগঠিত পঞ্চতীৰ্থ শিশু শংকৰদেৱ বিদ্যা নিকেতনৰ পৰিচালনা সমিতিখন ২৮ জানুৱাৰী ২০২৯ চনলৈ বাহাল থাকিব বুলি শিশু শিক্ষা সমিতি অসমে অনুমোদন পত্ৰৰ জৰিয়তে জানিবলৈ দিয়ে।

## লিডুত টিৰাপ মুক্ত খনন প্ৰকল্পৰ ব্যাপক প্ৰস্তুতি; বন অধিকাৰ আইনৰ NOC সন্দৰ্ভত গুৰুত্বপূৰ্ণ সভা

**অসম বাৰ্তা, মাৰ্ঘেৰিটা, ১১ ফেব্ৰুৱাৰী ঃ** তিনিচুকীয়া জিলাৰ লিডুস্থিত উত্তৰ-পূব কয়লাক্ষেত্ৰ (NEC), ক'ল ইণ্ডিয়া লিমিটেডৰ অধীনস্থ টিৰাপ মুক্ত খনন প্ৰকল্প (Tirap OCP) পুনৰ আৰম্ভ কৰাৰ দিশে এক গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰা হৈছে। আজি লিডু কলিয়ৰী গাঁও পঞ্চায়ত কাৰ্যলয় চৌহদত পঞ্চায়ত সভানেত্ৰী তথা বন অধিকাৰ সমিতিৰ সভানেত্ৰী দিব্য গগৈৰ সভাপতিত্বত এই সন্দৰ্ভত এক বিশেষ সভা অনুষ্ঠিত হয়। শালিকি সংৰক্ষিত বনক্ষেত্ৰৰ ৪০.২৮ হেক্টৰ ভূমি ব্যৱহাৰৰ বিপৰীতে কেন্দ্ৰীয় পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ৰ পৰা চূড়ান্ত অনুমোদন লাভৰ বাবে এই প্ৰক্ৰিয়া চলোৱা হৈছে। বন অধিকাৰ আইন (FRA 2006): 'অনুসূচীত জনজাতি আৰু অন্যান্য পৰম্পৰাগত বনবাসী (বন অধিকাৰ স্বীকৃতি) আইন ২০০৬' অনুসৰি প্ৰকল্পটোৰ বাবে প্ৰয়োজনীয় NOC (অনাপত্তি প্ৰমাণপত্ৰ) প্ৰাপ্তিৰ লক্ষ্যৰে এই সজাগতা তথা সন্মতি প্ৰক্ৰিয়া আগবঢ়াই নিয়া হৈছে। এই প্ৰকল্পটোৰ জৰিয়তে বছৰেকীয়া ০.৬ মেট্ৰিক টন কয়লা উলিওৱাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে ক'ল ইণ্ডিয়া কৰ্তৃপক্ষই। আজিৰ এই কাৰ্যসূচী লিডু কলিয়ৰী গাঁও পঞ্চায়তৰ উদ্যোগত অনুষ্ঠিত হয়। সভাত স্থানীয় ৰাইজ, পঞ্চায়ত প্ৰতিনিধি আৰু ক'ল ইণ্ডিয়াৰ বিষয়া লগতে মাৰ্ঘেৰিটা সম-জিলা প্ৰশাসনৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰি প্ৰকল্পটোৰ পৰিৱেশগত আৰু সামাজিক প্ৰভাৱৰ ওপৰত আলোচনা কৰে। শালিকি সংৰক্ষিত বনাঞ্চলৰ ৪০.২৮ হেক্টৰ ভূমিৰ বিপৰীতে বনবাসী লোকসকলৰ অধিকাৰ সুৰক্ষিত কৰি কেনেদৰে খনিটো সক্ৰিয় কৰিব পৰা যায়, সেয়া এতিয়া লক্ষণীয় হ'ব। এই প্ৰকল্পই স্থানীয় নিয়োগ আৰু অৰ্থনীতিত বিশেষ প্ৰভাৱ পেলাব বুলি আশা কৰা হৈছে।

## হোজাই জিলাৰ সকলো অনুজ্ঞাপত্ৰপ্ৰাপ্ত আগ্নেয়াস্ত্ৰ জমা দিয়াৰ নিৰ্দেশ জিলা দণ্ডাধীশৰ

**অসম বাৰ্তা, মোৰাঝাৰ, ১১ ফেব্ৰুৱাৰী ঃ** সমাগত ২০২৬ ৰ অসম বিধানসভা নিৰ্বাচন। নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত হোজাই জিলাত শান্তি-শৃংখলা বজাই ৰখাৰ লগতে নিৰ্বাচন প্ৰক্ৰিয়া মুক্ত, নিকা আৰু শান্তিপূৰ্ণভাৱে সম্পন্ন কৰাৰ লক্ষ্যৰে জিলা দণ্ডাধীশ বিদ্যুৎ বিকাশ ভাগৱতীয়ে এক গুৰুত্বপূৰ্ণ আদেশ জাৰি কৰিছে। ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা (BNSS), ২০২৩-ৰ ধাৰা ১৬৩, অস্ত্ৰ আইন ১৯৫৯-ৰ ধাৰা ২১ আৰু গণপ্ৰতিনিধিত্ব আইন ১৯৫১-ৰ ধাৰা ১৩৪-বি-ৰ অধীনত এই নিৰ্দেশনা প্ৰদান কৰা হৈছে। এই আদেশ অনুসৰি, জিলাখনৰ সকলো অনুজ্ঞাপত্ৰপ্ৰাপ্ত অস্ত্ৰধাৰীয়ে এই নিৰ্দেশ জাৰি হোৱাৰ ১০ দিনৰ ভিতৰত নিজৰ আগ্নেয়াস্ত্ৰ আৰু গুলী-বাৰুদ নিকটৱৰ্তী আৰক্ষী থানাত জমা দিবলৈ জাননী জাৰি কৰিছে। নিৰ্বাচনী প্ৰক্ৰিয়া সম্পূৰ্ণ নোহোৱালৈকে কোনো ব্যক্তিয়ে ৰাজহুৱা স্থান, ভোটগ্ৰহণ কেন্দ্ৰ বা ইয়াৰ আশে-পাশে কোনো ধৰণৰ আগ্নেয়াস্ত্ৰ বা মাৰাত্মক অস্ত্ৰ বহন অথবা প্ৰদৰ্শন কৰিব নোৱাৰিব। জমা দিয়া অস্ত্ৰসমূহ নিৰ্বাচনৰ ফলাফল ঘোষণা হোৱাৰ পাছত সংশ্লিষ্ট আৰক্ষী থানাই প্ৰদান কৰা ৰচিদৰ ভিত্তিত অনুজ্ঞাপত্ৰধাৰী সকলে নিজৰ অস্ত্ৰসমূহ ওভতাই ল'ব পাৰিব। এই আদেশ কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনী (CAPF), আৰক্ষী বাহিনী আৰু ৰাষ্ট্ৰীয়কৃত/ব্যক্তিগত বেংকৰ নিৰাপত্তাৰক্ষীৰ (য'ত নগদ ধন সুৰক্ষাৰ বাবে অস্ত্ৰৰ প্ৰয়োজন হয়) ক্ষেত্ৰত প্ৰযোজ্য নহ'ব। লগতে ৰাষ্ট্ৰীয় ৰাইফল এছ'চিয়েচনত পঞ্জীয়নভুক্ত খেলুৱৈসকলক ৰেহাই দিয়া হৈছে, যদিও ইয়াৰ বাবে তেওঁলোকে পৃথকে অব্যাহতিৰ অনুমতি পত্ৰ ল'ব লাগিব। এই চৰকাৰী আদেশ উলংঘা কৰা যিকোনো ব্যক্তিৰ বিৰুদ্ধে সংশ্লিষ্ট আইনৰ অধীনত কঠোৰ আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি জনাই দিয়ে জিলা আয়ুক্তই।

### কেবিনেট মন্ত্ৰী ৰূপেশ গোৱালাৰ ব্যক্তিগত সহায়কৰ কৰ্ম-কাণ্ডক লৈ সৰ্বত্ৰে প্ৰতিক্ৰিয়া

## মেট্ৰিক আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা চলি থকাৰ মাজতে ডুমডুমাত নিশা সাংস্কৃতিক অনুষ্ঠান

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ১৩ ফেব্ৰুৱাৰী ঃ** যি সময়ত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মেট্ৰিক আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা চলি থকাৰ সময়ত ৰাজ্যত সাংস্কৃতিক অনুষ্ঠান তথা উচ্চস্বৰত মাইক বজোৱা নিষিদ্ধ কৰিছে, সেই সময়তে বৃহস্পতিবাৰে সন্ধিয়া চাহ নগৰী ডুমডুমাৰ মাজমজিয়াত ৭০ লাখ টকাৰে "মিছ ৰাধিকা সুন্দৰী - ২০২৬" নামৰ এটা অতি জাক জমকতাময় সৌন্দৰ্য প্ৰতিযোগিতাৰ লগতে সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰাক লৈ সমগ্ৰ চাহ নগৰীখনতে ব্যাপক প্ৰতিক্ৰিয়া সৃষ্টি হোৱা পৰিলক্ষিত হৈছে। একাংশ সচেতন মহলে ডুমডুমাৰ ইতিহাসত ই এক নোহোৱা-নোপোজা ঘটনা আখ্যা দিয়াৰ লগতে অনুষ্ঠানৰ মূল আয়োজক তথা কাণ্ডাৰী বিকি পল টপ্পৰ ভূমিকাক দিয়া পৰিলক্ষিত হৈছে। উল্লেখ্য যে, এই বিকি পল টপ্প হৈছে ৮২ নং ডুমডুমা বিধানসভা সমষ্টিৰ যুৱ বিধায়ক তথা অসম চৰকাৰৰ শ্ৰমিক কল্যাণ, চাহ জনজাতি আৰু আদিবাসী কল্যাণ আৰু গৃহ বিভাগ (কাৰাগাৰ, গৃহৰক্ষী আৰু অসামৰিক প্ৰতিৰক্ষা)ৰ মন্ত্ৰী ৰূপেশ গোৱালাৰ ব্যক্তিগত সহায়ক। আটাইতকৈ গুৰুত্বপূৰ্ণ কথা এয়ে যে ডুমডুমা সমষ্টিৰ ৰাইজৰ একেবাৰে অচিনাকি ডিব্ৰুগড়ৰ এই বিকি পল টপ্পই নেফটি (NEFTY) নামৰ এটা এন জি অ' (NGO)ৰ গইনা লৈ প্ৰায় ৭০ লাখ টকা বাজেটেৰে অনুষ্ঠিত কৰা উক্ত প্ৰতিযোগিতা আৰু সাংস্কৃতিক অনুষ্ঠান যিডোখৰ স্থানত অনুষ্ঠিত কৰে, তাৰ পৰা মাত্ৰ ৫০-৭০ মিটাৰ কাষতে অৱস্থিত পি এম শ্ৰী ডুমডুমা হুনলাল উচ্চতৰ মাধ্যমিক বিদ্যালয়, যিটো সম্প্ৰতি চলি থকা মেট্ৰিক পৰীক্ষাৰ এটা পৰীক্ষা কেন্দ্ৰ। চাহ নগৰী ডুমডুমাৰ মাজমজিয়াস্থিত নগৰ খেলপথাৰত ১২ ফেব্ৰুৱাৰীৰ সন্ধিয়া অনুষ্ঠিত হৈ যোৱা উক্ত প্ৰতিযোগিতা তথা সাংস্কৃতিক অনুষ্ঠানত অতি উচ্চ স্বৰত সংগীত বজোৱাৰ উপৰি ফটকা আতচবাজী ফুটাই হাজাৰ হাজাৰ লোকৰ সমাগম তথা বিশাল আয়োজনেৰে সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰাত ডুমডুমা নগৰবাসীৰ লগতে মেট্ৰিক আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ হোৱা ডুমডুমা নগৰ এলেকাৰ পৰীক্ষাৰ্থীসকল বাৰুকৈয়ে প্ৰভাৱান্বিত হয়। অনুষ্ঠানস্থলীৰ কাষতে লাগি থকা বিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ তথা বৰ্তমানৰ পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি তথা অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী ৰূপেশ গোৱালাই ডুমডুমা নগৰৰ পৰীক্ষাৰ্থীসকলৰ কথা অকণো চিন্তা নকৰাত অভিভাৱকসকলৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। অনুষ্ঠানৰ আয়োজকে উচ্চ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা চলি থকাৰ মাজতে বিশাল আৰু ব্যাপক আয়োজনেৰে এক জাক জমকতাময় সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰাত ডুমডুমাৰ সচেতন তথা বৌদ্ধিক মহলত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱা পৰিলক্ষিত হৈছে। উল্লেখ্য যে, ৰাজ্যৰ চাহ জনগোষ্ঠী আৰু আদিবাসী যুৱতীসকলৰ মাজত যোৱা বৰ্ষৰ পৰা নেফটি (NEFTY) নামৰ সংস্থাটোৰ উদ্যোগত অনুষ্ঠিত হৈ আহিছে এই অনুষ্ঠান তথা প্ৰতিযোগিতা। ১২ ফেব্ৰুৱাৰীত অনুষ্ঠিত হয় চলিত বৰ্ষৰ প্ৰতিযোগিতাখনিৰ চূড়ান্ত ৰাউণ্ড। অনুষ্ঠানত পদ্মশ্ৰী দুলাল মানকি, জনপ্ৰিয় কণ্ঠশিল্পী কৃষ্ণমণি চুতীয়া, জনপ্ৰিয় কণ্ঠশিল্পী অৰ্জুন লাক্ৰা, ৰাকেশ ৰিয়ান, ৰিচা ভৰদ্বাজ, সাংবাদিক চক্ৰপাণি পৰাশৰ, জনপ্ৰিয় অভিনেতা-গায়ক নয়ন নীলিম, জনপ্ৰিয় ইউটিবাৰ তথা সমাজসেৱক সময় গগৈৰ লগতে আন বহু কেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানৰ আঁত ধৰে চক্ৰপাণি পৰাশৰ আৰু তৃষ্ণাই।

## ‘সেৱা তীৰ্থ’ প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ৰ নতুন ঠিকনা

নৰেন্দ্ৰ মোদীয়ে নতুন দিল্লীৰ কৰ্তব্য পথত অৱস্থিত ‘সেৱা তীৰ্থ’ আৰু কৰ্তব্য ভৱন-১ আৰু কৰ্তব্য ভৱন-২ আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব। এই উদ্বোধনৰ লগে লগে প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ৰ ঠিকনা সলনি হ’ব আৰু ‘সেৱা তীৰ্থ’ হ’ব ইয়াৰ নতুন স্থান। ১৯৪৭ চনত ভাৰতৰ স্বাধীনতাৰ পিছৰে পৰা ৰাইছিনা হিলছৰ দক্ষিণ ব্লকত (South Block) থকা প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়টো এতিয়া নতুন ঠিকনালৈ স্থানান্তৰিত হ’ব। এই পৰিৱৰ্তনে এটা দীৰ্ঘ যুগৰ অৱসান ঘটাব আৰু ভাৰতৰ প্ৰশাসনিক ব্যৱস্থাত এক নতুন অধ্যায়ৰ সূচনা কৰিব। দিনৰ প্ৰায় ১.৩০ বজাত প্ৰধানমন্ত্ৰী মোদীয়ে ‘সেৱা তীৰ্থ’ নামটো আনুষ্ঠানিকভাৱে ঘোষণা কৰিব। তাৰ পিছত দক্ষিণ ব্লকত বিশেষ কেবিনেট বৈঠক অনুষ্ঠিত হ’ব, যিখন সম্ভৱতঃ দক্ষিণ ব্লকত অনুষ্ঠিত হোৱা অন্তিম কেবিনেট বৈঠক হ’ব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ৰ মতে, এই উদ্বোধনী অনুষ্ঠানে ভাৰতৰ প্ৰশাসনিক গাঁথনিত এক পৰিৱৰ্তনশীল মাইলৰ খুঁটি হিচাপে পৰিগণিত হ’ব। ই আধুনিক, দক্ষ, সুলভ আৰু নাগৰিককেন্দ্ৰিক শাসন ব্যৱস্থা গঢ়ি তোলাৰ প্ৰতি প্ৰধানমন্ত্ৰীৰ দায়বদ্ধতাক প্ৰতিফলিত কৰিব। দশক দশক ধৰি কেইবাটাও মূল চৰকাৰী কাৰ্যালয় আৰু মন্ত্ৰালয় চেণ্ট্ৰেল ভিষ্টা অঞ্চলৰ বিভিন্ন স্থানত বিয়পি আছিল। এই বিস্তাৰৰ ফলত কাৰ্যকৰী অদক্ষতা, সমন্বয়ৰ অভাৱ, বৃদ্ধি পোৱা ৰক্ষণাবেক্ষণ ব্যয় আৰু অনুপযুক্ত কৰ্ম পৰিৱেশৰ সৃষ্টি হৈছিল। নতুন ব্যৱস্থাই এই সমস্যাসমূহৰ সমাধান কৰিব। ‘সেৱা তীৰ্থ’ত প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ৰ লগতে ৰাষ্ট্ৰীয় নিৰাপত্তা পৰিষদৰ সচিবালয় আৰু কেবিনেট সচিবালয় অন্তৰ্ভুক্ত হ’ব। এই কাৰ্যালয়সমূহ পূৰ্বতে বিভিন্ন স্থানত আছিল। কৰ্তব্য ভৱন-১ আৰু -২ত বিত্ত মন্ত্ৰালয়, প্ৰতিৰক্ষা মন্ত্ৰালয়, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়, কৰ্প’ৰেট পৰিক্ৰমা মন্ত্ৰালয়, শিক্ষা মন্ত্ৰালয়, সাংস্কৃতিক মন্ত্ৰালয়, আইন আৰু ন্যায় মন্ত্ৰালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়, ৰাসায়নিক আৰু সাৰ মন্ত্ৰালয় আৰু জনজাতীয় পৰিক্ৰমা মন্ত্ৰালয়কে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ মন্ত্ৰালয় স্থান লাভ কৰিছে। দুয়োটা ভৱনৰ চৌহদত ডিজিটেলভাৱে সংহত কাৰ্যালয়, সুসংগঠিত ৰাজহুৱা যোগাযোগৰ স্থান আৰু কেন্দ্ৰীভূত অভ্যৰ্থনাৰ সুবিধা আছে। এই বৈশিষ্ট্যসমূহে সহযোগিতা, দক্ষতা, মসৃণ শাসন, নাগৰিক অংশগ্ৰহণ আৰু কৰ্মচাৰীৰ কল্যাণ বৃদ্ধি কৰাত সহায় কৰিব। এই অট্টালিকাসমূহ চাৰি তাৰকাযুক্ত GRIHA মানদণ্ড অনুসৰি নিৰ্মিত। ইয়াত নবীকৰণযোগ্য শক্তি ব্যৱস্থা, পানী সংৰক্ষণ, আৱৰ্জনা ব্যৱস্থাপনা আৰু উচ্চ কাৰ্যক্ষম গঠন অন্তৰ্ভুক্ত। এই ব্যৱস্থাসমূহে কাৰ্যকৰী দক্ষতা বৃদ্ধিৰ লগতে পৰিৱেশৰ প্ৰভাৱ হ্ৰাস কৰে। ভৱনসমূহত স্মাৰ্ট প্ৰৱেশ নিয়ন্ত্ৰণ, উন্নত নিৰীক্ষণ ব্যৱস্থা আৰু জৰুৰীকালীন ব্যৱস্থাৰ আন্তঃগাঁথনিৰ দৰে উন্নত সুৰক্ষা ব্যৱস্থা আছে, যিয়ে নিৰাপদ পৰিৱেশ নিশ্চিত কৰে। বিগত বৰ্ষৰ আগষ্ট মাহত প্ৰধানমন্ত্ৰীয়ে কৰ্তব্য ভৱন-৩ উদ্বোধন কৰিছিল। ইয়াত গৃহ পৰিক্ৰমা মন্ত্ৰালয়, বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়, গ্ৰাম্য উন্নয়ন মন্ত্ৰালয়, এম এছ এম ই মন্ত্ৰালয়, প্ৰযুক্তি বিভাগ, পেট্ৰ’লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয় আদি মন্ত্ৰালয় আছে। ‘সেৱা তীৰ্থ’ (Executive Enclave) নিৰ্মাণৰ দায়িত্ব লাৰ্চেন এণ্ড টোব্ৰ’ৰ ওপৰত আছিল। ২২৬, ২০৩ বৰ্গফুট এলেকাজুৰি এই চৌহদ নিৰ্মাণত ১, ১৮৯ কোটি টকা ব্যয় হৈছে। প্ৰধানমন্ত্ৰীৰ বাবে নতুন বাসগৃহ ‘Executive Enclave Part 2’ নিৰ্মাণ চলি আছে। সম্পূৰ্ণ হ’লে ৭ লোক কল্যাণ মাৰ্গৰ পৰা তাত স্থানান্তৰ হ’ব। ‘কৰ্তব্য ভৱন’সমূহ চেণ্ট্ৰেল ভিষ্টা পুনৰ উন্নয়ন প্ৰকল্পৰ অংশ। ইয়াত নতুন সংসদ ভৱন, সাংসদৰ চেম্বাৰ, চেণ্ট্ৰেল ভিষ্টা এভিনিউ, ১০টা কমন চেণ্ট্ৰেল সচিবালয় ভৱন আদি অন্তৰ্ভুক্ত। লগতে ৰাষ্ট্ৰীয় অভিলেখাগাৰ, নতুন আই জি এন চি এ ভৱন, নিৰাপত্তা বিষয়াৰ সুবিধা, উপ-ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীৰ বাসগৃহ আদিও আছে। প্ৰকল্পৰ লক্ষ্য ৰাষ্ট্ৰপতি ভৱন আৰু ইণ্ডিয়া গেটৰ মাজৰ ৩ কিলোমিটাৰ কৰ্তব্যপথৰ নবীকৰণ আৰু নৰ্থ-দক্ষিণ ব্লকক ৰাজহুৱা সংগ্ৰহালয়লৈ ৰূপান্তৰিত কৰা। এই ঐতিহাসিক স্থানান্তৰে ভাৰতৰ শাসন ব্যৱস্থাক অধিক আধুনিক আৰু নাগৰিককেন্দ্ৰিক কৰি তুলিব বুলি আশা কৰা হৈছে।

## বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতি

আয়োগৰ এটা উচ্চপদস্থ দল অহা ১৬ ফেব্ৰুৱাৰীৰ পৰা তিনিদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব। মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ নেতৃত্বত এই দলত নিৰ্বাচন আয়ুক্তসকল ড° সুখবীৰ সিং সন্ধু আৰু ড° বিবেক যোশীও অন্তৰ্ভুক্ত থাকিব। ১৬ ফেব্ৰুৱাৰীৰ পৰা ১৮ ফেব্ৰুৱাৰীলৈকে চলা এই ভ্ৰমণৰ সময়ত দলটোৱে ৰাজ্যৰ বিভিন্ন ৰাজনৈতিক দলৰ নেতৃত্বৰ সৈতে বিস্তৃত বৈঠকত মিলিত হ’ব। প্ৰতিটো ৰাজনৈতিক দলৰ প্ৰতিনিধিৰ সৈতে পৃথকভাৱে আলোচনা কৰাৰ লগতে ৰাজ্যখনৰ সকলো জিলাৰ জিলা আয়ুক্ত (ডি চি) আৰু আৰক্ষী অধীক্ষক (এছ এছ পি)-ৰ সৈতেও গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হ’ব। এই বৈঠকসমূহত নিৰ্বাচনী প্ৰস্তুতিৰ বিভিন্ন দিশ যেনে ভোটাৰ তালিকা সংশোধন, নিৰাপত্তা ব্যৱস্থা, লজিষ্টিক আৰু আন আন সুবিধাসমূহৰ অগ্ৰগতিৰ বিষয়ে বিশদ আলোচনা কৰা হ’ব। এই ভ্ৰমণৰ অন্তিম দিনা অৰ্থাৎ ১৮ ফেব্ৰুৱাৰীৰ সন্ধিয়া তিনি বজাত গুৱাহাটীৰ হোটেল ৰেডিছন ব্লুত নিৰ্বাচন আয়োগে এখন গুৰুত্বপূৰ্ণ সংবাদমেল অনুষ্ঠিত কৰিব। চৰকাৰী সূত্ৰৰ পৰা প্ৰাপ্ত তথ্য অনুসৰি এই সংবাদমেলত আয়োগৰ দলটোৱে ভ্ৰমণৰ সময়ত লাভ কৰা পৰ্যবেক্ষণ আৰু পৰামৰ্শসমূহৰ বিষয়ে ৰাইজ আৰু মিডিয়াৰ আগত বিস্তৃতভাৱে অৱগত কৰিব। উল্লেখ্য যে, অসম বিধানসভাৰ বৰ্তমানৰ ম্যাদ ২০২৬ চনৰ মে’ মাহত শেষ হ’ব। নিৰ্বাচনৰ তাৰিখ ঘোষণাৰ আগতে এনে উচ্চপৰ্যায়ৰ পৰ্যালোচনা ভ্ৰমণে নিৰ্বাচনী প্ৰক্ৰিয়াৰ স্বচ্ছতা, নিৰপেক্ষতা আৰু সুস্থতা নিশ্চিত কৰাত সহায় কৰে। ৰাজ্যৰ প্ৰশাসনিক আৰু ৰাজনৈতিক মহলত এই ভ্ৰমণক অতি গুৰুত্বপূৰ্ণ বুলি গণ্য কৰা হৈছে, কাৰণ ইয়াৰ পিছতে নিৰ্বাচনৰ সময়সূচী ঘোষণা কৰা হ’ব পাৰে। অসমৰ ৰাইজে এতিয়া নিৰ্বাচন আয়োগৰ এই ভ্ৰমণ আৰু তাৰ পৰা উদ্ভৱ হ’ব পৰা সিদ্ধান্তৰ অপেক্ষাত আছে।

## মুখ্যমন্ত্ৰীৰ মানহানি গোচৰৰ

দলটোৰ নেতা তথা অভিজ্ঞ অধিবক্তা ৰীতম সিঙে এই PIL দাখিল কৰিছে। এই PIL খন মূলতঃ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ দ্বাৰা দাখিল কৰা মানহানিৰ গোচৰৰ সন্দৰ্ভত উত্থাপিত হৈছে, য’ত বিবাদী হিচাপে অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈ আৰু অন্যান্য কংগ্ৰেছ নেতাসকলক অন্তৰ্ভুক্ত কৰা হৈছে। কংগ্ৰেছে দাখিল কৰা এই আবেদনত মহাধিবক্তা দেৱজিৎ শইকীয়াক এই মানহানি গোচৰত অধিবক্তা হিচাপে হাজিৰ হ’বলৈ বা প্ৰতিনিধিত্ব কৰিবলৈ অনুমতি নিদিয়াৰ বাবে আদালতৰ ওচৰত অনুৰোধ জনোৱা হৈছে। PILত উল্লেখ কৰা হৈছে যে, মহাধিবক্তা দেৱজিৎ শইকীয়াই ইতিমধ্যে ৰাজ্য চৰকাৰৰ হৈ সাৰদা কেলেংকাৰী আৰু লুই বাৰ্জাৰ কেলেংকাৰীৰ গোচৰসমূহত প্ৰতিনিধিত্ব কৰি আহিছে। এই দুয়োটা গোচৰ বৰ্তমান গুৱাহাটী উচ্চ ন্যায়ালয়ত বিচাৰাধীন অৱস্থাত আছে। লগতে এই কেলেংকাৰীসমূহৰ ক্ষেত্ৰত উচ্চ ন্যায়ালয়ৰ নিৰ্দেশমতে চিবিআয়ে তদন্ত আৰম্ভ কৰিছে, আৰু কিছুমান ব্যক্তিক অভিযুক্ত হিচাপে চিনাক্ত কৰা হৈছে। কংগ্ৰেছে PILত আৰু উল্লেখ কৰিছে যে, এনে পৰিস্থিতিত অভিযুক্ত হিচাপে চিনাক্ত কৰা ব্যক্তিৰ সৈতে সম্পৰ্কিত বা সেইসমূহ গোচৰৰ সৈতে জড়িত বিষয়সমূহৰ ওপৰতো প্ৰভাৱ পৰিব পৰা এই মানহানি গোচৰত মহাধিবক্তাগৰাকীয়ে মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাৰ হৈ প্ৰতিনিধিত্ব কৰাটো ন্যায়িক ব্যৱস্থাৰ নিৰপেক্ষতা আৰু ন্যায়পৰায়ণতাৰ ওপৰত গুৰুতৰ সন্দেহৰ সৃষ্টি কৰে। মানহানি গোচৰত উল্লিখিত বিষয়সমূহৰ লগত সম্পৰ্কিত অন্যান্য বিষয়ৰ ক্ষেত্ৰতো এনে প্ৰতিনিধিত্বই ন্যায় প্ৰক্ৰিয়াক প্ৰভাৱিত কৰিব পাৰে বুলি আশংকা প্ৰকাশ কৰা হৈছে। এই PILৰ জৰিয়তে অসম প্ৰদেশ কংগ্ৰেছে ন্যায়িক প্ৰক্ৰিয়াৰ নিৰপেক্ষতা ৰক্ষা কৰাৰ লগতে ৰাজহুৱা স্বাৰ্থ সুৰক্ষিত কৰাৰ দাবী উত্থাপন কৰিছে। আদালতে এই আবেদনৰ ওপৰত কি নিৰ্দেশ জাৰি কৰে সেয়া এতিয়া লক্ষণীয় হ’ব।

## জুবিন গাৰ্গৰ দুই দেহৰক্ষীৰ

দিশ লৈছে। বিশেষ তদন্তকাৰী দল (SIT)-এ আদালতত দাখিল কৰা তথ্য অনুসৰি, জুবিনৰ দুজন দেহৰক্ষী নন্দেশ্বৰ বৰা আৰু পৰেশ বৈশ্যৰ বিৰুদ্ধে গুৰুতৰ বিত্তীয় প্ৰৱঞ্চনাৰ অভিযোগ উত্থাপন হৈছে। এই অভিযোগৰ জৰিয়তে গোচৰটোৱে অধিক জটিল ৰূপ লৈছে। SIT-ৰ প্ৰতিবেদনত উল্লেখ কৰা হৈছে যে, ২০১৮ চনৰ পৰা ২০২৫ চনলৈকে নন্দেশ্বৰ বৰাৰ বেংক একাউণ্টত তেওঁৰ চৰকাৰী দৰমহাৰ তুলনাত প্ৰায় ২২০ শতাংশ অধিক ধন জমা হৈছিল। এই সময়ছোৱাত তেওঁৰ একাউণ্টত মুঠ ৪৫, ৩০, ১৩৩ টকা জমা পৰিলক্ষিত হৈছে। এই ধনৰ ভিতৰত কৃষাণু দাস, মৃদুপৱন পাঠক আৰু ৰীদিপ দাস আদি ব্যক্তিৰ পৰা লাভ কৰা উল্লেখযোগ্য পৰিমাণৰ ধন অন্তৰ্ভুক্ত আছে। উল্লেখ্য যে, এই ব্যক্তিসকল সিদ্ধাৰ্থ শৰ্মাৰ ঘনিষ্ঠ বুলি জনা যায় আৰু এই ধনসমূহ জুবিন গাৰ্গৰ বাবে আহিছিল বুলি অভিযোগ। কিন্তু নন্দেশ্বৰ বৰাই এই ধন শিল্পীজনক ওভতাই দিয়া নাছিল বুলি SIT-এ দাবী কৰিছে। একেদৰে আন দেহৰক্ষী পৰেশ বৈশ্যৰ একাউণ্টতো ২০২২ চনৰ পৰা ২০২৫ চনলৈকে অস্বাভাৱিক লেনদেন ধৰা পৰিছে। এই সময়ত তেওঁৰ একাউণ্টত মুঠ ৩৬, ৯৩, ৩৩৯ টকাৰ লেনদেন হৈছে। ইয়াৰ ভিতৰত ১৫ লাখ টকাৰ ঋণ আৰু ১৮ লাখ টকাৰ চুইপ ক্ৰেডিটৰ তথ্যও পোহৰলৈ আহিছে। এই সকলো লেনদেনক SIT-এ সন্দেহজনক বুলি চিহ্নিত কৰিছে। আজি জুবিন গাৰ্গৰ মৃত্যু গোচৰৰ এক গুৰুত্বপূৰ্ণ শুনানি সম্পন্ন হৈছে। শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাই দাখিল কৰা আবেদনসমূহৰ শুনানি ইতিমধ্যে শেষ হৈছে। আদালতে এই সন্দৰ্ভত অহা ১৬ ফেব্ৰুৱাৰীত ৰায়দান ঘোষণা কৰিব বুলি জানিব পৰা গৈছে। ইফালে, সন্থাৰ সাধাৰণ সম্পাদক অপূৰ্ব শৰ্মাই সংবাদ মাধ্যমৰ আগত উদ্বেগ প্ৰকাশ কৰি কয় যে, আইনী প্ৰক্ৰিয়াৰ লেহেমীয়া গতিৰ বাবে নথি-পত্ৰ আদান-প্ৰদানতেই অধিক সময় অতিবাহিত হৈ আছে। এনে অৱস্থাত ৰায়দানলৈ ২০ বছৰলৈকে পলম হ’ব পাৰে বুলি তেওঁ আশংকা প্ৰকাশ কৰে। সেয়েহে গোচৰটোৰ দ্ৰুত নিষ্পত্তিৰ স্বাৰ্থত দৈনন্দিন ভিত্তিত শুনানি গ্ৰহণৰ ব্যৱস্থা কৰিবলৈ তেওঁলোকে আদালতৰ ওচৰত বাৰে বাৰে আহ্বান জনাই আহিছে। জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাই অসমৰ ৰাইজৰ মাজত গভীৰ শোক আৰু ক্ষোভৰ সৃষ্টি কৰিছে। SIT-ৰ এই নতুন তথ্যই গোচৰটোক অধিক স্বচ্ছতাৰে সমাধানৰ দিশে লৈ যোৱাৰ সম্ভাৱনা দেখুৱাইছে। ৰাইজে এতিয়া দ্ৰুত ন্যায়ৰ অপেক্ষাত আছে।

## তাৰিক ৰহমানক অভিনন্দন

লাভ কৰি এক ঐতিহাসিক বিজয় সাব্যস্ত কৰিছে। এই নিৰ্বাচন ২০২৪ চনৰ ছাত্ৰ-নেতৃত্বাধীন আন্দোলনৰ পিছত অনুষ্ঠিত প্ৰথম বৃহৎ নিৰ্বাচন আছিল, যিয়ে পূৰ্বৰ প্ৰধানমন্ত্ৰী শ্বেখ হাছিনাৰ চৰকাৰৰ পতন ঘটাইছিল। বিএনপিৰ অধ্যক্ষ তাৰিক ৰহমানৰ নেতৃত্বত এই দলটোৱে সংসদৰ অধিকাংশ আসন দখল কৰি চৰকাৰ গঠনৰ দিশে আগবাঢ়িছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই বিজয়ৰ পিছতে তাৰিক ৰহমানক আন্তৰিক অভিনন্দন জনাইছে। ছ’চিয়েল মিডিয়া প্লেটফৰ্ম ‘এক্স’ত পোষ্ট কৰি তেওঁ লিখিছে যে এই নিৰ্ণায়ক জয়ে বাংলাদেশৰ জনসাধাৰণৰ তাৰিক ৰহমানৰ নেতৃত্বৰ প্ৰতি থকা গভীৰ আস্থা প্ৰতিফলিত কৰিছে। প্ৰধানমন্ত্ৰী মোদীয়ে লগতে কয় যে ভাৰতে গণতান্ত্ৰিক, প্ৰগতিশীল আৰু সৰ্বাংগীণ বাংলাদেশক সমৰ্থন অব্যাহত ৰাখিব। দুয়োখন দেশৰ মাজত বহুমুখী সম্পৰ্কক আৰু অধিক শক্তিশালী কৰি উমৈহতীয়া উন্নয়নৰ লক্ষ্যসমূহ আগুৱাই নিয়াৰ বাবে তেওঁ আগ্ৰহ প্ৰকাশ কৰিছে। নিৰ্বাচনৰ ফলাফল অনুসৰি বিএনপিয়ে প্ৰায় ২০৯খন আসন লাভ কৰিছে (কিছুমান উৎসত ২১২খন বুলি উল্লেখ আছে), যিয়ে সংসদত স্পষ্ট সংখ্যাগৰিষ্ঠতা প্ৰদান কৰিছে। জামায়াতে-ই-ইছলামী আৰু অন্যান্য দলে কম সংখ্যক আসন লাভ কৰিছে। তাৰিক ৰহমানে নিজে দুয়োখন সমষ্টিৰ পৰা (ঢাকা-১৭ আৰু বগুৰা-৬) বিজয়ী হৈছে। ১৭ বছৰৰ নিৰ্বাসনৰ পিছত ২০২৫ চনৰ ডিচেম্বৰত দেশলৈ উভতি অহা তাৰিক ৰহমান এতিয়া প্ৰধানমন্ত্ৰী হিচাপে দায়িত্ব গ্ৰহণৰ দিশে আগবাঢ়িছে। তেওঁ পূৰ্বৰ প্ৰধানমন্ত্ৰী খালেদা জিয়াৰ পুত্ৰ আৰু জিয়াউৰ ৰহমানৰ পুত্ৰ। বিজয়ৰ পিছত তাৰিক ৰহমানে দেশবাসীক অনুৰোধ কৰিছে যে এই শুভ মুহূৰ্তত তেওঁৰ মাতৃ খালেদা জিয়াক স্মৰণ কৰি জুম্মাৰ নামাজ আদায় কৰক। বিএনপিৰ মিডিয়া চেলে ঘোষণা কৰিছে যে দলটো চৰকাৰ গঠনৰ বাবে সাজু হৈ আছে। এই বিজয়ে বাংলাদেশৰ ৰাজনৈতিক স্থিতিশীলতা, অৰ্থনৈতিক পুনৰুদ্ধাৰ আৰু আঞ্চলীয় সহযোগিতাত ইতিবাচক প্ৰভাৱ পেলাব বুলি বিশ্লেষকসকলে মত প্ৰকাশ কৰিছে।

## বাংলাদেশৰ সাধাৰণ

কৰিছে আৰু ভোটৰ গণনা চলি থকাৰ লগে লগে ফলাফল ঘোষণাৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। এই নিৰ্বাচনক বাংলাদেশৰ গণতন্ত্ৰৰ এক গুৰুত্বপূৰ্ণ পৰীক্ষা হিচাপে বিবেচনা কৰা হৈছে। নিৰ্বাচনৰ সময়ত অভূতপূৰ্ব নিৰাপত্তা ব্যৱস্থা গ্ৰহণ কৰা হৈছিল। নিৰ্বাচন আয়োগে জনোৱা মতে, দেশজুৰি প্ৰায় ৯ লাখ নিৰাপত্তাকৰ্মী মোতায়েন কৰা হৈছিল, যিটো দেশৰ নিৰ্বাচনী ইতিহাসত সৰ্বাধিক। মূল অঞ্চলসমূহত আৰ্মৰ্ড পাৰ্চনেল কেৰিয়াৰ (এপিচি) আৰু ৰেপিড একচন টিম (আৰএটি) নিয়োগ কৰা হৈছিল। ইয়াৰ উপৰিও, নিৰ্বাচনী নিৰাপত্তাৰ বাবে প্ৰথমবাৰৰ বাবে ড্ৰ’ন আৰু শৰীৰত পৰিধান কৰা কেমেৰা (বডি-ৱৰ্ণ কেমেৰা) ব্যৱহাৰ কৰা হৈছে। এই ব্যৱস্থাসমূহে ভোটগ্ৰহণ প্ৰক্ৰিয়াক অধিক স্বচ্ছ আৰু নিৰাপদ কৰি তুলিছে। এই নিৰ্বাচনত শেখ হাছিনাৰ নেতৃত্বাধীন আওয়ামী লীগ অনুপস্থিত আছিল। মূল প্ৰতিদ্বন্দ্বিতা হৈছে খালেদা জিয়াৰ পুত্ৰ তাৰিক ৰহমানে নেতৃত্ব দিয়া বাংলাদেশ নেচনেলিষ্ট পাৰ্টি (বিএনপি) আৰু জামায়াতে ইছলামীৰ নেতৃত্বাধীন ১১-দলীয় মিত্ৰজোঁটৰ মাজত। ভোটগ্ৰহণৰ পিছত আৰম্ভ হোৱা গণনাত প্ৰাৰম্ভিক ফলাফলত বিএনপি নেতৃত্বাধীন জোটে উল্লেখযোগ্য অগ্ৰগতি দেখুৱাইছে। কেইবাটাও টেলিভিছন চেনেলৰ প্ৰাৰম্ভিক প্ৰক্ষেপণ অনুসৰি বিএনপিয়ে সংখ্যাগৰিষ্ঠ আসন লাভ কৰি চৰকাৰ গঠনৰ দিশে আগবাঢ়িছে, যদিও চূড়ান্ত ফলাফল এতিয়াও ঘোষণা হোৱা নাই। গণনা প্ৰক্ৰিয়া চলি থকাৰ বাবে কিছুমান সমষ্টিত ফলাফল ঘোষণাত অধিক সময় লাগিব পাৰে। চূড়ান্ত ফলাফল গভীৰ নিশা বা পৰৱৰ্তী দিনৰ পুৱালৈকে প্ৰত্যাশা কৰা হৈছে। আনহাতে, ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে নিশ্চিত কৰিছে যে বাংলাদেশৰ নিৰ্বাচন পৰ্যবেক্ষণৰ বাবে পৰ্যবেক্ষক পঠিয়াবলৈ আমন্ত্ৰণ লাভ কৰিছিল যদিও ভাৰতে তেনে পৰ্যবেক্ষক নপঠোৱাৰ সিদ্ধান্ত লৈছে। মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছৱালে সংবাদমেলত কয় যে, “আমি পৰ্যবেক্ষক পঠোৱাৰ আমন্ত্ৰণ লাভ কৰিছিলোঁ, কিন্তু আমি কোনো পৰ্যবেক্ষক নপঠিয়ালোঁ।” ভাৰতে এই সিদ্ধান্তৰ জৰিয়তে নিৰ্বাচনৰ বিশ্বাসযোগ্যতাক বাংলাদেশৰ জনগণ আৰু আন্তৰ্জাতিক সম্প্ৰদায়ৰ ওপৰত এৰি দিব বিচাৰিছে বুলি জনোৱা হৈছে। এই নিৰ্বাচনৰ ফলাফলে বাংলাদেশৰ ৰাজনৈতিক স্থিতিশীলতা আৰু ভৱিষ্যতৰ দিশ নিৰ্ধাৰণ কৰিব। দেশবাসীৰ মাজত উৎসাহ দেখা গৈছে যদিও কিছুমান ঠাইত বিচ্ছিন্ন হিংসাত্মক ঘটনাৰ খবৰো পোৱা গৈছে।

## অসম বিধানসভা নিৰ্বাচনৰ

চৰকাৰে অসমৰ বাবে এটা বিশেষ আৰ্থিক সহায় ঘোষণা কৰিছে। কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে শুকুৰবাৰে ঘোষণা কৰে যে কেন্দ্ৰীয় পথ আন্তঃগাঁথনি পুঁজি (CRIF) আঁচনিৰ অধীনত অসমৰ ১০টা পথ উন্নয়ন প্ৰকল্পৰ বাবে ৬১৭.৯৮ কোটি টকাৰ অনুমোদন দিয়া হৈছে। লগতে CRIF সেতু বন্ধন আঁচনিৰ অধীনত ১৬খন দলং নিৰ্মাণ প্ৰকল্পৰ বাবে ১২৯.৭৪ কোটি টকা অনুমোদন জনোৱা হৈছে। এই দুয়োটা মিলি মুঠ ৭৪৭.৭২ কোটি টকাৰ পুঁজি মুকলি কৰা হৈছে। এই পুঁজিৰ মূল উদ্দেশ্য হৈছে ৰাজ্যখনৰ আঞ্চলিক সংযোগক শক্তিশালী কৰা, পৰিবহণ ব্যৱস্থাৰ দক্ষতা বৃদ্ধি কৰা, ভ্ৰমণৰ সময় হ্ৰাস কৰা আৰু সমগ্ৰ অসমতে আৰ্থ-সামাজিক বিকাশৰ গতি ত্বৰান্বিত কৰা। মন্ত্ৰী নীতিন গাডকাৰীয়ে এ’ (পূৰ্বৰ টুইটাৰ)ত পোষ্ট কৰি কয় যে এই পদক্ষেপসমূহে স্থানীয় বাণিজ্যক উৎসাহিত কৰিব, সামগ্ৰী আৰু মানুহৰ মসৃণ চলাচল নিশ্চিত কৰিব আৰু ৰাজ্যৰ সামগ্ৰিক উন্নয়নত যথেষ্ট অৰিহণা যোগাব।

## আজি পুনৰ অসমলৈ প্ৰধানমন্ত্ৰী

হেলিকপ্টাৰৰ দ্বাৰা আকাশী প্ৰদৰ্শনী প্ৰত্যক্ষ কৰিব। উত্তৰ-পূব ভাৰতত এই ধৰণৰ প্ৰথমটো জৰুৰীকালীন অৱতৰণ কেন্দ্ৰ ভাৰতীয় বায়ু সেনাৰ সহযোগত নিৰ্মাণ কৰা হৈছে। দ্বৈত-ব্যৱহাৰৰ আন্তঃগাঁথনি হিচাপে ডিজাইন কৰা, ই জৰুৰীকালীন অৱস্থাত সামৰিক আৰু অসামৰিক উভয় বিমানৰ অৱতৰণ আৰু প্ৰস্থানৰ সমৰ্থন কৰিব পাৰে। এই সুবিধাই ৪০ টন পৰ্য্যন্ত যুঁজাৰু বিমান আৰু ৭৪ টন পৰ্য্যন্ত সৰ্বাধিক উৰণীয়া ওজনৰ পৰিবহণ বিমান সামৰি ল’ব পাৰে আৰু এই অঞ্চলত দুৰ্যোগ প্ৰশমন আৰু কৌশলগত অভিযানৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। দিনৰ প্ৰায় ১ বজাত প্ৰধানমন্ত্ৰীয়ে ব্ৰহ্মপুত্ৰ নদীৰ পাৰৰ নৱনিৰ্মিত কুমাৰ ভাস্কৰ বৰ্মা সেতু পৰিদৰ্শন কৰিব। প্ৰায় ৩, ০৩০ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা এই ৬ লেনযুক্ত এক্সট্ৰাডোজেড প্ৰিষ্ট্ৰেচড কংক্ৰিটৰ দলংখনে গুৱাহাটীক উত্তৰ গুৱাহাটীৰ সৈতে সংযোগ কৰিছে। উত্তৰ-পূব ভাৰতত এই ধৰণৰ এইখনেই প্ৰথম দলং আৰু ইয়াৰ দ্বাৰা দুয়োখন ঠাইৰ মাজত যাত্ৰাৰ সময় প্ৰায় ৭ মিনিটলৈ হ্ৰাস পাব বুলি আশা কৰা হৈছে। এই অঞ্চলৰ উচ্চ ভূমিকম্পজনিত দুৰ্বলতা বিবেচনা কৰি, দলংখনত ফ্ৰিচন পেণ্ডুলাম লেয়াৰ ব্যৱহাৰ কৰি বেজ বিচ্ছিন্নকৰণ অন্তৰ্ভুক্ত কৰা হৈছে। দীৰ্ঘম্যাদী গঠনমূলক অখণ্ডতা আৰু স্থায়িত্ব সুনিশ্চিত কৰিবলৈ উচ্চ-প্ৰদৰ্শনশীল স্থিতিশীল কেব’ল স্থাপন কৰা হৈছে। ৰিয়েল-টাইম অৱস্থা পৰ্যবেক্ষণ, ক্ষয়-ক্ষতিৰ প্ৰাৰম্ভিক চিনাক্তকৰণ আৰু উন্নত সুৰক্ষাৰ বাবে এখন দলং স্বাস্থ্য নিৰীক্ষণ ব্যৱস্থা (বিএইচএমএছ) সংহত কৰা হৈছে। তাৰপাছত দিনৰ প্ৰায় ১.৩০ বজাত প্ৰধানমন্ত্ৰীয়ে গুৱাহাটীৰ লাচিত ঘাটত বিভিন্ন উন্নয়নমূলক প্ৰকল্পৰ শুভাৰম্ভ আৰু ফ্লেগ অফ কৰিব। কামৰূপ জিলাৰ আমিনগাঁৱত উত্তৰ-পূৰ্বাঞ্চলৰ বাবে ৰাষ্ট্ৰীয় তথ্য কেন্দ্ৰ মুকলি কৰা হৈছে। ৮.৫ মেগাৱাটৰ মুঠ অনুমোদিত লোড আৰু ১০ কিলোৱাটৰ গড় ৰেক ক্ষমতা থকা এই অত্যাধুনিক সুবিধাই কেইবাটাও চৰকাৰী বিভাগৰ বাবে গুৰুত্বপূৰ্ণ এপ্লিকেশ্যন হ’ব আৰু অন্যান্য ৰাষ্ট্ৰীয় তথ্য কেন্দ্ৰৰ বাবে দুৰ্যোগ পুনৰুদ্ধাৰ কেন্দ্ৰ হিচাপে কাম কৰিব। এই প্ৰকল্প ডিজিটেল ইণ্ডিয়াৰ দৃষ্টিভংগীৰ সৈতে সংলগ্ন আৰু ইয়াৰ লক্ষ্য হৈছে অঞ্চলটোৰ ডিজিটেল মেৰুদণ্ড শক্তিশালী কৰা, নাগৰিককেন্দ্ৰিক সেৱাৰ সুৰক্ষিত আৰু নিৰ্ভৰযোগ্য বিতৰণ নিশ্চিত কৰা। প্ৰধানমন্ত্ৰীয়ে গুৱাহাটীত ইণ্ডিয়ান ইনষ্টিটিউট অৱ মেনেজমেণ্টৰ স্থায়ী চৌহদো উদ্বোধন কৰিব। ইয়াৰ জৰিয়তে উত্তৰ-পূৰ্বাঞ্চলত উচ্চ আৰু ব্যৱস্থাপনা শিক্ষাৰ প্ৰসাৰ হ’ব বুলি আশা কৰা হৈছে। ইয়াৰ উপৰিও তেওঁ গুৱাহাটী (১০০), নাগপুৰ (৫০), ভাৱনগৰ (৫০) আৰু চণ্ডীগড়ত (২৫) প্ৰধানমন্ত্ৰী ই-বাছ সেৱা আঁচনিৰ অধীনত ২২৫খন বৈদ্যুতিক বাছ উন্মোচন কৰিব। এই চহৰসমূহত ই-বাছ সেৱা আৰম্ভ হোৱাৰ লগে লগে ৫০লাখৰো অধিক নাগৰিকৰ পৰিষ্কাৰ, সুলভ আৰু নিৰ্ভৰযোগ্য ৰাজহুৱা পৰিবহণ সেৱাৰ দ্বাৰা উপকৃত হোৱাৰ আশা কৰা হৈছে। ইয়াৰ জৰিয়তে চহৰাঞ্চলৰ যাতায়াতৰ মান উন্নত হ’ব আৰু জীৱন ধাৰণৰ মান উন্নত হ’ব।

## মৰাণৰ ইমাৰজেন্সী লেণ্ডিং

(ELF) পৰিদৰ্শন কৰি সকলো ব্যৱস্থাপনাৰ বুজ লৈছে। এই ELF ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰত নিৰ্মিত উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমটো এনে সুবিধা, য’ত প্ৰধানমন্ত্ৰীয়ে বিশেষ বিমানেৰে অৱতৰণ কৰিব। বৃহস্পতিবাৰে সন্ধিয়া মুখ্যমন্ত্ৰীয়ে ELF স্থানত উপস্থিত হৈ নিৰাপত্তা ব্যৱস্থা, নিৰ্মিত মণ্ডপ, সাধাৰণ নাগৰিকৰ বাবে নিৰ্ধাৰিত স্থান আৰু বিমান অৱতৰণৰ বাবে কৰা প্ৰস্তুতি পৰ্যবেক্ষণ কৰে। তেওঁ জিলা প্ৰশাসনৰ বিষয়া আৰু ভাৰতীয় বায়ুসেনাৰ শীৰ্ষ বিষয়াসকলৰ সৈতে মত বিনিময় কৰি প্ৰস্তুতিৰ সন্তোষ প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীয়ে সাংবাদিকৰ সৈতে কথা পাতি কয় যে, “১৪ ফেব্ৰুৱাৰীৰ দিনটো অসমৰ বাবে এক ঐতিহাসিক দিন হ’ব। ভাৰতীয় বায়ুসেনাই মৰাণৰ এই ইমাৰজেন্সী লেণ্ডিং ফিল্ডত যুদ্ধ বিমান যেনে তেজছ, চুখয়, ৰাফেল, ট্ৰেন্সপৰ্ট বিমান আৰু বিভিন্ন হেলিকপ্টাৰ অৱতৰণ কৰিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে চাবুৱা বিমানবন্দৰৰ পৰা C-130 বিমানেৰে আহি ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰতে অৱতৰণ কৰিব আৰু অনুষ্ঠান শেষত পোনে পোনে গুৱাহাটীলৈ উভতি যাব।” তেওঁ লগতে কয় যে এই অনুষ্ঠান সকলোৰে বাবে স্মৰণীয় হ’ব। মুখ্যমন্ত্ৰীয়ে ডিব্ৰুগড়, চৰাইদেউ আৰু মৰাণ অঞ্চলৰ স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীসকলক এই বিমান অৱতৰণ আৰু বায়ুসেনাৰ প্ৰদৰ্শনী চোৱাৰ সুবিধা কৰি দিয়াৰ বাবে জিলা প্ৰশাসনক অনুৰোধ জনাইছে। “এনে দৃশ্য চালে যুৱক-যুৱতীসকলৰ মনত ভাৰতীয় বায়ুসেনাত যোগদানৰ প্ৰতি আগ্ৰহ বাঢ়িব” বুলি তেওঁ মন্তব্য কৰে। মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে যে বিগত কেইবছৰমান ধৰি অসমৰ পৰা বায়ুসেনাত নিযুক্তি কমি আহিছে। সেয়ে বায়ুসেনাই অসমলৈ বাৰে বাৰে আহি এনে অনুষ্ঠানৰ জৰিয়তে যুৱকসকলক উৎসাহিত কৰি নিযুক্তি বৃদ্ধি কৰাৰ প্ৰয়াস চলাই আছে। প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে বুলি জনাই তেওঁ কয় যে অলপ ধূলি আদিৰ কাম বাকী আছে, কিন্তু সকলো ব্যৱস্থা ঠিকঠাক হৈ আছে। এই অনুষ্ঠানত ৰাজ্যপাল, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু বায়ুসেনাৰ মুখ্য বিষয়াসকল উপস্থিত থাকিব। মুখ্যমন্ত্ৰীয়ে দাঁতিকাষৰীয়া অঞ্চলৰ ৰাইজ, বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক বিশেষভাৱে উপস্থিত থাকি এই ঐতিহাসিক অনুষ্ঠান চোৱাৰ আহ্বান জনাইছে। এই ELF ৰ সক্ৰিয়কৰণে অসমৰ ভৱিষ্যতৰ বাবে কৌশলগত গুৰুত্ব বৃদ্ধি কৰিব আৰু যুৱ প্ৰজন্মক সশস্ত্ৰ বাহিনীৰ প্ৰতি আকৰ্ষিত কৰাত সহায় কৰিব বুলি আশা কৰা হৈছে।

## কংগ্ৰেছৰ অভ্যন্তৰীণ বিবাদ !

দেখা দিছে। ৰাইজৰ দলৰ সৈতে প্ৰাক-নিৰ্বাচনী মিত্ৰতা আৰু আসন ভাগ-বতৰাৰ বিষয়ে আলোচনাৰ বাবে নিৰ্ধাৰিত বৈঠক কংগ্ৰেছে পুনৰবাৰ বাতিল কৰাত ৰাইজৰ দলৰ সভাপতি তথা শিৱসাগৰ সমষ্টিৰ বিধায়ক অখিল গগৈয়ে তীব্ৰ অসন্তোষ প্ৰকাশ কৰিছে। অখিল গগৈয়ে কাজিৰঙাৰ দুৰ্গাপুৰস্থিত অৰ্কিড উদ্যানত সংবাদ মাধ্যমৰ আগত কয় যে, কংগ্ৰেছে বাৰে বাৰে আলোচনাৰ বাবে মাতি আহি পিছুৱাই যোৱাৰ ফলত তেওঁলোকৰ দল অস্বস্তিত পৰিছে আৰু আমনি অনুভৱ কৰিছে। তেওঁ কয়, “এনেকৈ আমাক নচুৱাই থকাটো ভাল কথা হোৱা নাই। এটা ৰাজনৈতিক দলে আলোচনাটো স্থিৰভাৱে কৰি সন্মান সহকাৰে বুজাবুজি কৰি দিয়াটো খুব ভাল। আমাক বাৰম্বাৰ এনেকৈ আলোচনাত মাতে, আলোচনা আগবাঢ়ে, তাৰ পাছত আকৌ মানুহ বদলি হয় আৰু পিছুৱাই থাকে।” গগৈয়ে অভিযোগ কৰে যে, দুবছৰ ধৰি কংগ্ৰেছৰ সৈতে আলোচনা চলি আছে, কিন্তু প্ৰতিবাৰেই কোনো না কোনো কাৰণত ইয়াক পিছুৱাই দিয়া হৈছে। পূৰ্বতে দেৱব্ৰত শইকীয়া, গৌৰৱ গগৈ, ভূপেন বৰা আদি বিভিন্ন নেতাৰ জৰিয়তে আলোচনা চলিছিল যদিও এতিয়া পুনৰ ৰকিবুল হুছেইনকো জড়িত কৰি বৈঠকৰ দায়িত্ব দিয়াৰ পিছতো ইয়াক বাতিল কৰা হ’ল। তেওঁ কয়, “আমি ১১ তাৰিখে নিশ্চিত কৰা হৈছিল যে ১৩ তাৰিখে মিটিং হ’ব। সেয়ে আমি ১২, ১৩ আৰু ১৪ তাৰিখৰ সম্পূৰ্ণ কাৰ্যসূচী বাতিল কৰি মানসিকভাৱে প্ৰস্তুত হৈছিলোঁ। কিন্তু দুৰ্ভাগ্যবশতঃ কংগ্ৰেছে আকৌ পিছুৱালে।” ৰাইজৰ দলে মিত্ৰতাৰ স্বাৰ্থত মাত্ৰ ১৫খন আসন বিচাৰিছে বুলি উল্লেখ কৰি গগৈয়ে কয় যে, তেওঁলোকৰ সংগঠন ৰাজ্যৰ সকলোতে আছে আৰু প্ৰয়োজন হ’লে বেছি আসনতো প্ৰতিদ্বন্দ্বিতা কৰিব পাৰে। কিন্তু বিজেপি চৰকাৰক প্ৰতিহত কৰাৰ লক্ষ্যৰে কংগ্ৰেছৰ সৈতে আলোচনা চলাই আছে। তথাপি কংগ্ৰেছে বাৰে বাৰে এনে কৰাত তেওঁলোক অসন্তুষ্ট হৈছে। তেওঁ আহ্বান জনায় যে, কংগ্ৰেছে সঠিক সিদ্ধান্ত ল’ব লাগে— হয় মিত্ৰতা কৰক নহয় নকৰক বুলি স্পষ্টকৈ ক’ব লাগে। এই ঘটনাই বিৰোধী মিত্ৰতাৰ সম্ভাৱনাক লৈ প্ৰশ্ন উত্থাপন কৰিছে। নিৰ্বাচনৰ তাৰিখ ঘোষণা হ’বলৈ অলপ বাকী থকাৰ মাজতে (মাৰ্চ-এপ্ৰিলত সম্ভাব্য) এই অনিশ্চয়তাই বিৰোধী শিবিৰত অস্থিৰতাৰ সৃষ্টি কৰিছে। অখিল গগৈয়ে কংগ্ৰেছক আহ্বান জনাইছে যে, দায়িত্ব ৰাজ্যিক সভাপতিয়ে লওক বা এ আই চি চিয়ে লওক, শেষ কৰি দিয়ক— নহ’লে স্পষ্টকৈ অস্বীকাৰ কৰক। এই পৰিস্থিতিত ৰাইজৰ দলৰ নেতৃত্বই আগন্তুক দিনবোৰত পৰৱৰ্তী পদক্ষেপৰ বিষয়ে সিদ্ধান্ত ল’ব বুলি ধাৰণা কৰা হৈছে। বিৰোধী ঐক্যৰ অভাৱত শাসক দল বিজেপিৰ সুবিধা হ’ব পাৰে বুলিও ৰাজনৈতিক মহলত আলোচনা চলিছে।

## মাজুলীত মুখ্যমন্ত্ৰীৰ পৰিয়ালৰ

বচাওক শীৰ্ষক দলীয় কাৰ্যসূচীৰে মাজুলীত উপস্থিত হয় প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈ। পুৱাই মাজুলীত উপস্থিত হৈ ঐতিহাসিক আউনীআটী সত্ৰত উপস্থিত হৈ গোবিন্দ মহাপ্ৰভুৰ চৰণত সেৱা লোৱাৰ লগতে সত্ৰাধিকাৰ ডং পীতাম্বৰদেৱ গোস্বামীক সাক্ষাৎ কৰি আৰ্শীবাদ গ্ৰহণ কৰে। ইয়াৰ পিছতে নতুন কমলাবাৰী সত্ৰতো সেৱা লৈ প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইন, বিৰোধী দলপতি দেৱব্ৰত শইকীয়া, বিধায়ক ভাস্কৰ বৰুৱা, প্ৰাক্তন মন্ত্ৰী ৰাজীৱ লোচন পেগু সহ প্ৰদেশ কংগ্ৰেছৰ লগতে মাজুলী জিলা কংগ্ৰেছৰ এক বৃহৎ দল লৈ মাজুলীৰ দক্ষিণপাট অঞ্চলত মুখ্যমন্ত্ৰী পত্নীয়ে ক্ৰয় কৰা ভূমিত উপস্থিত হৈ প্ৰতিবাদ সাব্যস্ত কৰে। দেশতকৈ মামী ডাঙৰ নহয় শীৰ্ষক প্লেট কাৰ্ড প্ৰদৰ্শন কৰি গৌৰৱ গগৈৰ সহ সাংসদ, বিধায়ক তথা প্ৰদেশ কংগ্ৰেছৰ কমিটীৰ বিভিন্ন বিষয়ববীয়াৰ দলটোৱে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক তীব্ৰ আক্ৰমণৰ লক্ষ্য কৰি লয়। এই ক্ষেত্ৰত প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে কয় মাজুলীৰ অঞ্চলৰ ৰাইজৰ প্ৰধান সমস্যা হৈছে গড়াখহনীয়া। মাজুলীৰ ৰাইজৰ মূল দাবী হৈছে ভূমি অধিকাৰ, মাটিৰ পট্টা। এই মুহূৰ্তত অসমৰ মুখ্যমন্ত্ৰীয়ে মাজুলীৰ ৰাইজৰ এই দাবী পূৰণত বিফল হৈছে। মাজুলী অঞ্চলত ভূমি লোৱাৰ বাবে প্ৰস্তুত কৰা শেহতীয়া বিশেষ ভূমি আইনখনো প্ৰথম অৱস্থাত মাজুলীক বাহিৰত ৰাখি মাজুলীৰ পৰা মুখ্যমন্ত্ৰী পত্নীয়ে মাটি কিনিব পৰাৰ ব্যৱস্থা কৰিলে। নিৰ্দিষ্ট সময়ৰ বাবে এই আইনখনৰ আওতাৰ পৰা মাজুলীক বাহিৰত ৰাখি এনে কাৰ্য্য কৰাটোতকৈ আৰু দুৰ্ভাগ্যজনক কথা নাই বুলি তেওঁ উল্লেখ কৰে। ইফালে ইয়াৰ পিছতেই গড়মূৰ সত্ৰৰ বংশীগোপাল নাট্য মন্দিৰৰ প্ৰাংগণত অনুষ্ঠিত সময় পৰিৱৰ্তনৰ জাতি বচাওক মাটি বচাওক শীৰ্ষক দলীয় কাৰ্যসূচীৰ অংশ স্বৰূপে দলীয় সভাত উপস্থিত হয় প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈ। জিলা কংগ্ৰেছৰ সভাপতি অমল পূজাৰীৰ আদৰণি ভাষণৰ পিছতেই সভাত ভাষণ প্ৰদান কৰি প্ৰদেশ কংগ্ৰেছৰ প্ৰাক্তন সভাপতি ভূপেন বৰাই কয় যে মাজুলীৰ ৰাইজৰ দুখ-দুৰ্দশা বিধানসভাত শক্তিশালীভাৱে উত্থাপন কৰিবলৈ বৰ্তমানৰ বিধায়ক সক্ষম হোৱা নাই। তেওঁ অভিযোগ কৰে যে আজিও প্ৰায় ৩০ শতাংশ লোকৰ হাতত মাটিৰ বৈধ কাগজ-পত্ৰ নাই। “জাতি, মাটি, ভেটি”ৰ সুৰক্ষাৰ প্ৰতিশ্ৰুতি দিয়া সকলৰ হাততেই যদি এই সমস্যাৰ স্থায়ী সমাধান নাথাকে, তেন্তে ৰাইজে আগন্তুক নিৰ্বাচনত ইয়াৰ উপযুক্ত প্ৰত্যুত্তৰ দিব লাগিব, “বুলিও তেওঁ উল্লেখ ইয়াৰ পিছতেই বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই কয় যে সোণাপুৰত জনজাতি সংগ্ৰাহালয় স্থাপনৰ দুদিন পিছতেই কিয় জুই লাগিল - ইয়াৰ সঠিক তদন্ত হ’ল জানো। তেওঁ অভিযোগ কৰে যে মাজুলীৰ বৰ্তমানৰ বিধায়ক ভুৱন গামে কিবা কথাৰ অভিযোগ দিবলৈ গলেই অভিযোগকাৰীক গালি-গালাজ কৰে। তেওঁ লগতে উল্লেখ কৰে যে ভকতচাপৰিৰ বহু মানুহ এতিয়াও চালিৰ তলত বাস কৰি আছে, কিন্তু চৰকাৰে মিছা উন্নয়নৰ কথা কৈ আছে। “মিছন বসুন্ধৰা” আঁচনিৰ অধীনতো আদি বাসিন্দা মিচিংসকলে পট্টা পোৱা নাই বুলি তেওঁ অভিযোগ কৰে। মাজুলীৰ প্ৰায় ৬০ হাজাৰ লোক এতিয়াও মাটিৰ পট্টাৰ পৰা বঞ্চিত বুলি তেওঁ মন্তব্য কৰে। তেওঁ কয় যে উন্নয়ন এতিয়া কেৱল বিজ্ঞাপনতেই সীমাবদ্ধ। কমিশ্যনৰ কাৰণে কাম হয় বুলিও তেওঁ অভিযোগ তোলে। মাজুলীক জিলা হিচাপে ঘোষণা কৰাৰ বাহিৰে বাস্তৱিক উন্নয়ন কিমান হৈছে - সেয়া চৰকাৰে স্পষ্ট কৰিব লাগে বুলি কয়। মাজুলীৰ চিকিৎসা ব্যৱস্থা, শিক্ষাখণ্ড আৰু অন্যান্য মৌলিক সুবিধাৰ বিষয়তো তেওঁ চৰকাৰক একাধিক প্ৰশ্ন উত্থাপন কৰে। ছত্তীছগড়ৰ প্ৰাক্তন বিধায়ক বিকাশ উপাধ্যায়ে উল্লেখ কৰে যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে উত্থাপিত দুৰ্নীতিৰ অভিযোগ ৰাইজৰ মাজলৈ লৈ যোৱা হ’ব। তেওঁৰ অভিযোগ, বিজেপিয়ে অসমত কেৱল লুণ্ঠন চলাই আহিছে আৰু এতিয়া পৰিৱৰ্তনৰ সময় আহি পৰিছে। তেওঁ লগতে উল্লেখ কৰে যে মাজুলীত মুখ্যমন্ত্ৰীৰ পত্নীৰ নামত ২৭ বিঘা মাটি থকা বিষয়টোও ৰাজহুৱা আলোচনা হ’ব লাগে। ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইনে কয় যে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আৱিৰ্ভাৱস্থলীৰ পৰা তেওঁ ৰাজনীতি আৰম্ভ কৰিছিল। তেওঁ উজনি নামনিৰ ৰাইজে মূৰ দোৱাই যাব পৰাকৈ বৰদোৱা থানলৈ যোৱা দুখন তোৰণ প্ৰতিষ্ঠা কৰাৰ লগতে তেওঁ শংকৰদেৱ সংঘত কাৰ্য্যকৰী সভাপতি হিচাপে দায়িত্ব পালন কৰাৰ কথাও উল্লেখ কৰে। কীৰ্তন পুথি ইংৰাজীত ছপাই উলিওৱা আৰু মাজুলীৰ সত্ৰাধিকাৰসকলক দুখন গাড়ী আগবঢ়োৱাৰ কথাও তেওঁ প্ৰকাশ কৰে। মাজুলীৰ পৰ্যটন ক্ষেত্ৰৰ উন্নয়নৰ বাবে “প্ৰশান্তি লজ” নিৰ্মাণৰ ক্ষেত্ৰতো তেওঁ অৱদান আগবঢ়াইছিল বুলি কয়। তেওঁ মাজুলীৰ গড়াখহনীয়া আৰু মাটিৰ সমস্যা চৰকাৰে গুৰুত্ব আৰোপ নকৰাৰ কথা উল্লেখ কৰাৰ উপৰিও বৰ্তমান মুখ্যমন্ত্ৰী জনজাতি-বিৰোধী মনোভাৱৰ। এজন জনজাতি নেতাক আঁতৰাই তেওঁ মুখ্যমন্ত্ৰী হৈছে বুলিও অভিযোগ কৰে। প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈৰ অৱদানসমূহো সঠিকভাৱে স্বীকৃতি দিয়া হোৱা নাই বুলি তেওঁ কয়। তেওঁ লগতে মন্তব্য কৰে যে বৰ্তমান চৰকাৰে দিয়া আঁচনি আমাৰ আহিবলগীয়া চৰকাৰে বন্ধ নকৰে। তাতকৈ অধিক আঁচনিহে প্ৰদান কৰা হ’ব বুলি উল্লেখ কৰে। বৰ্তমানৰ চৰকাৰে আদানি-আম্বানিৰ দৰে বৃহৎ উদ্যোগপতিক সুবিধা দিয়াৰ অভিযোগ তুলি দুখীয়া ৰাইজৰ ওপৰত কৰৰ বোজা বঢ়োৱা হৈছে বুলিও তেওঁ মন্তব্য কৰে। ইয়াৰ পিছতেই প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে সভাত ভাষণ প্ৰদান কৰি কয় মাজুলীলৈ আহি দেখিলোঁ যে মাজুলীৰ প্ৰাক্তন বিধায়ক প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালক বিজেপিয়ে বাৰে বাৰে অপমানিত কৰিছে। সৰ্বানন্দ সোণোৱাল কতো এখন ফটোও এতিয়া মাজুলীত দেখিবলৈ নাপায়। প্ৰয়াত মুখ্যমন্ত্ৰী তৰুণ গগৈয়ে কোৱাৰ দৰে তৰুণ গগৈক পিছফালৰ পৰা চুৰি মাৰিলে আৰু সৰ্বানন্দ সোণোৱালক বুকুত চুৰি মাৰিলে। হিমন্ত বিশ্ব শৰ্মা এজন জনজাতি বিৰোধী নেতা। যিগৰাকীয়ে জনজাতি সকলৰ ৪০ হাজাৰ বিঘা মাটি আদানি, আম্বানিক বিক্ৰী কৰিলে। সেই কাৰণেই আমি কৈছোঁ সময় পৰিৱৰ্তনৰ জাতি বচাওক মাটি বচাওক। হিমন্ত বিশ্ব শৰ্মা মুখ্যমন্ত্ৰী হৈ থাকিলে অসমৰ খিলঞ্জীয়া মানুহৰ হাতত আৰু মাটিৰ অধিকাৰ নাথাকিব বুলি তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে। গৌৰৱ গগৈয়ে ভাষণ দিয়াৰ সময়তে বিজুলী সংযোগ বন্ধ হৈ পৰাত গৌৰৱ গগৈয়ে মাইক্ৰফোন নোহোৱাকৈ বিজেপিয়ে ভয় খাইছে, ভয় কৰি লাভ নাই আমাৰ জয় নিশ্চিত বুলি চিএঞৰি উঠে আৰু দেশতকৈ মামী ডাঙৰ নহয় বুলি শ্ল’গান দিয়ে। ইয়াৰ পিছতেই গড়মূৰ সত্ৰৰ পৰা গড়মূৰ সদৰ তিনিআলি হৈ চিতাদাৰ তিনিআলিলৈকে বহু সংখ্যক কংগ্ৰেছ কৰ্মীৰ সৈতে গৌৰৱ গগৈয়ে পদযাত্ৰাত ভাগ লৈ বিজেপি বিৰোধী বিভিন্ন শ্ল’গান দিয়ে। পদযাত্ৰাত সাংসদ ৰকিবুল হুছেইন, বিৰোধী দলপতি দেৱব্ৰত শইকীয়া, বিধায়ক ভাস্কৰ বৰুৱাৰ লগত প্ৰদেশ কংগ্ৰেছ তথা জিলা কংগ্ৰেছৰ বিভিন্ন বিষয়ববীয়াই সংগ প্ৰদান কৰে।

## ৰাজস্থান ৰ’য়েলছৰ অধিনায়ক

হিচাপে ৰিয়ানক নিযুক্ত কৰাৰ কথা স্পষ্ট কৰিছে। দীৰ্ঘদিনীয়া অধিনায়ক সঞ্জু ছেমচনে আইপিএল ২০২৬ৰ মেগা নিলামৰ পূৰ্বে ট্ৰেড ডীলৰ জৰিয়তে দল এৰি চেন্নাই ছুপাৰ কিংছ (CSK)ত যোগদান কৰিছে। এই ট্ৰেডত ৰাজস্থান ৰয়েলছে দুগৰাকী অলৰাউণ্ডাৰ ৰবীন্দ্ৰ জাদেজা আৰু চেম কাৰেনক লাভ কৰিছে। সঞ্জু ছেমচন ৰাজস্থান ৰয়েলছৰ আটাইতকৈ বেছি মেচ খেলা, সৰ্বাধিক ৰাণ সংগ্ৰাহক আৰু সফল অধিনায়ক হিচাপে পৰিচিত আছিল। ২০১৯ চনৰ পৰা ৰাজস্থান ৰয়েলছৰ সৈতে জড়িত থকা গুৱাহাটী নিবাসী ৰিয়ান পৰাগে আইপিএল ২০২৫ৰ মেগা নিলামৰ পূৰ্বে ১৪ কোটি টকাত ৰিটেইন হৈছিল। এতিয়ালৈকে ৮৪খন আইপিএল মেচত অংশ লৈ তেওঁ মুঠ ১৫৬৬ ৰাণ সংগ্ৰহ কৰিছে, য’ত গড় ষ্ট্ৰাইক ৰেট ১৪১.৮৫। তেওঁৰ কেৰিয়াৰত ৭টা অৰ্ধশতক আছে। যোৱা ছিজনত (আইপিএল ২০২৫) ৰিয়ানে সঞ্জু ছেমচনৰ অনুপস্থিতিত ৮খন মেচত ষ্টেণ্ড-ইন অধিনায়ক হিচাপে দলক নেতৃত্ব দিছিল যদিও মাত্ৰ ২খনত জয় লাভ কৰিবলৈ সক্ষম হৈছিল। তথাপি তেওঁৰ বেটিঙে দলত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। ৰিয়ানৰ কেৰিয়াৰৰ অন্যতম উল্লেখযোগ্য ছিজন আছিল ২০২৪, য’ত তেওঁ ১৪৯.২২ ষ্ট্ৰাইক ৰেটত ৫৭৩ ৰাণ সংগ্ৰহ কৰি মিডল-অৰ্ডাৰত বিশ্বাসযোগ্য বেটছমেন হিচাপে নিজৰ স্থান দৃঢ় কৰিছিল আৰু ৪টা অৰ্ধশতক মাৰিছিল। যোৱা ছিজনত (২০২৫) তেওঁৰ ষ্ট্ৰাইক ৰেট আৰু উন্নতি হৈ ১৬৬.৫৩লৈ বৃদ্ধি পাইছিল যদিও মুঠ ৰাণ ৩৯৩ত সীমাবদ্ধ হৈছিল আৰু কেৱল এটা অৰ্ধশতকহে সংগ্ৰহ কৰিছিল।

# সৰ্বভাৰতীয় ধৰ্মঘটৰ সমৰ্থনত ত্ৰিপুৰাৰ খামতিংত চিপিআইএমৰ 'ৰে'ল ৰকো' অভিযান



**অসম বাৰ্তা, ত্ৰিপুৰা, ১২ ফেব্ৰুৱাৰী** ঃ ত্ৰিপুৰাৰ জিৰানীয়া মহকুমাৰ অন্তৰ্গত খামতিং অঞ্চলত আজি সৰ্বভাৰতীয় ধৰ্মঘটৰ সমৰ্থনত চিপিআইএমে আজি এক প্ৰতিবাদী 'ৰে'ল ৰকো' অভিযান ৰূপায়ণ কৰে। পুৱা সময়ছোৱাত দলীয় পতাকা, ব্যানাৰ আৰু শ্ল'গানেৰে সজীৱ হৈ পৰা খামতিং ৰে'লপথত শতাধিক কৰ্মী-সমৰ্থকে অৱস্থান গ্ৰহণ কৰি কেন্দ্ৰীয় চৰকাৰৰ নীতিৰ বিৰুদ্ধে সজোৰে প্ৰতিবাদ সাব্যস্ত কৰে। দলীয় নেতৃত্বই অভিযোগ কৰে যে মূল্যবৃদ্ধি, নিবনুৱা সমস্যা, চৰকাৰী খণ্ডৰ ব্যক্তিগতীকৰণ আৰু কৃষক-শ্ৰমিক বিৰোধী সিদ্ধান্তই সাধাৰণ মানুহৰ জীৱন-জীৱিকাক গভীৰ সংকটৰ সন্মুখীন কৰিছে। "দেশজুৰি শ্ৰমিক, কৃষক আৰু নিম্ন আয়ৰ লোকসকলৰ স্বাৰ্থ ৰক্ষাৰ দাবীতেই এই ধৰ্মঘট। জনতাৰ অধিকাৰ সুৰক্ষিত নোহোৱালৈকে আমাৰ আন্দোলন অব্যাহত থাকিব," বুলি এজন জ্যেষ্ঠ চিপিআইএম নেতাই মন্তব্য কৰে। 'ৰে'ল ৰকো' কাৰ্যসূচীৰ ফলত কিছু সময়ৰ বাবে ৰে'ল চলাচল ব্যাহত হয় আৰু যাত্ৰীসকলৰ মাজত অসুবিধাৰ সৃষ্টি হয়। অৱশ্যে আৰক্ষী আৰু ৰে'ল সুৰক্ষা বাহিনী ঘটনাস্থলীত উপস্থিত থাকি পৰিস্থিতি নিয়ন্ত্ৰণত ৰাখে। কোনো ধৰণৰ অপ্ৰিয় ঘটনা সংঘটিত হোৱা বুলি এতিয়ালৈকে খবৰ পোৱা হোৱা নাই। খামতিং বজাৰ আৰু সংলগ্ন অঞ্চলসমূহতো ধৰ্মঘটৰ প্ৰভাৱ লক্ষ্য কৰা যায়। বহু দোকান-পোহাৰ আংশিকভাৱে বন্ধ থাকে আৰু যান-বাহনৰ চলাচল তুলনামূলকভাৱে হ্ৰাস পায়। সাধাৰণ নাগৰিকসকলৰ মাজত মিশ্ৰ প্ৰতিক্ৰিয়া দেখা যায়- কিছুমানে দাবীসমূহৰ প্ৰতি সমৰ্থন জনোৱাৰ লগতে আন কিছুমানে দৈনন্দিন জীৱনত হোৱা অসুবিধাৰ কথা উল্লেখ কৰে। প্ৰশাসনে অঞ্চলটোত কটকটীয়া নিৰাপত্তা ব্যৱস্থা গ্ৰহণ কৰি শান্তি-শৃংখলা বজাই ৰাখিবলৈ সকলো পক্ষক আহ্বান জনায়। সৰ্বমুঠতে, ১২ ফেব্ৰুৱাৰীৰ সৰ্বভাৰতীয় ধৰ্মঘটৰ সমৰ্থনত খামতিংত সংগঠিত এই 'ৰে'ল ৰকো' অভিযানত ৰাজনৈতিক সজাগতা আৰু গণ আন্দোলনৰ স্পষ্ট প্ৰতিফলন দেখা যায়।

# কপাহেৰাত পুখুৰীত মাছ ধৰিবলৈ গৈ এজনৰ মৃত্যু

**অসম বাৰ্তা, বেবেজীয়া, ১২ ফেব্ৰুৱাৰী** ঃ মৰিগাঁও জিলাৰ মিকিৰভেটা আৰক্ষী থানাৰ অন্তৰ্গত নিজ কপাহেৰা গাঁৱত আজি পুৱা ১০ মান বজাত বাবুল ফুকন (৪৭) নামৰ ব্যক্তিজনে নিজৰ ঘৰৰে দ-পুখুৰীত জাল পেলাই মাছ ধৰিবলৈ গৈ পুখুৰীতে পৰি অতি শোকাৱহভাৱে মৃত্যুক সাৱটি লোৱা ঘটনাই সমগ্ৰ কপাহেৰা অঞ্চলতে শোকৰ চা পেলাই। উল্লেখ যে গাঁৱৰ স্থানীয় ৰাইজে বহু সময় ধৰি পুখুৰীত বাবুলৰ মৃতদেহ বিচাৰি চলাথ কৰে যদিও তেওঁৰ কোনো সন্ধান নোপোৱাত ৰাইজে মিকিৰভেটা আৰক্ষীক অৱগত কৰি মৰিগাঁৱৰ পৰা এচ ডি আৰ এফৰ বাহিনীৰ জৰিয়তে পৰৱৰ্তী সময়ত মৃতদেহটো উদ্ধাৰ কৰিবলৈ সক্ষম হয়। এজন প্ৰগতিশীল কৃষক হিচাপে সকলোৰে পৰিচিত বাবুলৰ পত্নী প্ৰায় ডেৰমাহ পূৰ্বে এক দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ মৃত্যু হৈছিল। তেখেতে মৃত্যুৰ সময়ত দ্বিতীয় পত্নী সহিতে পুত্ৰ আৰু বহুতো আত্মীয়ক ইহ সংসাৰত এৰি থৈ যায়।

## মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ মান নাই তাৰ হানি কেনেকৈ হ'ব?

# বিহালীৰ বালিপুখুৰীত গৌৰৱ গগৈৰ বিস্ফোৰণ



**অসম বাৰ্তা, বিহালী, ১২ ফেব্ৰুৱাৰী** ঃ আজি বিহালীৰ বালিপুখুৰীত স্বাধীনতা সংগ্ৰামী মুক্তি যুঁজাৰু প্ৰয়াত ছবিলাল উপাধ্যায়ৰ প্ৰতিমূৰ্ত্তি উন্মোচনৰ এখন সভাত উপস্থিত হৈ প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে মুখ্য মন্ত্ৰীয়ে উত্থাপন কৰা বিভিন্ন অভিযোগ সন্দৰ্ভত সাংবাদিকে কৰা প্ৰশ্নৰ উত্তৰত কয় যে যাৰ মান নাই, তাৰ হানি কেনেকৈ হ'ব বুলি প্ৰশ্ন উত্থাপন কৰি প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে আক্ৰমণ কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক। মুখ্যমন্ত্ৰীয়ে গৌৰৱ গগৈ সহ AICC ৰ জেষ্ঠ নেতাৰ বিৰুদ্ধে মানহানী গোচৰ সন্দৰ্ভত সাংবাদিকৰ কৰা প্ৰশ্নৰ উত্তৰত সভাপতি গৌৰৱ গগৈয়ে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ভয়াতুৰ বুলি আখ্যা দিয়ে। তেওঁ কয় যে মুখ্যমন্ত্ৰী ভয়াতুৰ হৈ গৈছে বাবে ন্যায়ালয়ত গৈছে। মুখ্যমন্ত্ৰীৰ যদি সাহস আছে, জনতাৰ আদালতত ৰাজনীতিবিদৰ আমাৰ লগত সন্মুখৰ পৰা ফাইট কৰক। আমিও কেচ দিব পাৰিলোহেতেন। মোৰ কেচ দিবলৈ মন নাই। মই এজন ৰাজনীতিবিদ। মই জনতাৰ বিবেকৰ ওপৰত বিশ্বাস কৰো। মই ৰাস্তাত যুঁজিব বিচাৰো হিমন্ত বিশ্ব শৰ্মাৰ লগত, ন্যায়ালয়ত নহয়। তেওঁ ভয়াতুৰ, তেওঁ আমাৰ পৰা সংকিত হৈছে। সিহঁতৰ জনতাৰ আদালতৰ ওপৰত বিশ্বাস নাই। মুখ্যমন্ত্ৰী গৰাকীয়ে যিমান যি কৰিলেও আমি পৰৱৰ্তী সময়ত কংগ্ৰেছ দলে যি আইনী ব্যৱস্থা লব লাগে, আমি লম। আনফালে কংগ্ৰেছ দলে নিয়োগ কৰা তথ্য-প্ৰযুক্তিৰ দুগৰাকী কৰ্মীক উদ্দেশ্যপ্ৰণোদিত গোচৰৰ ভিত্তিত অসম আৰক্ষীয়ে দৈনিক দিশপুৰ থানালৈ তলব কৰি যিধৰণেৰে তৎপৰতা প্ৰদৰ্শন কৰিছে আৰু ভুপেন বৰাৰ বিৰুদ্ধে মহিলা আয়োগে পদক্ষেপ গ্ৰহণ কৰিছে ঠিক তেনেধৰণৰ তৎপৰতা কিন্তু অসমৰ গাঁৱৰ সৰ্বসাধাৰণ নাগৰিক বা মহিলাই আৰক্ষী থানাত বা মহিলা আয়োগত গোচৰ তৰিলে দেখা পোৱা নাযায়। বিশেষকৈ গাঁৱৰ মহিলাই থানালৈ গৈ কোনো গুৰুতৰ বিষয়ত গোচৰ দিবলৈ গ'লে অসম আৰক্ষীয়ে সেই গোচৰেই পঞ্জীয়ন নকৰাৰ বিস্ফোৰক অভিযোগ উত্থাপন কৰি অসম আৰক্ষীকো তীব্ৰ সমালোচনা কৰে সভাপতি গৰাকীয়ে।

## বিটিচিৰ ১৫টা সমষ্টিৰ উপৰিও বিটিচিৰ বাহিৰত প্ৰাৰ্থীত্ব দিব ইউপিপিএলে ঃ প্ৰমোদ বড়ো

# বিজনীত ইউপিপিএলৰ নিৰ্বাচনী ৰণডংগা




**অসম বাৰ্তা, বিজনী, ১২ ফেব্ৰুৱাৰী** ঃ চিৰাং জিলাৰ বিজনীত বিজনী জিলা ইউপিপিএল উদ্যোগত শান্তি সমন্বয়ৰ পদযাত্ৰা উলিওৱা হয়। ইউপিপিএলৰ সভাপতি প্ৰমোদ বড়োৰ উপস্থিতিত উলিওৱা হ'ল শান্তি সমন্বয়ৰ পদযাত্ৰা। আগন্তুক ২০২৬ ৰ বিধানসভা নিৰ্বাচনক কেন্দ্ৰ কৰি ৰাজ্যৰ ৰাজনৈতিক দল সমূহৰ মাজত আৰম্ভ হৈছে ব্যাপক ৰাজনৈতিক তৎপৰতা। বহি থকা নাই বড়ো ভূমিৰ প্ৰমোদ বড়ো নেতৃত্বাধীন ইউপিপিএল। বিজনীত নিৰ্বাচনী ৰণডংকা বজাই ইপিপিএল দলৰ সভাপতি প্ৰমোদ বড়োৰ নেতৃত্বত এক বৃহৎ সমদল। তিনি সহস্ৰাধিক দলীয় কৰ্মী সমৰ্থকৰ উপস্থিতিত উলিওৱা সমদলটোৱে বিজনী ভেটাগাঁওস্থিত জিলা কাৰ্যালয়ৰ পৰা আৰম্ভ কৰি বিজনী চহৰৰ মাজেৰে বিজনী জিলা ক্ৰীড়া সন্থাৰ খেলপথাৰত সামৰণি মাৰে। ৰাজনৈতিক অপৰিপক্কতাৰ কাৰণে ৰাইজৰ বহুত ক্ষতি হয়, আগৰ চৰকাৰৰ দিনত ৰাজনৈতিক ভুল সিদ্ধান্তৰ বাবে হত্যা, হিংসা, গোষ্ঠীগত সংঘৰ্ষ হৈছে। পাঁচটা বছৰত বডোলেণ্ডত শান্তি আছিল, আজি যিটো চৰকাৰ আহিছে ৰাইজৰ কাৰণে চিন্তা নকৰে কাৰণে হত্যা হৈছে, হিংসা হৈছে, জুৱা হৈছে বুলি হাগ্ৰামা মহিলাৰীক সমালোচনা প্ৰমোদ বড়োৰ। বিটিচি নিৰ্বাচনত বিজেপিয়ে প্ৰতাৰণা কৰিছে নেকি বুলি কৰা প্ৰশ্নৰ উত্তৰত এইটো পিছত কম, নিৰ্বাচনত ইয়াৰ উত্তৰ পাব। মিত্ৰতা সন্দৰ্ভত সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত আমি ৰাইজৰ লগত থাকিম বুলি কয় প্ৰমোদ বড়োৱে। ইফালে এই পদযাত্ৰাৰ উদ্বোধনী সভাত কোকৰাঝাৰ বিধানসভা সমষ্টিৰ বিধায়ক লৰেন্স ইছলাৰী, বিজনীৰ প্ৰাক্তন বিধায়ক কমলসিং নাৰ্জাৰী, ইপিপিএলৰ সাধাৰণ সম্পাদকদ্বয় ৰাজু নাৰ্জাৰী, মাধৱ ছেত্ৰী, বিজনী জিলা ইপিপিএলৰ সভাপতি ফণীন বড়ো, সম্পাদক হোম প্ৰসাদ শৰ্মা সহ অন্যান্য নেতৃবৃন্দই অংশগ্ৰহণ কৰে।

## অসাধু ব্যৱসায়ীৰ পৰা বীজ ক্ৰয় কৰি বিপাঙত কৃষক

# মাকৈ খেতি কৰি বৰক্ষেত্ৰীৰ কৃষকৰ হাহাকাৰ

**অসম বাৰ্তা, দৌলাশাল, ১২ ফেব্ৰুৱাৰী** ঃ কৃষি-কৰ্মকে জীৱন জীয়াৰ আহিলা হিচাপে লৈ কৃষি-কৰ্ম কৰি অহা বৰক্ষেত্ৰীৰ চৰাঞ্চলৰ একাংশ কৃষকৰ মাজত হাহাকাৰময় অৱস্থাৰ সৃষ্টি হৈছে। অসাধু ব্যৱসায়ীৰ পৰা বীজ ক্ৰয় কৰি মূৰে কপালে হাত দিবলগীয়া হৈছে ৮/১০ গৰাকীকৈ কৃষকে। নলবাৰী জিলাৰ বৰক্ষেত্ৰী ৰাজহ চক্ৰৰ অন্তৰ্গত ৫১নং মুকালমুৱা গাঁও পঞ্চায়তৰ বৰবালাৰ একাংশ কৃষকে মাকৈ খেতি কৰি পানীত হাঁহ নচৰা অৱস্থাৰ সৃষ্টি হৈছে। বৰবালা চৰৰ কেইবাটাও গৰীৱ-নিছলা পৰিয়ালে মাকৈ খেতি কৰি হাহাকাৰ কৰিবলগীয়া হৈছে। মাকৈ খেতিৰে পৰিয়াল পোহ পালন দিয়াৰ স্বপ্ন দেখা ভালেমান পৰিয়ালে টকা ঋণত লৈ তিনিমাহ পূৰ্বে ব্ৰহ্মপুত্ৰৰ বালি-চাপৰিত ছটিয়াই ছিল মাকৈৰ বীজ। পৰিয়ালসমূহে স্থানীয় ছহিদুল ইছলাম নামৰ অসাধু বীজ ব্যৱসায়ীগৰাকীৰ পৰা Shivam কোম্পানীৰ বীজ ক্ৰয় কৰি পঞ্চাছ বিঘাৰো অধিক কৃষিভূমিত ছটিয়াইছিল মাকৈ। অশেষ ত্যাগ আৰু কষ্টৰে মূৰৰ ঘাম মাটিত পেলাই শস্যসমূহ প্ৰতিপালন কৰাৰ অন্তত ঠন ধৰি উঠিছিল শস্যসমূহ। শস্য উৎপাদনৰ সময়ত শেহতীয়াকৈ খেতিসমূহ নষ্ট হৈ যাবলৈ ধৰিছে। বিঘাই বিঘাই মাকৈ খেতিৰ শস্য উৎপাদনৰ পূৰ্বেই নষ্ট হ'বলৈ ধৰাত কৃষকসকলৰ মাজত হাহাকাৰময় অৱস্থাৰ সৃষ্টি হৈছে। অসাধু বীজ ব্যৱসায়ীগৰাকীয়ে ভেজাল বীজ যোগান ধৰাৰ অভিযোগ তুলিছে ভুক্তভোগীয়ে। ভুক্তভোগী গৰীৱ-নিছলা কৃষকসকলে এইক্ষেত্ৰত চৰকাৰৰ পৰা সহায় ভিক্ষা বিচাৰি ধুৰন্ধৰ ব্যৱসায়ীগৰাকীৰ বিৰুদ্ধে প্ৰশাসনক ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে। উল্লেখ্য যে ছহিদুল ইছলাম নামৰ অসাধু ব্যৱসায়ীগৰাকীয়ে কৃষি বিভাগৰ অনুমতি অবিহনেই চৰাঞ্চলত অবাধে কৃষি বিভাগৰ বীজৰ ক'লা ব্যৱসায় চলাই অহাৰ অভিযোগ উঠিছে।

# লখিমপুৰত অসম কৃষি বিশ্ববিদ্যালয়ৰ ছাত্ৰৰ দ্বাৰা 'তথ্য-কেন্দ্ৰ' উদ্বোধন

**অসম বাৰ্তা, লীলাবাৰী, ১২ ফেব্ৰুৱাৰী** ঃ অসম কৃষি বিশ্ববিদ্যালয়ৰ অন্তৰ্গত মাণ্ডলিক কৃষি গৱেষণা কেন্দ্ৰ, উত্তৰ লখিমপুৰৰ উদ্যোগত বিজ্ঞানী তথা গ্ৰাম্য ৰেচম কৰ্ম অভিজ্ঞতা কাৰ্যসূচীৰ পৰ্যবেক্ষক ড° বীথিকা ফুকনৰ তত্বাবধানত অসম কৃষি বিশ্ববিদ্যালয়ৰ অন্তৰ্গত ৰেচম মহাবিদ্যালয়ৰ চতুৰ্থ বৰ্ষৰ ছাত্ৰসকলে গ্ৰাম্য ৰেচম কৰ্ম অভিজ্ঞতা কাৰ্যসূচীৰ অধীনত মাজগাঁও, বগীনদীত এক কৃষি তথা ৰেচম তথ্যকেন্দ্ৰ সফলভাৱে উদ্বোধন কৰে। উদ্বোধনী অনুষ্ঠানত মাণ্ডলিক কৃষি গৱেষণা কেন্দ্ৰ, উত্তৰ লখিমপুৰৰ মুখ্য বিজ্ঞানী তথা কেন্দ্ৰৰ মুৰব্বী ড° প্ৰবাল শইকীয়াই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি তথ্য কেন্দ্ৰৰ মূল উদ্দেশ্য আৰু উপকাৰিতাৰ লগতে ছাত্ৰসকলৰ দায়িত্বৰ সম্পৰ্কে বিশদভাৱে ব্যাখ্যা কৰে। সভাখনত অসম কৃষি বিশ্ববিদ্যালয়ৰ অন্তৰ্গত ৰেচম মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° দেৱজিৎ বৰা আৰু ড° অপূৰ্ব দাসৰ লগতে মাণ্ডলিক গৱেষণাৰ কেন্দ্ৰৰ বিভিন্ন বিষয়ৰ বিজ্ঞানীসকল- ড° য়াটেৰ দাস, ড° বীথিকা ফুকন, কৃষি উন্নয়ন কৰ্মকৰ্তা সংগীতা হাজৰিকা, ৰেচম প্ৰদৰ্শক প্ৰেমানন্দ দত্ত আৰু ৰূপক বৰা, বগীনদী পঞ্চায়তৰ সভাপতি তথা উপ-সভানেত্ৰী, মাজগাঁৱৰ গাঁও-প্ৰধান আদিয়ে অংশগ্ৰহণ কৰি তথ্য কেন্দ্ৰ উদ্বোধনে গাঁওখনৰ কৃষকসকলক কেনেধৰণে সহায় কৰিব সেই বিষয়ে আলোচনা কৰে। সভাখনত প্ৰায় ২০ গৰাকী কৃষকে অংশগ্ৰহণ কৰি নিজৰ অভিজ্ঞতাবোৰ চৰ্চা কৰে। উল্লেখ্য যে, সভাখনত অসম কৃষি বিশ্ববিদ্যালয়ৰ অন্তৰ্গত ৰেচম মহাবিদ্যালয়ৰ চতুৰ্থ বৰ্ষৰ ছাত্ৰসকলে সাংস্কৃতিক অনুষ্ঠানতো অংশগ্ৰহণ কৰে। তথ্য কেন্দ্ৰটিৰ জৰিয়তে লখিমপুৰ জিলাৰ বগীনদীৰ কৃষকসকলৰ বহু প্ৰকাৰে সহায় হ'ব বুলি আশা কৰা হৈছে।

## কংগ্ৰেছ দল, সাংসদ গৌৰৱ গগৈক ক্ষুৰধাৰ সমালোচনা

# গোলাঘাটত ৰাজ্যিক বিজেপিৰ মিডিয়া পেনেলিষ্ট পাৰ্শ্বজ্যোতি বৰাৰ সংবাদমেল

**ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ১২ ফেব্ৰুৱাৰী** ঃ বিজেপিৰ গোলাঘাট জিলা কাৰ্যালয়ত আজি এখন সংবাদমেল সম্বোধন কৰে ৰাজ্যিক বিজেপিৰ মিডিয়া পেলেলিষ্ট পাৰ্শ্বজ্যোতি বৰাই। আগন্তুক ১৪ ফেব্ৰুৱাৰী তাৰিখে অসমলৈ আহিব দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী। নৰেন্দ্ৰ মোডীৰ আগমনক লৈ পাৰ্শ্বজ্যোতি বৰাই কয় প্ৰধানমন্ত্ৰী অসমলৈ আহিব উক্ত দিনা ডিব্ৰুগড় মৰাণ ৰাষ্ট্ৰীয় ঘাই পথত আপাতকালীন পৰিস্থিতিত বায়ু সেনাৰ বিমান অৱতৰণ বা উৰণ কৰিব পৰা ৰাজপথ নিৰ্মাণ কৰা হৈছে। তাৰ পাছতে গুৱাহাটী উত্তৰ গুৱাহাটীৰ মাজৰ কুমাৰ ভাস্কৰ বৰ্মা সেতুৰ শুভ উদ্বোধন কৰিব। পৰৱৰ্তী সময়ত আই আই এমৰ অস্থায়ী কেম্পাচ উদ্বোধন কৰিব, তদুপৰি ১০০খন ইলেক্ট্ৰনিক বাছ উদ্বোধন কৰিব। ভাৰতীয় জনতা পাৰ্টিৰ সংগঠনৰ মূল আধাৰ বুথ উক্ত দিনা খানাপাৰাত বুথ সম্মিলনত অংশ গ্ৰহণ কৰিব। ইয়াৰ পাছতে পাৰ্শ্বজ্যোতি বৰাই অসমবিৰোধী তথা অসমবাসী ৰাইজলৈ অশনি সংকেত কঢ়িয়াই অনা গণশত্ৰু কংগ্ৰেছ দল আৰু ইয়াৰ সভাপতি গৌৰৱ গগৈৰ পাকিস্তান লিংক সন্দৰ্ভত সমালোচনা কৰে। পাকিস্তানৰ দৰে বৈৰী ৰাষ্ট্ৰৰ বিৰুদ্ধে মোডী চৰকাৰে অপাৰেচন সিন্দূৰৰ দৰে যুঁজ দি আহিছে। কিন্তু এইখন ৰাজ্যৰে সাংসদ গৰাকীৰ এইধৰণৰ কৰ্ম সঁচাকৈ বিপদজনক। কংগ্ৰেছ আৰু গৌৰৱ গগৈৰ মিএগ প্ৰীতি অসমৰ বাবে অতি সংশয়ৰ কথা। কংগ্ৰেছে বৰ অসম গঢ়াৰ যাত্ৰা সন্দৰ্ভত বৰাই কয় যাৰ ঘৰত ৪ জন সদস্যৰ ভিতৰত তিনিজনেই বিদেশী তেওঁৰ পৰা অসমৰ কথা শোভা নাপায়। অসমৰ সিংহ ড° হিমন্ত বিশ্ব শৰ্মা থাকোঁতে চোৰাং চিকাৰী গৌৰৱ গগৈৰ অৰণ্যৰ কাহিনী স্বাভিমানী অসমীয়াই নুশুনে। অসম আন্দোলনৰ স্মৃতিত নিৰ্মিত শ্বহীদ স্মাৰক ক্ষেত্ৰলৈ যাবলৈ সাহস কিয় নাই বুলিও তেখেতে গৌৰৱ গগৈক প্ৰশ্ন কৰে। সংসদত সমষ্টি তথা অসমৰ সমস্যা উত্থাপন নকৰি দেশৰ নিৰাপত্তাৰ লগত জড়িত প্ৰশ্ন কৰে আৰু পাকিস্তানলৈ প্ৰেৰণ কৰে। মতা মাছ মাইকী মাছৰ আৱিষ্কাৰক গৌৰৱ গগৈয়ে অসমী আইৰ মৰ্ম বেদনা অনুধাৱন কৰিব নোৱাৰে। ৰাইজৰ উন্নয়ন, উচ্ছেদ, অশনি শক্তিৰ বিৰুদ্ধে পৰিবৰ্তনকামী অসমৰ সৈতে আগুৱাম, হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অগুৱাম। চন্দ্ৰ কুমাৰ আগৰৱালাৰ জোনাকীৰ প্ৰথম সংস্কৰণত সম্পাদকীয়ৰ এটা পংক্তি আমি 'যুঁজিবলৈ ওলাইছো আন্ধাৰৰ বিপক্ষে দেশৰ উন্নতি জোনাকেৰে' সংবাদমেল সমাপ্ত কৰে। সংবাদমেলখনত গোলাঘাটৰ দলটোৰ সংবাদ বিভাগৰ আহ্বায়ক ডিকি শৰ্মা, সহ আহ্বায়ক দিলীপ শইকীয়া উপস্থিত আছিল।




# শিমলুগুৰি আৰক্ষীৰ অভিযান; গাঞ্জাসহ এজনক আটক

**অসম বাৰ্তা, নামতি, ১২ ফেব্ৰুৱাৰী** ঃ সম্প্ৰতি নাজিৰা সমজিলাৰ অলিয়ে-গলিয়ে ৰঘুমলাৰ দৰে বৃদ্ধি পাইছে অবৈধ মদ, চুলাই, গাঞ্জা, ড্ৰাগছ আদিৰ ৰমৰমীয়া বেহা। আৰক্ষীয়ে বিভিন্ন সময়ত ইয়াৰ বিৰুদ্ধে অভিযান চলাই এই বৰবিহ সদৃশ দ্ৰব্য জব্দ কৰাৰ লগতে বহুজনক আটক কৰি জেল হাজোতলৈ প্ৰেৰণ কৰে যদিও জেল হাজোতৰ পৰা অতি সহজে জামিনত মুকলি হৈ পুনৰ এনে দ্ৰব্যৰ ব্যৱসায়ত নামি সমাজখন কলুষিত কৰি আহিছে। আজি পুৱতি নিশা নাজিৰা সমজিলাৰ শিমলুগুৰি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া দেৱজিৎ কলিতাৰ নেতৃত্বত আৰক্ষীৰ দলে গোপনসূত্ৰে চণ্টক অঞ্চলৰ বাবুল ৰহমানৰ ঘৰত তালাচী অভিযান চলায়। এই অভিযানত বুজন পৰিমাণৰ গাঞ্জা উদ্ধাৰ কৰে যদিও আৰক্ষীৰ আগমনৰ কথা জানিব পাৰি অভিযুক্ত বাবুল ৰহমানে ঘৰৰ পৰা পলায়ন কৰে। আৰক্ষীয়ে বাবুল ৰহমানৰ ঘৰত ব্যৱসায়ৰ বাবে অবৈধভাৱে মজুত ৰখা বুজন পৰিমাণৰ গাঞ্জা জব্দ কৰাৰ লগতে ৰহমানৰ পুত্ৰ আফটাব ৰহমানক আটক কৰে।

# ধুবুৰীৰ জিলা বিজেপি কাৰ্যালয়ত যোগদান কাৰ্য্যসূচী

**অসম বাৰ্তা, ধুবুৰী, ১২ ফেব্ৰুৱাৰী** ঃ আজি ধুবুৰী জিলা ভাৰতীয় জনতা পাৰ্টী কাৰ্যালয়ত যোগদান কাৰ্য্যসূচী অনুষ্ঠিত কৰে। উক্ত যোগদান কাৰ্য্যসূচীত উপস্থিত থাকে ধুবুৰী জিলা বিজেপিৰ সভাপতি ৰঞ্জিত কুমাৰ ৰয়, দিল্লীৰ আৰ, কে, পুৰমৰ বিধায়ক অনিল শৰ্মা, আৰু ধুবুৰী পৌৰসভাৰ পৌৰপতি ডাঃ দেৱময় সান্যালৰ, উতম প্ৰসাদ, লগতে বহু বিজেপি কৰ্মকৰ্তা উপস্থিত থাকে। আজি নতুনকৈ আনুষ্ঠানিক ভাৱে যোগদান কৰে- হেমেন চক্ৰৱৰ্তী, মণ্ডিন্দম নাথ ৰয়, ভাস্কৰ বৰুৱা, ৰঞ্জিত ঘোষ আৰ অমিতাভ আচাৰ্জী, দেবাশীষ হালদাৰ, ৰমা হালদাৰ, গৌতম কৰ্মকাৰ, গণেশ কুণ্ডু লগতে বহু লোক ভাৰতীয় জনতা পাৰ্টিত আনুষ্ঠানিক ভাবে যোগদান কৰে। ধুবুৰীৰ জিলা বিজেপিৰ সভাপতি গৰাকীয়ে কয় যে অসমত দহ বছৰৰ বিজেপিৰ কাৰ্যকালত অসমৰ উন্নয়নৰ প্ৰগতি চাই সকলো ঠাইতে হাজাৰ হাজাৰ মানুহে বিজেপি দলত যোগদান কৰি আছে। ধুবুৰীত নাই কোনো বিজেপি বিধায়ক, বিজেপি এমপি তথাপিও ধুবুৰী জিলাখনত অসম চৰকাৰৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ সবল নেতৃত্বত ৰাস্তা ঘাটৰ বহু উন্নয়ন হৈ আছে। লগতে কেন্দ্ৰত নৰেন্দ্ৰ মোদীৰ চৰকাৰৰ দিনত ধুবুৰী-ফুলবাৰী বৃহৎ দলং নিৰ্মাণ হৈ আছে। সেয়েহে আগন্তক ২০২৬ত অসমত বিজেপি চৰকাৰ হ'ব সেয়া নিশ্চিত।

# আমগুৰিৰ প্ৰথম বিজ্ঞান স্নাতক হিৰণ্য হাজৰিকাৰ স্মৃতিচাৰণ সভা

**অসম বাৰ্তা, আমগুৰি, ১২ ফেব্ৰুৱাৰী** ঃ আমগুৰি অঞ্চলৰ প্ৰথমগৰাকী মহিলা বিজ্ঞান স্নাতক তথা বৃহত্তৰ আমগুৰি অঞ্চলৰ অগ্ৰণী শৈক্ষিক অনুষ্ঠান 'আমগুৰি জ্ঞানবিকাশ বিদ্যাপীঠ'ৰ প্ৰাক্তন অধ্যক্ষ হিৰণ্য হাজৰিকাৰ বিশেষ স্মৃতিচাৰণ সভা আজি আমগুৰি ভূএগ্ৰহাট ন-পাম গাঁওস্থিত বিধায়ক প্ৰদীপ হাজৰিকাৰ গৃহত অনুষ্ঠিত হয়। পণ্যাগাৰ বিশেষজ্ঞ হিচাপে খ্যাতি অৰ্জন কৰি চৰকাৰী দায়িত্বৰ পৰা অৱসৰ গ্ৰহণৰ পিছত বৃহত্তৰ আমগুৰি অঞ্চলৰ শৈক্ষিক ক্ষেত্ৰত জড়িত হৈ সেৱা আগবঢ়োৱা বিশিষ্ট মহিলাগৰাকীৰ সোঁৱৰণত অনুষ্ঠিত এই সভাবন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰে বিশিষ্ট শিক্ষাবিদ তথা জাঁজী হেমনাথ শৰ্মা কলেজৰ প্ৰাক্তন অধ্যক্ষ ভবাণী কুমাৰ বৰুৱাই। অৱসৰী প্ৰধান শিক্ষক পুলিন বৰঠাকুৰে মংগলচাৰণেৰে সহযোগ কৰা আৰু বিশিষ্ট শিক্ষাবিদ তথা জাঁজী হেমনাথ শৰ্মা কলেজৰ প্ৰাক্তন অধ্যক্ষ ড° অনিল কুমাৰ গগৈ আৰু অধ্যাপক-লেখক ড° প্ৰাঞ্জল প্ৰতিম বড়াৰ পৰিচালনাৰে আৰু কলা নিৰ্দেশক মনোজ লাহনৰ শিল্পীসুলভ পৰিৱেশনৰে অনুষ্ঠিত এই সভাতে হিৰণ্য হাজৰিকাৰ সোঁৱৰণত প্ৰাক্তন উচ্চপদস্থ বিষয়া তপন কুমাৰ হাজৰিকা আৰু আমগুৰি সমষ্টিৰ বিধায়ক প্ৰদীপ হাজৰিকা সহ পৰিয়ালৰবৰ্গই প্ৰকাশ কৰা স্মৃতিগ্ৰন্থ 'হিৰন্ময়ী' উন্মোচন কৰে বিশিষ্ট সাহিত্যিক তথা শিৱসাগৰ জিলা সাহিত্য সভাৰ সভাপতি যোগেশ কিশোৰ ফুকনে। আমগুৰি খণ্ড উন্নয়ন বিষয়া ৰাতুল গগৈ, অৱসৰপ্ৰাপ্ত অধ্যক্ষ বিপুল বৰকটকী, দিখৌমুখ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰঞ্জিত কুমাৰ বৰুৱা, অৱসৰী শিক্ষাবিদ প্ৰমোদ শইকীয়া, বিমল শইকীয়া, কাশীনাথ পাত্ৰ, ৰবীন চন্দ্ৰ হাজৰিকা, প্ৰফুল্ল নেওগ, সমাজকৰ্মী দুলাল বৰুৱা, ৰমেন চেতিয়া, দিগন্ত বৰুৱা, নিত্যানন্দ কলিতা, পৰাগ তামোলী, শিক্ষক উদয় দত্ত, ইন্দ্ৰ কমল ফুকন, দিব্যজ্যোতি শইকীয়া, অনুপম দত্ত, সুৰেণ বৰা, সমাজসেৱিকা হিৰণ্য বৰুৱা, নীলিমা শইকীয়া, উৰ্মিলা দত্ত, সংবাদসেৱী গকুল বৰা প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকলে আমগুৰিৰ বিভিন্ন অনুষ্ঠান, প্ৰতিষ্ঠানৰ হৈ শ্ৰদ্ধাঞ্জলি জনোৱা এই সভাতে পৰিয়ালবৰ্গৰ হৈ বিধায়ক প্ৰদীপ হাজৰিকা, ৰক্তিম হাজৰিকা, জ্ঞানবিকাশ বিদ্যাপীঠৰ হৈ হিমাদ্ৰীজ্যোতি দত্তই বক্তব্য প্ৰদান কৰে। ড° প্ৰাঞ্জল প্ৰতিম বড়া আৰু শিক্ষক-সাংস্কৃতিক কৰ্মী সঞ্জীৱ কুমাৰ শইকীয়াৰ সম্পাদনাত প্ৰকাশিত স্মৃতিগ্ৰন্থৰ সম্পাদনা সমিতিৰ হৈ সভাপতি ড° অনিল কুমাৰ গগৈয়ে শলাগৰ শৰাই আগবঢ়োৱা এই সভাতে বংশীধৰ বেজবৰুৱাৰ কথা আৰু শিক্ষক-সাংস্কৃতিক কৰ্মী ৰূণজুন ঢেকিয়াল ফুকনৰ কণ্ঠৰে হিৰণ্য হাজৰিকাৰ স্মৃতিত প্ৰস্তুত কৰা প্ৰশস্তি গীত এটিও আনুষ্ঠানিকভাৱে মুকলি কৰা হয়।

## স্মৃতিগ্ৰন্থ 'হিৰন্ময়ী' উন্মোচন

# মৈৰাবাৰীৰ তাঁতীকটা মধ্য ইংৰাজী বিদ্যালয়ত শিক্ষক ছাইফুল ইছলামৰ অৱসৰ গ্ৰহণ

**অসম বাৰ্তা, মৈৰাবাৰী, ১২ ফেব্ৰুৱাৰী** ঃ লাহৰিঘাট শিক্ষা খণ্ডৰ অন্তৰ্গত তাঁতীকটা মধ্য ইংৰাজী বিদ্যালয়ৰ সহকাৰী শিক্ষক ছাইফুল ইছলামৰ আজি এক গাম্ভীৰ্যপূৰ্ণ আৰু আবেগিক পৰিৱেশত অৱসৰী সম্বৰ্ধনা অনুষ্ঠানৰ জৰিয়তে আনুষ্ঠানিক বিদায় জনোৱা হয়। ১৯৮৬ চনত তাঁতীকটা মধ্য ইংৰাজী বিদ্যালয়তে শিক্ষকতা জীৱনৰ আৰম্ভণি কৰি এইখন বিদ্যালয়ৰ পৰাই তেওঁ যোৱা নৱেম্বৰৰ ৩০ তাৰিখে অৱসৰ গ্ৰহণ কৰে। প্ৰায় চল্লিছটা বছৰ শিক্ষকতা জীৱনত বিদ্যালয়খনৰ শিক্ষাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়োৱা শিক্ষক গৰাকীক সন্মান জনাবলৈ বিদ্যালয় চৌহদত এক বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে লাহৰিঘাট সমজিলা আয়ুক্ত শিল্পী কলিতা। তেওঁ নিজৰ ভাষণত শিক্ষক ছাইফুল ইছলামৰ নিষ্ঠা, সততা আৰু ছাত্ৰ-ছাত্ৰীৰ প্ৰতি থকা আন্তৰিকতাৰ কথা উল্লেখ কৰি সমাজ গঢ়াত শিক্ষকসকলৰ ভূমিকাৰ ওপৰত বক্তব্য ৰাখে। উপস্থিত সকলে শিক্ষক গৰাকীৰ অৱসৰ জীৱনৰ বাবে শিক্ষক গৰাকীক শুভেচ্ছা জনোৱাৰ লগতে সুস্বাস্থ্য আৰু দীৰ্ঘায়ুৰ কামনা কৰে। অনুষ্ঠানত বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী, পৰিচালনা সমিতিৰ সদস্যবৃন্দ, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, স্থানীয় অভিভাৱক আৰু অঞ্চলবাসীয়ে ব্যাপক সংখ্যাত অংশগ্ৰহণ কৰে।

# মৰিগাঁৱত শ্ৰেষ্ঠ বিদ্যালয় পৰিচালনা সমিতিক বঁটা প্ৰদান

**ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ১২ ফেব্ৰুৱাৰী** ঃ সমগ্ৰ শিক্ষা, মৰিগাঁৱৰ উদ্যোগত আজি মৰিগাঁও জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত অনুষ্ঠিত এটা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত মৰিগাঁও জিলাৰ প্ৰাথমিক আৰু উচ্চপ্ৰাথমিক বিদ্যালয়সমূহৰ মাজত নিৰ্বাচিত ১৪২খন বিদ্যালয় পৰিচালনা সমিতিক, শ্ৰেষ্ঠ বিদ্যালয় পৰিচালনা বঁটা প্ৰদান কৰা হয়। বঁটা প্ৰদান অনুষ্ঠানত অংশগ্ৰহণ কৰি মৰিগাঁও জিলাৰ অতিৰিক্ত আয়ুক্ত (শিক্ষা) অনসুয়া শৰ্মাই ভাষণ প্ৰসঙ্গত চৰকাৰী বিদ্যালয় সমূহত থকা বিভিন্ন সুবিধাসমূহ আৰু আবণ্টিত পুঁজিৰ সঠিক ব্যৱহাৰৰ ওপৰত আলোকপাত কৰাৰ লগতে বিদ্যালয়সমূহৰ সামগ্ৰীক বিকাশৰ বাবে সদায় গুনুৎসৱ সদৃশ পৰিৱেশৰ বৰ্তাই ৰখাৰ পোষকতা কৰে। মৰিগাঁও জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক ড° অপূৰ্ব ঠাকুৰীয়াই বিদ্যালয় পৰিচালনা সমিতিৰ দায়িত্ব আৰু কৰ্তব্য সম্পৰ্কে আলোচনা কৰাৰ লগতে বিদ্যালয় সমূহত পৰিচালনা সমিতিৰ তত্ত্বৱধানত বিদ্যালয় উন্নয়ন পৰিকল্পনা প্ৰস্তুত আৰু ৰূপায়ণৰ ওপৰত গুৰুত্ব প্ৰদান কৰে। বিষয়াজনে ভাষণ প্ৰসংগত বৰ্তমান সময়ত বৃত্তিমুখী শিক্ষাৰ গুৰুত্ব আৰু প্ৰয়োজনীয়তা আলোচনা কৰে। সভাত মায়ং, ভূৰবন্ধা, লাহৰীঘাট আৰু কপিলী শিক্ষা খণ্ডৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া সকল উপস্থিত থাকে। সভাত বঁটা প্ৰাপ্ত বিদ্যালয়সমূহৰ সভাপতি সকলক একোখনকৈ ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱাৰ লগতে প্ৰমাণপত্ৰ আৰু স্মাৰক প্ৰদান কৰা হয়। অনুষ্ঠানৰ উদ্দেশ্যে ব্যাখ্যা কৰে জিলা আঁচনি বিষয়া লক্ষ্মী নন্দন শইকীয়াই।

গান্ধীজীৰ ১৫৭ বছৰ জন্ম জয়ন্তী উপলক্ষে ১৫৭ ঘণ্টা সূতা কটাৰ কাৰ্যক্ৰম সম্পন্ন

# লখিমপুৰৰ মৈত্ৰী আশ্ৰমত গান্ধীবিছাৰ অনুষ্ঠান ‘সূত্ৰাঞ্জলি দিৱস’



**অসম বাৰ্তা, লীলাবাৰী, ১২ ফেব্ৰুৱাৰী ঃ** ‘সত্য-প্ৰেম-কৰুণা’ৰ স্থল হিচাপে লখিমপুৰৰ লীলাবাৰী অঞ্চলত ১৯৬২ বৰ্ষৰ ৫ মাৰ্চত গান্ধীবাদী সন্ত আচাৰ্য বিনোৱা ভাৱেই মৈত্ৰী আশ্ৰমৰ প্ৰতিষ্ঠা কৰিছিল। সাধনাময় জীৱনৰ দ্বাৰা সমাজত বিচাৰ-প্ৰচাৰ আৰু আধ্যাত্মিক জ্ঞান বিকাশেৰে জন-সম্পৰ্ক ৰক্ষা কৰি কৃষি, বস্ত্ৰ স্বাৱলম্বন আৰু উৎপাদন, গো-সেৱাৰে পৰিচালিত মৈত্ৰী আশ্ৰম প্ৰাংগণত আজি ‘সূত্ৰাঞ্জলি দিৱস’ৰ সামৰণি পৰে। মহামানৱ মহাত্মা গান্ধীজীৰ তিৰোভাৱৰ পিছত শ্ৰাদ্ধৰ দিৱসত সৰ্বোদয় মেলা পাতি গান্ধীজীৰ শ্ৰদ্ধাঞ্জলি হিচাপে এনেছা নিজ হাতে কটা সূতা অথবা মূল্য দিয়াৰ বাবে গান্ধীবিছাৰ অনুষ্ঠান প্ৰতিবছৰে অনুষ্ঠিত হৈ আহিছে। ২০২৬ বৰ্ষত গান্ধীজীৰ ১৫৭ বছৰ জন্ম জয়ন্তীৰ লগত সংগতি ৰাখি তেখেতৰ শ্বহীদৰ দিন ৩০ জানুৱাৰীৰ পৰা ১২ ফেব্ৰুৱাৰী শ্ৰাদ্ধৰ দিনলৈ অসমৰ বিভিন্ন প্ৰান্তৰ ভনীসকলে লখিমপুৰৰ মৈত্ৰী আশ্ৰমত সমবেত হৈ যঁতৰেৰে ১৫৭ ঘণ্টা সূতা কটাৰ কাৰ্যক্ৰম সম্পন্ন হয়। দিৱসটি আয়োজনত কস্তুৰবা গান্ধী ৰাষ্ট্ৰীয় স্মাৰক ট্ৰাষ্টৰ অসম শাখা, সৰ্বোদয় ট্ৰাষ্টৰ অসম মণ্ডল, তামোলপুৰ আঞ্চলিক গ্ৰামদান সংঘ আৰু লখিমপুৰ জিলাৰ মৈত্ৰী আশ্ৰমে যৌথ উদ্যোগ লয় আৰু গ্ৰাম লোকসেৱা সংঘ, অসম গান্ধী স্মাৰক নিধি, বৰক্ষেত্ৰী উন্নয়ন সমিতি, শান্তি সাধনা আশ্ৰম, উত্তৰ পূৰ্বাঞ্চল খাদ্দী মহাসংঘ, গ্ৰাম স্বৰাজ পৰিষদ, আশা দৰ্শন, অসম নয়ী তালিম সংঘ, মৌমান সেৱা আশ্ৰম আৰু বালিজান আঞ্চলিক জনসেৱা সমিতিয়ে সহযোগ কৰে। ‘সূত্ৰাঞ্জলি দিৱস’ৰ আজি সামৰণিৰ দিনা পুৱাৰে পৰা গীত-প্ৰাৰ্থনাৰে মৈত্ৰী আশ্ৰমৰ ফলক উন্মোচন কৰে সৰ্বোদয় ট্ৰাষ্টৰ বিষয়ববীয়া কল্পনা দাসে। সুদূৰ ফ্ৰান্সৰ গান্ধীবাদী নেত্ৰী এনী পাউলীন আৰু লখিমপুৰৰ শিক্ষাবিদ বন্তি হাওবৰাই মহামানৱ মহাত্মা গান্ধীৰ প্ৰতিচ্ছবিত বন্তি আৰু পুষ্প অৰ্পণ কৰে। উল্লেখ্য যে, যঁতৰেৰে কটা এৰী, মুগা, খাদ্দীৰ সূতা মহামানৱ গান্ধীৰ শ্ৰীচৰণত অৰ্পণ কৰে আৰু বস্ত্ৰ উৎপাদন কৰি স্বাৱলম্বী হোৱা অসমৰ বিভিন্ন জিলাৰ পৰা অহা খদ্দৰ কাপোৰ পৰিহিত গান্ধীবাদী চিন্তাত বিশ্বাসী লোকৰ সমাগমে অনুষ্ঠানটো অধিক জীপাল কৰি তোলে। সৰ্বোদয় ট্ৰাষ্টৰ অসম মণ্ডলৰ সভাপতি দয়মন্তী দেৱীৰ সঞ্চালনাত অনুষ্ঠিত সামৰণি অনুষ্ঠানত কস্তুৰবা গান্ধী ৰাষ্ট্ৰীয় স্মাৰকট্ৰাষ্টৰ বিষয়ববীয়া কুসুম বৰা মুকাশ, অমিয়া তামোলী বৰুৱা, সৰ্বোদয় ট্ৰাষ্টৰ মণ্ডল সম্পাদক অনন্ত কুমাৰ সিঙে মহামানৱ গান্ধীজীৰ চিন্তা-চৰ্চা সন্দৰ্ভত বক্তব্য ৰাখে।

# ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথ-ৰূপাই হাইস্কুল সংযোগী পথৰ আধাৰশিলা স্থাপন মন্ত্ৰী ৰূপেশ গোৱালাৰ

**ষ্টাফ ৰিপৰ্টাৰ, ডুমডুমা, ১২ ফেব্ৰুৱাৰী ঃ** ৮২ নং ডুমডুমা বিধানসভা সমষ্টিৰ বিধায়ক তথা শ্ৰমিক কল্যাণ, চাহ জনজাতি আৰু আদিবাসী কল্যাণ আৰু গৃহ বিভাগ(কাৰাগাৰ, গৃহৰক্ষী আৰু অসামৰিক প্ৰতিৰক্ষা)ৰ মন্ত্ৰী ৰূপেশ গোৱালাই আজি ২০২৫-২৬ বৰ্ষৰ SOPD-G শিতানত ৫৮ লাখ টকাৰ ব্যয়েৰে পকীকৰণ হ’বলগীয়া লোক নিৰ্মাণ বিভাগৰ তিনিচুকীয়া, ডুমডুমা, মাকুম আৰু শদিয়া ক্ষেত্ৰীয় পথ সংমণ্ডলৰ অধীনস্থ ছৈখোৱাঘাট অভিমুখী ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা ৰূপাই হাইস্কুল সংযোগী গড়কাপ্তানী পথটোৰ আধাৰশিলা স্থাপন কৰে। উল্লেখ্য যে, বহু প্ৰতীক্ষিত উক্ত পথচোৱাৰ পকীকৰণৰ নামত পূৰ্বতে কেৱল ভেঁকোভাওনা চলাত পথচোৱাই এতিয়ালৈকে পকীকৰণৰ মুখ নেদেখিলে। পথচোৱাৰ পকীকৰণৰ বাবে গাঁৱৰ ৰাইজে মন্ত্ৰী-বিধায়কক বহুকেইবাৰ আবেদন-নিবেদন কৰাৰ পিছতো



কোনো সুফল পোৱা নাছিল। জৰাজীৰ্ণ পথচোৱা নিৰ্মাণৰ নামত বিগত সময়ত পঞ্চায়তৰ লাখে লাখে টকা শৰাধ হয় যদিও পথচোৱাৰহে কোনো উন্নতি সাধন নহল। অৱশেষত আজি স্থানীয় বিধায়ক তথা কেবিনেট মন্ত্ৰী ৰূপেশ গোৱালাই পথচোৱাৰ পকীকৰণৰ আধাৰশিলা স্থাপন কৰাত ৰাইজে সন্তোষ প্ৰকাশ কৰা পৰিলক্ষিত হয়। পথচোৱাৰ আধাৰশিলা স্থাপন অনুষ্ঠানত ভাষণ প্ৰদান কৰি মন্ত্ৰী গোৱালাই বিধায়ক নিৰ্বাচিত হোৱাৰে পৰা ডুমডুমা সমষ্টিৰ বিভিন্ন সমস্যা সমাধানৰ হকে পদক্ষেপ গ্ৰহণ কৰি অহাৰ লগতে সমষ্টিটোৰ বিভিন্ন ৰাস্তা-ঘাট নিৰ্মাণৰ ব্যৱস্থা গ্ৰহণ কৰি আহিছে বুলি উল্লেখ কৰে। মন্ত্ৰী গোৱালাই লগতে কয় যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসমক সকলো দিশৰ পৰা আগুৱাই নিবলৈ দিনে-নিশাই কাম কৰি আহিছে। ভাষণ প্ৰসংগত তেখেতে ৬৪ কোটি টকা ব্যয়েৰে মাকুম অভাৰব্ৰীজৰ পৰা ডুমডুমা সমষ্টিৰ শেষ সীমা টিপুক দলঙলৈকে জৰাজীৰ্ণ ৰাষ্ট্ৰীয় ঘাইপথচোৱাৰ পুনঃ নিৰ্মাণৰ কাম দ্ৰুতগতিত চলি থকা বুলি কোৱা লগতে শান্তিপুৰ গাঁৱৰ এই পথচোৱাৰ নিৰ্মাণৰ কামো সোনকালেই আৰম্ভ হ’ব বুলি কয়। এই অনুষ্ঠানত বিভাগীয় অভিযন্তা অৰূপ শ্যাম, ডুমডুমা আঞ্চলিক পঞ্চায়তৰ সভাপতি ভাৰত ভাজনী, টিপুক গাঁও পঞ্চায়তৰ সভানেত্ৰী চিত্ৰা মজুমদাৰ বড়া, উপ-সভানেত্ৰী নিৰু সোণোৱাল, শান্তিপুৰ নামঘৰৰ সভাপতি মুকেশ দিহিঙীয়া, নামঘৰীয়া জোনেশ্বৰ সোণোৱাল, সমাজসেৱক ব্ৰজেন মহন্ত, বয়োজ্যেষ্ঠ ব্যক্তি আনন্দৰাম সোণোৱালকে মুখ্য কৰি শান্তিপুৰ গাঁৱৰ বহুকেইগৰাকী গণ্য-মান্য ব্যক্তি আৰু শতাধিক ৰাইজ উপস্থিত থাকে।

# জনপ্ৰিয় ছিনিয়ৰ চেকেণ্ডাৰী স্কুলত ৫৯৮ গৰাকী পৰীক্ষাৰ্থীয়ে উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা

**অসম বাৰ্তা, জনীয়া, ১২ ফেব্ৰুৱাৰী ঃ** ৰাজ্যত আজিৰে পৰা আৰম্ভ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা। ৰাজ্যৰ মুঠ ৮২১টা কেন্দ্ৰত ৩,৩০,৩৪৪জন পৰীক্ষাৰ্থী এইবেলি উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ হৈছে। সমান্তৰালকৈ ভৱানীপুৰ শিক্ষা খণ্ডৰ অন্তৰ্গত বানিয়াৰাপাৰাৰ ঐতিহ্যমণ্ডিত জনপ্ৰিয় ছিনিয়ৰ চেকেণ্ডাৰী স্কুলত ৫৯৮ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে এইবেলি উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ হৈছে। পাঁচখনকৈ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ৫৯৮ গৰাকী ছাত্ৰ ছাত্ৰীয়ে এইবেলি জনপ্ৰিয় ছিনিয়ৰ চেকেণ্ডাৰী স্কুলত পৰীক্ষাত অৱতীৰ্ণ হৈছে। বিদ্যালয় কেইখন ক্ৰমে, জনপ্ৰিয় ছিনিয়ৰ চেকেণ্ডাৰী স্কুল, ঢাকালীয়াপাৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়, উত্তৰ বৰপেটা ছিনিয়ৰ চেকেণ্ডাৰী স্কুল, ফখৰুদ্দিন আলী আহম্মেদ ছিনিয়ৰ চেকেণ্ডাৰী স্কুল আৰু জাহোৰপাম উচ্চতৰ মাধ্যমিক বিদ্যালয়। তাৰে কলা শাখাত ৫০৪জন ছাত্ৰ-ছাত্ৰী আৰু বিজ্ঞান শাখাত ৯৪জন ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষাত অৱতীৰ্ণ হৈছে। উল্লেখযোগ্য যে বৃহত্তৰ অঞ্চল আগশাৰীৰ কেইবাটাও বিদ্যালয়ৰ পৰা ইতিমধ্যে শিক্ষা বিভাগে বিভিন্ন কাৰণত পৰীক্ষা কেন্দ্ৰ বাতিল কৰিছে, ফলত চিন্তিত বৌদ্ধিক মহল। যাৰ বাবে জনপ্ৰিয় ছিনিয়ৰ চেকেণ্ডাৰী স্কুল কৰ্তৃপক্ষই প্ৰত্যেক বছৰৰ দৰে এইবেলিও আগতীয়াকৈ কঠোৰ স্থিতি গ্ৰহণ কৰি নকলৰ প্ৰয়োভৰ বন্ধ কৰিবলৈ প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰীক মূল দুৱাৰত তন্ন-তন্নকৈ তালাচী কৰি পৰীক্ষা কেন্দ্ৰৰ সোমাবলৈ দিয়ে। পৰীক্ষা কেন্দ্ৰৰ পৰা ২০০ মিটাৰ আতৰলৈ যাতে কোনো ব্যক্তিয়ে ভিৰ কৰিব নোৱাৰে তাৰ প্ৰতিও লক্ষ ৰাখি কটকটীয়া নিৰাপত্তা বেষ্টনীৰ ব্যৱস্থা কৰে।

## শিৱপুৰত চাৰিদিনীয়া কাৰ্যসূচী অভয়াপুৰীৰ প্ৰান্তে-প্ৰান্তে শিৱৰাত্ৰি উদ্‌যাপনৰ প্ৰস্তুতি

**ষ্টাফ ৰিপৰ্টাৰ, বঙাইগাঁও, ১২ ফেব্ৰুৱাৰী ঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে বঙাইগাঁও জিলাৰ অভয়াপুৰী আৰু ইয়াৰ প্ৰান্তে-প্ৰান্তে সমাগত শিৱৰাত্ৰি উপলক্ষে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰিছে। অভয়াপুৰীৰ নিকটবৰ্তী শিৱপুৰৰ শিৱ মন্দিৰত আঞ্চলিক শিৱ পূজা উদ্‌যাপন সমিতিয়ে অহা ১৫ ফেব্ৰুৱাৰীৰ পৰা চাৰিদিনীয়াকৈ শিৱৰাত্ৰি পূজা আৰু মহামেলাৰ আয়োজন কৰা হৈছে। এই উপলক্ষে ৰাজীৱ ভট্টাচাৰ্যক সভাপতি, ভবেন দাসক উপ-সভাপতি, আৰু ৰুদ্ৰদত্ত দেৱশৰ্মাক সম্পাদক হিচাবে গঠন কৰা উদ্‌যাপন সমিতিয়ে প্ৰথম দিনা পুৱা শিৱৰ নিত্য পূজা, ভক্তসকলৰ পূজা অৰ্চনা আৰম্ভ হ’ব। ইয়াৰ পাচতে ধ্বজা উত্তোলন, সন্ধিয়াৰ পৰা শিৱৰ পূজা অৰ্চনা অব্যাহত ৰাখিব। পূজা আৰু মহামেলাৰ লগত সংগতি ৰাখি উদ্‌যাপন সমিতিয়ে নাম প্ৰসংগ আদিৰ লগতে, খাৰাতাল, চিত্ৰাংকন প্ৰতিযোগিতা আৰু ১৮ ফেব্ৰুৱাৰীৰ অন্তিম দিনা সন্ধিয়া পাঠশালাৰ শংকৰ মাধৱ যান্ত্ৰিক থিয়েটাৰ দলে পৰিবেশন কৰিব নাট। তদুপৰি সৃজনগ্ৰাম আঞ্চলিক শিৱপূজা উদ্‌যাপন সমিতিয়ে দুদিনীয়া কাৰ্যসূচীৰে আলোকঝাৰী বজাৰৰ শিৱ মন্দিৰ শিৱৰাত্ৰি উদ্‌যাপনৰ প্ৰস্তুতি চলাইছে। তেনেদৰে চাৰিপুনীয়া, বৰঘোলা, বড়িগাঁও, মজাইৰমুখ আদিত শিৱৰাত্ৰি উপলক্ষে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰিছে।

# ৮ নং ধুবুৰী ২০২৬ বিধানসভা সমষ্টিৰ কংগ্ৰেছ দলৰ প্ৰবল দাবীদাৰ যুৱনেতা ৰেজাউল ইছলাম (ৰিংকু)

**অসম বাৰ্তা, ধুবুৰী, ১২ ফেব্ৰুৱাৰী ঃ** ধুবুৰীত ব্যাপক চৰ্চা, সকলোৰে মুখত এটায় নাম ৰেজাউল ইছলাম... ৰেজাউল ইছলাম! ধুবুৰী সমষ্টিত কেইবাগৰাকী প্ৰাৰ্থীত্ব প্ৰত্যাশীৰ ভিতৰত অন্যতম শক্তিশালী প্ৰাৰ্থীৰূপে পৰিচিত ৰেজাউল ইছলাম। দুই বাৰৰ জিলা পৰিষদৰ সদস্য হৈ ৰাইজৰ সেৱা আগবঢ়াই আহিছে এই গৰাকী যুৱ নেতা ৰেজাউল ইছলাম। ছাত্ৰ জীৱনৰ পৰা আৰম্ভ কৰি কংগ্ৰেছ দলত ওতঃপ্ৰোতভাৱে জড়িত হৈ দলীয় কাম কাজত সদায় ব্যস্ত ৰেজাউল ইছলাম। পূৰ্বতে ধুবুৰী ভোলানাথ মহাবিদ্যালয়ৰ পৰা NSUI সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত হৈছিল যুৱ নেতা গৰাকী। পিছত যুৱ কংগ্ৰেছ, সেৱা দল, জিলা কংগ্ৰেছৰ বিভিন্ন দলীয় বিভাগত গুৰুত্বপূৰ্ণ পদত থাকি দলৰ হৈ কাম কৰি আহিছে। বিগত সময়ত, ধুবুৰী সমষ্টিৰ অন্তৰ্গত মধুশৌলমাৰী, টিয়ামাৰী জিলা পৰিষদৰ সদস্য পদৰ নিৰ্বাচনত AIUDF দলৰ প্ৰাৰ্থীক মুখ থেকেঁচা দি বিপুল ভোটত জয় লাভ কৰি ৰাইজৰ বিভিন্ন ধৰণৰ উন্নয়নমূলক কাম কৰি আহি ধুবুৰী সমষ্টিত এক বহুল জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হৈছে এই গৰাকী যুৱ নেতা। কংগ্ৰেছৰ এইগৰাকী যুৱ নেতাৰ নিৰ্বাচনী প্ৰচাৰ দেখি অন্যান্য ৰাজনৈতিক দলৰ নেতা সকল হতভম্ব হৈ পৰিছে। ধুবুৰী সমষ্টিত ১৮খন গাওঁ পঞ্চায়তত ৰাইজৰ ঘৰে ঘৰে গৈ কংগ্ৰেছ দলৰ হৈ নিৰ্বাচনী প্ৰচাৰত ব্যস্ত হৈ পৰিছে নেতা গৰাকীয়ে। বিধানসভা নিৰ্বাচনত কংগ্ৰেছ দলৰ মনোনীত প্ৰাৰ্থীক ভোট দিয়াৰ আহ্বান।

## পুঠিমাৰী আঞ্চলিক শিৱ মন্দিৰত ৪২ সংখ্যক মহা শিৱৰাত্ৰিৰ আয়োজন

**অসম বাৰ্তা, চাংসাৰি, ১২ ফেব্ৰুৱাৰী ঃ** কামৰূপ জিলাৰ পুঠিমাৰী নৈৰ পশ্চিম পাৰত পুঠিমাৰী আঞ্চলিক শিৱ মন্দিৰত ফাগুণ মাহৰ কৃষ্ণপক্ষৰ শিৱ চতুৰ্দশী নিশা মহা শিৱৰাত্ৰি ব্ৰত আয়োজন কৰা হৈছে। ১৫ আৰু ১৬ ফেব্ৰুৱাৰীত দুদিনীয়া কাৰ্যসূচীৰে পুঠিমাৰী আঞ্চলিক শিৱ মন্দিৰ পৰিচালনা সমিতিৰ সৌজন্যত ৪২ সংখ্যক মহা শিৱৰাত্ৰিৰ আয়োজন কৰিছে। উদ্‌যাপন সমিতিৰ সভাপতি ৰামেশ্বৰ পাঠক আৰু সম্পাদক ৰিদীপ কলিতাৰ মতে, ১৫ ফেব্ৰুৱাৰী ৰাতিপুৱা ধৰ্মীয় পতাকা উত্তোলনৰে কাৰ্যসূচী আৰম্ভ হ’ব। তাৰপিছত মন্দিৰৰ দেৱালয় মুকলি কৰা হ’ব। ৰাতিপুৱা ন বজাত পানীতোলন কাৰ্যসূচী আৰু গছপুলি ৰোপণ, সন্ধিয়া বন্তি প্ৰজ্বলন আৰু আৰতি অনুষ্ঠিত হ’ব। সন্ধিয়া ছয় বজাত আমন্ত্ৰিত মহিলাৰ নাগাৰা নাম পৰিৱেশন কৰা হ’ব। তাৰপিছত চাৰি প্ৰহৰীয়া পূজা আৰম্ভ হ’ব। নিশা এঘাৰ বজাত ধ্বজা উত্তোলন কৰা হ’ব। ১৬ ফেব্ৰুৱাৰী ৰাতিপুৱা স্বচ্ছ অভিযান আৰু ভাগৱত পাঠৰ আয়োজন কৰা হ’ব। আবেলি ওজাপালি আৰু সন্ধিয়া বন্তি প্ৰজ্বলন অনুষ্ঠিত হ’ব। উদ্‌যাপন সমিতিয়ে অনুষ্ঠানটোলৈ সমূহ ৰাইজৰ সহায়-সহযোগিতা আৰু উপস্থিতি কামনা কৰিছে।

## ২৮ নং বকো ছয়গাঁও সমষ্টিত মহিলাৰ বাবে সংৰক্ষিত হ’লে বিজেপিৰ পৰা প্ৰাৰ্থীত্ব বিচাৰিব মৌচুমী ব্ৰহ্মই

**অসম বাৰ্তা, বকো, ১২ ফেব্ৰুৱাৰী ঃ** আহি আছে অসম বিধানসভাৰ নিৰ্বাচন ২০২৬। তাৰ মাজতে বিজেপি, কংগ্ৰেছৰ লগতে প্ৰত্যেক ৰাজনৈতিক দলে ইতিমধ্যে সাজু হৈ উঠিছে ভোট যুদ্ধলৈ। সমষ্টি পুনৰ নিৰ্ধাৰণৰ পাছত নতুনকৈ গঠন হৈছে পূৰ্বৰ বকো আৰু ছয়গাঁও সমষ্টি। বৰ্তমান জনজাতিৰ বাবে সংৰক্ষিত বকো ছয়গাঁৱতো দেখা গৈছে ভিন্ন দলৰ টিকট প্ৰত্যাশীৰ সকলৰ ব্যাপক তৎপৰতা। সমাগত অসম বিধানসভাৰ নিৰ্বাচনত যদি ২৮ নং বকো-ছয়গাঁও সমষ্টিৰ আসনখন মহিলাৰ বাবে সংৰক্ষিত হয় তেন্তে প্ৰাৰ্থীত্ব বিচাৰিব মৌচুমী ব্ৰহ্মই। ভাৰতীয় জনতা পাৰ্টিৰ ৰাজ্যিক কাৰ্য্য নিৰ্বাহক সদস্য দৰে গুৰু দায়িত্বত আছে মৌচুমী ব্ৰহ্ম। ইফালে, এইবাৰ যিহেতু বিজেপি দলে নতুন মুখক প্ৰাধান্য দিয়াৰ ইংগিত প্ৰদান কৰিছে ৰাজ্যিক নেতৃত্বই। সেয়েহে, দীৰ্ঘদিনে বিজেপি দলত নিষ্ঠাসহকাৰে কাম কৰি অহা মৌচুমী ব্ৰহ্মই দলে যোগ্য বিবেচনা কৰি টিকট দিব বুলি আশাবাদী।

নিম্নমানৰ ডেস্ক-বেঞ্চ যোগানেৰে বৈতৰণী পাৰ কৰাৰ চেষ্টাৰ অভিযোগ একাংশ ভেণ্ডৰৰ বিৰুদ্ধে

# সমগ্ৰ শিক্ষা, বঙাইগাঁৱৰ অধীনত এশ এঘাৰখন বিদ্যালয়ত দুই আসনবিশিষ্ট ডেস্ক-বেঞ্চ ক্ৰয়ৰ প্ৰক্ৰিয়া

**অসম বাৰ্তা, অভয়াপুৰী, ১২ ফেব্ৰুৱাৰী ঃ** সমগ্ৰ শিক্ষা, বঙাইগাঁৱৰ অধীনত এ পি ডব্লিউ পি এণ্ড বি ২০২৫-২৬ৰ স্পিল অভাৰ বাজেটৰ অন্তৰ্গত ২ আসনবিশিষ্ট ডেস্ক-বেঞ্চ ক্ৰয়ৰ বাবে জিলাখনৰ ১১১খন বিদ্যালয়লৈ আৰ্থিক অনুমোদন প্ৰদান কৰা হৈছে। এই সন্দৰ্ভত অতিৰিক্ত জিলা আয়ুক্ত (শিক্ষা) তথা জিলা মিছন সমন্বয়ক, সমগ্ৰ শিক্ষা, বঙাইগাঁও প্ৰাঞ্জল কুমাৰ দাসে বিদ্যালয়সমূহৰ সভাপতি/সদস্য-সচিবলৈ আনুষ্ঠানিক পত্ৰ জাৰি কৰিছে। পত্ৰত উল্লেখ কৰা মতে, মিছন সঞ্চালক, সমগ্ৰ শিক্ষা, অসমৰ ২০/১২/২০২৫ৰ ই-লেটাৰ নং আই ১৩৬৫৩৯১/ ২০২৫ অনুসৰি প্ৰশাসনিক অনুমোদন আৰু আৰ্থিক অনুমতি লাভ কৰাৰ পিছত উক্ত ডেস্ক-বেঞ্চ ক্ৰয়ৰ বাবে অনুমোদিত সম্পূৰ্ণ ধন-ৰাশি শীঘ্ৰেই বিদ্যালয়সমূহৰ বিদ্যালয় পৰিচালনা সমিতিৰ বেংক একাউণ্টত মুকলি কৰি দিয়া হ’ব। ইয়াৰ লগতে বিদ্যালয়সমূহক মিছন সঞ্চালক, সমগ্ৰ শিক্ষা, অসমৰ নিৰ্দেশনা আৰু নিৰ্দিষ্ট স্পেচিফিকেশ্যন অনুসৰি ক্ৰয় প্ৰক্ৰিয়া তৎক্ষণাৎ আৰম্ভ কৰিবলৈ নিৰ্দেশ দিয়া হৈছিল। লগতে ক্ৰয় কাৰ্য সম্পূৰ্ণ কৰি ব্যৱহাৰ প্ৰমাণপত্ৰ ২০২৬ৰ ১ জানুৱাৰীৰ ভিতৰত দাখিল কৰিবলৈও নিৰ্দেশনা প্ৰদান কৰা হৈছিল। উক্ত বিষয়টোক “অতি জৰুৰী” বুলি উল্লেখ কৰি নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত সকলো কাম সম্পূৰ্ণ কৰিবলৈ বিদ্যালয়সমূহক কঠোৰভাৱে অনুৰোধ জনোৱা হৈছিল। কিন্তু পলমকৈ নিবিদা আহ্বান কৰি ডেস্ক-বেঞ্চ ক্ৰয়ৰ প্ৰক্ৰিয়া লেহেম গতিত চলি আছে। আনহাতে ডেস্ক-বেঞ্চ যোগানৰ বাবে নিজৰ যোগ্যতা নথকা একাংশ স্থানীয় ভেণ্ডৰে ডেস্ক-বেঞ্চ যোগানৰ এক নিয়মৰ সুযোগ লৈ অন্যৰ কাগজ যোগাৰ কৰি অ ই এম যোগে ডেস্ক-বেঞ্চ যোগানৰ নিবিদাৰ অংশ লৈ বিভিন্ন বিদ্যালয়ত একেজন ভেণ্ডৰে ভিন্ন ভিন্ন ডেস্ক-বেঞ্চৰ নমুনা ভিন্ন ভিন্ন দৰত যোগান দিবলৈ উদ্যত হৈছে। একাংশ ভেণ্ডৰে যোগানৰ বাবে দিয়া ডেস্ক-বেঞ্চৰ নমুনা অতি নিম্নমানৰ বুলি অভিযোগ উঠিছে। অভিযোগ উঠা মৰ্মে ডেস্ক-বেঞ্চ সমূহৰ কিছু কিছু “পাউডাৰ ক’টেড” নহয় আৰু সামান্য ঘঁহি দিলেই হেনো ৰঙ উঠি যায়। ডেস্ক-বেঞ্চ একাংশৰ ওপৰত ব্যৱহাৰ কৰা ডি টি এফ বোৰ্ডৰ চাৰিওফালে লেমিনেশ্বৰ সলনি “পাৰ্টিকেল বোৰ্ড”ত ব্যৱহাৰ কৰে ‘টেপ’ ইস্ত্ৰি কৰি বহাই দিয়া হৈছে বুলিও এক বিশ্বস্ত সূত্ৰই অভিযোগ কৰিছে। ভেণ্ডৰে যোগান ধৰা আন একাংশ ডেস্ক-বেঞ্চ নিয়ম মতে থাকিবলগীয়া যোখ-মাপ ত নাই বুলিও অভিযোগ পোৱা গৈছে। জানিব পৰা মতে বিদ্যালয় পৰিচালনা সমিতিৰ অধিকাংশত “টেকনিকেল বিড” পৰীক্ষা কৰিবলৈ যোগ্য ব্যক্তিৰ অভাৱৰ বাবে অকল “ফাইনেঞ্চিয়েল বিড”ৰ ওপৰত ভিত্তি কৰিয়েই ভেণ্ডৰ নিৰ্বাচন কৰা হৈছে। ইয়াৰ ফলত স্বাভাবিকতে অধিকাংশ বিদ্যালয়তে নিম্নমানৰ ডেস্ক-বেঞ্চ ভেণ্ডৰে যোগান ধৰিলেও ইয়াৰ মানদণ্ড কোনে নিৰূপণ কৰিব। এই সন্দৰ্ভত সচেতন মহলে জিলা আয়ুক্তৰ নেতৃত্বত ভেণ্ডৰ সকলে যোগান ধৰা ডেস্ক-বেঞ্চৰ নমুনা কাৰিকৰী দিশত দক্ষতা থকা ব্যক্তিৰ দ্বাৰা মান নিৰূপণ কৰিলেহে বিদ্যালয়সমূহে উচিত মান বিশিষ্ট ডেস্ক-বেঞ্চ লাভ কৰিব। উল্লেখযোগ্য যে শিক্ষা বিভাগে প্ৰতিযোৰ দুজনীয়া ডেস্ক-বেঞ্চৰ সৰ্বাধিক মূল্য ছয় হাজাৰ টকাকৈ নিৰ্ধাৰণ কৰি তিনি কোটি চৈধ্য লাখ আঠাইশ হাজাৰ টকাৰে বঙাইগাঁও জিলাত পাঁচ হাজাৰ দুশ আঠত্ৰিশযোৰ ডেস্ক-বেঞ্চ ক্ৰয়ৰ লক্ষ্য লৈছে।

## নগদ ধনসহ প্ৰায় ৫ লক্ষাধিক টকাৰ সা-সম্পত্তি লুটপাত

# দেৰগাঁৱৰ ফুকন নগৰত চোৰৰ চাফাই অভিযান

**অসম বাৰ্তা, দেৰগাঁও, ১২ ফেব্ৰুৱাৰী ঃ** দেৰগাঁৱৰ ফুকন নগৰত সংঘতিত হয় এক চুৰিকাণ্ডৰ ঘটনা। ঘৰত কোনো নথকাৰ সুযোগ লৈ চোৰে ঘৰৰ পাছফালৰ দৰ্জা ভাঙি চলালে লুটপাত। নগদ ধনসহ প্ৰায় ৫ লক্ষাধিক টকাৰ সা-সম্পত্তি চোৰে লুটি নিয়ে বুলি গৃহস্থয় জানিবলৈ দিয়ে। দেৰগাঁও ফুকন নগৰৰ নিবাসী মল্লিকা মহন্তৰ বাসগৃহত সংঘটিত হয় এই চুৰিকাণ্ডৰ ঘটনাটো। বিয়া উপলক্ষে গুৱাহাটীলৈ গৈছিল পৰিয়ালটো সেই সুযোগ গ্ৰহণ কৰি চোৰে চলালে লুটপাত। ইপিনে ঘটনা সন্দৰ্ভত দেৰগাঁও আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে। উল্লেখ্য যে, দেৰগাঁৱত দিনক দিনে বৃদ্ধি পাইছে চুৰি কাণ্ডৰ ঘটনা। ইয়াকে লৈ চিন্তিত হৈ পৰিছে সাধাৰণ ৰাইজ।

## হিমাংশুজ্যোতি নেওগ সাহায্য নিধিৰ প্ৰেৰণালৈ সামগ্ৰী প্ৰদান

**অসম বাৰ্তা, যোৰহাট, ১২ ফেব্ৰুৱাৰী ঃ** হিমাংশুজ্যোতি নেওগ সোঁৱৰণী সাহায্য নিধিৰ দ্বাৰা আজি যোৰহাট চিনামৰাৰ প্ৰেৰণা প্ৰতিবন্ধী শিশু বিকাশ কেন্দ্ৰত দুটা কম্পিউটাৰ মনিটৰ প্ৰদান কৰে। ২০১৮ চনত অকালতে প্ৰাণ হেৰুওৱা লাহদৈগড়ৰ মেধাৱী ছাত্ৰ হিমাংশুজ্যোতি নেওগৰ ২৯ সংখ্যক জন্মদিন উপলক্ষে সাহায্য নিধিৰ দুই সদস্য বেদব্ৰত দত্ত আৰু প্ৰশান্ত ভূএগ্ৰাৰ আৰ্থিক সহযোগত মনিটৰ দুটা প্ৰদান কৰে। অনুষ্ঠানত প্ৰেৰণা প্ৰতিবন্ধী শিশু বিকাশ কেন্দ্ৰৰ অধ্যক্ষা চায়েৰা ৰহমান, শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে। সাহায্য নিধিৰ সদস্য দেৱদত্ত শইকীয়া, প্ৰসন্ন শইকীয়া, বেদব্ৰত দত্ত, প্ৰশান্ত ভূএগ্ৰা সহ সদস্যসকলে সামগ্ৰী প্ৰদান কৰে।

# মেট্ৰিক পৰীক্ষাৰ্থীক বিনামূলীয়া যাতায়াতৰ সুবিধা প্ৰদানেৰে চৰ্চাত এজন বিশেষ যুৱক

**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ১২ ফেব্ৰুৱাৰী ঃ** এজন বিশেষ যুৱক। নিজৰ ই-ৰিস্কাখন চলাই জীৱন-জীৱিকা চলাই নিয়া যুৱকজনৰ এটা বিশেষ কৰ্মই এতিয়া তিনিচুকীয়া জিলাত বিশেষ চৰ্চা লাভ কৰা পৰিলক্ষিত হৈছে। যুৱকজনৰ নাম প্ৰাঞ্জল সোণোৱাল। তিনিচুকীয়া জিলাৰ ৮১ নং শদিয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত তালাপ টেঙাগাঁও নিবাসী এই যুৱকজনে কালিৰে পৰা অনুষ্ঠিত হোৱা হাইস্কুল শিক্ষান্ত পৰীক্ষাত অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰীৰ সহায়ক হোৱাকৈ তালাপ নগৰৰ বালিবজাৰৰ তালাপ তিনিআলিৰ পৰা তালাপৰ নিলগৰ ঐতিহ্যমণ্ডিত তথা শতবৰ্ষ গৰকা ডাঙৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়স্থিত বৃহত্তৰ তালাপ-ডাঙৰী অঞ্চলৰ একমাত্ৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা কেন্দ্ৰটোলৈ পৰীক্ষাৰ্থীৰ সুবিধা হোৱাকৈ সম্পূৰ্ণ সেৱাৰ মানসিকতাৰে নিজৰ ই-ৰিস্কাখনেৰে এক বিনামূলীয়া যাতায়াতৰ সুবিধা কৰি দি যি মহানুভৱতাৰ পৰিচয় দাঙি ধৰিলে সেয়া সঁচাই প্ৰশংসনীয়, অনুকৰণীয়। অহা ২৭ ফেব্ৰুৱাৰীলৈকে চলিব লগীয়া হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ দিনকেইটাত প্ৰতিদিনে পুৱা ৮ বজাত তালাপ বলিবজাৰৰ পৰা ডাঙৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰীক্ষা কেন্দ্ৰলৈ এই সেৱা আগবঢ়াব বুলি কৈ পৰীক্ষাৰ্থীসকলক উক্ত সুবিধা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। “জুবিন দাৰ বাটেৰে-হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ পৰীক্ষাৰ্থীসকলৰ বাবে বিনামূলীয়া যাতায়াতৰ সুবিধা-তালাপ তিনিআলিৰ পৰা ডাঙৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰীক্ষা কেন্দ্ৰলৈ- আপোনালোকৰ প্ৰাঞ্জল”-শীৰ্ষক কাৰ্যসূচীৰে যুৱক প্ৰাঞ্জল সোণোৱালৰ এই বিশেষ কৰ্ম তথা সেৱাৰ মনোভাৱক বৃহত্তৰ তালাপ-ডাঙৰী অঞ্চলৰ ৰাইজে ভূয়সী প্ৰশংসা কৰা পৰিলক্ষিত হৈছে। “মানুহে মানুহৰ বাবে” - ভূপেন দাই তাহানিতে গোৱা গীতটিৰ প্ৰাসংগিকতা যে চিৰদিন, চিৰকাললৈ অব্যাহত থাকিব সেয়া প্ৰাঞ্জল সোণোৱালৰ দৰে এজন সাধাৰণ মনৰ অসাধাৰণ যুৱকৰ এই বিশেষ কৰ্মই আকৌ এবাৰ প্ৰতীয়মান হল। আনে নোযোৱাৰ বাটেৰে অৰ্থাৎ জুবিন দাৰ বাটেৰে যোৱা প্ৰাঞ্জল সোণোৱালৰ সকলোৰে বাবে হৈ পৰক এক আদৰ্শ, তাকেই কামনা কৰিলোঁ।

# যোৰহাট জগন্নাথ বৰুৱা বিশ্ববিদ্যালয় আৰু যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ বুজাবুজিৰ চুক্তি স্বাক্ষৰ

**অসম বাৰ্তা, পশ্চিম যোৰহাট, ১২ ফেব্ৰুৱাৰী ঃ** যোৰহাট জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়ৰ পৰিসংখ্যা বিজ্ঞান বিভাগ আৰু যোৰহাট চিকিৎসা মহাবিদ্যালয়ত ১২ ফেব্ৰুৱাৰীত বুজাবুজি চুক্তি স্বাক্ষৰিত হয়। যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ হৈ অধ্যক্ষ তথা মুখ্য অধীক্ষক ডাঃ সৌৰভ বৰকটকী আৰু জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়ক ড° উৎপলজ্যোতি মহন্তই জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জ্যোতিপ্ৰসাদ শইকীয়াৰ উপস্থিতিত এই চুক্তিত স্বাক্ষৰ কৰে। এই চুক্তিৰ মাধ্যমেৰে দুয়োটা শিক্ষানুষ্ঠানৰ যৌথ উদ্যোগত জৈৱ পৰিসংখ্যা, স্বাস্থ্য বিজ্ঞান আদি ক্ষেত্ৰত আন্তঃ বিভাগীয় গৱেষণা আৰু অধ্যয়নৰ বাবে কাম কৰা সহজ হ’ব। চুক্তি স্বাক্ষৰৰ সময়ত যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ শিশু ৰোগ বিভাগৰ অধ্যাপক ডাঃ মানৱ নয়ন বৰুৱা, শৰীৰৰোগ বিভাগৰ অধ্যাপক ডাঃ তৃষ্ণা দত্ত আৰু ভেষজতত্ত্ব বিভাগৰ অধ্যাপক ডাঃ হিতেশ্বৰ শইকীয়াৰ লগতে জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়ৰ ছাত্ৰ কল্যাণ গুৰু শুভাশীষ শৰ্মা, পৰিসংখ্যা বিজ্ঞান বিভাগৰ অধ্যাপক ক্ৰমে ড° মনোজ কুমাৰ ভাৱাল, ড° প্ৰণৱ বৰুৱা আৰু ড° ৰিতুৰাজ বৰুৱা উপস্থিত থাকে। দুয়োটা প্ৰতিষ্ঠানৰ শৈক্ষিক উত্তৰণাৰ্থে কৰা এই চুক্তিয়ে অনাগত সময়চোৱাত উভয়পক্ষকেই লাভান্বিত কৰিব বুলি আশা কৰা হৈছে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ম’বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ’ব ▶▶

◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •

● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন